# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**Volume I**
**No. 29**

The 20th June 1978

सत्यमेव जयते

1984

PRINTED AT-SENDO PRINTERS, PHONE-685 TEZPUR-784001

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
## BUDGET SESSION

**Vol. I**

**No. 29**

Dated the 20th June 1978

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions .. ... ... | 1—33 |
| 2. | Statement by Minister . .... ... | 33—34 |
| 3. | Voting on Demands for Grants . .... | 34—98 |
| 4. | Calling Attention ... — | 98—99 |
| 5. | Matter under Rule 301 ... ... | 99—103 |
| 6. | Motion for election to Dibrugarh University Court. .. | 104—105 |
| 7. | Motion for election to Gauhati University Court. .... | 106— |
| 8. | Statement by Minister .. ... | 107—111 |
| 9. | Adjournment .... — | 111— |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
BUDGET SESSION

Vol I

No. 29

Dated the 20th June 1978

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... | 1—33 |
| 2. | Statement by Minister ... | 33—34 |
| 3. | Voting on Demands for Grants ... | 34—98 |
| 4. | Calling Attention ... | 98—99 |
| 5. | Matter under Rule 301 ... | 99—103 |
| 6. | Motion for election to Dibrugarh University Court. ... | 104—105 |
| 7. | Motion for election to Gauhati University Court. ... | 106— |
| 8. | Statement by Minister ... | 107—111 |
| 9. | Adjournment ... | 111— |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Thesday, the 20 th June, 1978 with the Hon. Speaker in the Chair, 11 (Eleven) Ministers 3 ( Three ) Ministers of State, 4 (Four) Parliamentary Secretaries and 81 (Eighty one ) Members Present

## STARRED QUESTIONS AND ANSWERS

**(To which oral answers were given)**

**Date : 20th June, 1978**

***Re*: Development of Homeopathy**

Shri NOORUL HUDA asked

*245. Will the Minister, Health be pleased to state—

Shri DULAL CHANDRA BARUAH (Minister, Parliamentary Affairs ) replied :

(a) The steps taken by the State Government since adoption of Assam Homeopathic Medicine Act. 1955 for the development of Homeopathy in the state ?

254. (a)—No.

(b) Whether there is Government Educational Institution, Hospital or Dispensary on Homeopathy in the State ?

(b)—No.

| | |
|---|---|
| (c) Whether the Central Government and the Planning Commission had made any allotment to this State for the development of Homeopathy and if so, what is the quantum of allotment ? | (c) No. |
| (d) What is the current budgetary allocation on Homeopathy in the State ? | (d)—Nill |
| (e Whether the State Government would consider imperting Homeopathic training to the Community Health workers under Rural Health Service Scheme ? | (e)—No. |

**Shri Noorul Huda** :- Sir, in view of the repeated negative answers from tne Hon'ble Minister may I ask him through you whether the State Govt. indent to encourge the training and other Programme of Homeopathic medicine in the State ?

**Shri Dulal Chandra Barua (Minister)** :- Sir, the Present Govt. is very much keen to encourage the training and other programme of Homeopathic medicine. But as no provision has been made in the budget for the development of Homeopathic medicine, this year we can not do anything immediately.

**Shri Noorul Huda** :- Sir, I would like to ask the Hon'ble Minister specifically whether the Govt. intend to have some budgetary allocations for the encouragement of this branch of medicine ?

**Shri Dulal Chandra Barua (Minister)** :- Yes; Sir, in the next year we will definitely consider it.

**Shri Altaf Hossain Mazumder** :- Sir, may I know from the Hon'ble Minister in order to supplement the Alopathic Dispensaries in rural areas whether Govt. contemplates to start some Homeopathic dispensaries as it is less costlier and, secondly, as the Mahakuma Parishads have already started some Homeopathic Dispensaries in the rural areas and these are having good response from the public, whether Govt. will provide some financial assistance to the Mahakuma parishads for the development of these dispensaries ?

**Shri Dulal Chandra Barua** (Minister) :- Sir the Govt. is aware of it. But as I have already stated. no provision has been made in the budget for the development of this branch of medicine this year. Therefore, Sir it is not possible to do anything immediately. But the Govt. is contemplating to start such kind of scheme and it is under examination of the Govt.

**Shri Ranendra Narayan Basumatari** :- Sir, in view of the fact that this branch of medicine is within the easy reach of the poor section of the people. why the Govt. do not consider it reasonable to have some Homeopathic dispensaries in the Sub-divisional Headquarters ?

**Shri Dulal Chandra Barua** (Minister) :- Sir, I have stated the scheme is under examination of the Govt. It is also misnomer to us though there are two Govt. recognised Colleges in the State, why the previous Govt. did not make any budgetary allocation under this head.

**Shri Fokhrul Islam**:- Sir, I want to draw the attention of the Hon'ble Minister through you that according to the policy statement of the Central Govt. they will encour. age all the branches of the medicines like Alcpathic, Homeopathic and Ayurvedic and unani the Central Govt. is giving grants to all the States for development of all the branches of medicines. In view of this, may I know from the Hon'ble Minister whether Govt. of Assam will take up with the Central Covt. for some matching grants for the development of this branch of medicine in the State ?

**Shri Dulal Chandra Barua** [Minister]:- Sir, we have got two recongnised Institutions-one is at Gauhati -Pragjyotish Homeopathic College and the other one is at Nowgong Homeopathic College and in addition to that two other private institutions one is at Dergoan and another at Jorhat- But-even then the previous Govt. did not ask the Central Govt. for any grant now, the present Govt. is examining the whole proposal and will take up the matter with the Govt. of Inbia for financial assistance.

**Shri Golok Rajbanshi** :- Sir, whether the Doctors who are serving in different places at present will be considered for Govt. jobs ?

**Shri Dulal Chandra Barua** (Minister) :- Sir, definitely Govt. will examine there cases.

**Shri Ramesh Chandra Saharia** :- Sir the Govt. have already formed the State Homeopathic Board. But as there is no budgetary allocation for the current year how this Board will function without the financial assistance ?

**Shri Dulal Chandra Barua** (Minister) :- Sir, we have already taken up the matter with the Govt. of India and we have asked for financial assistance and as soon as financial assistance will be made available, definitely the scheme will be undertaken. In order to help and guide us the Board has already been reconstituted.

Starred Question No 246 was not put memer being absent.

বি: ধেমাজি মহকুমাৰ মহকুমাধিপতিৰ স্থায়ী কাৰ্য্যালয় নিৰ্ম্মাণ

শ্ৰীপূৰ্ণচন্দ্ৰ বৰাই সুধিছে :

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

*২৪৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] ধেমাজিক মহকুমাৰ সদৰ ঠাই হিচাবে কোন বছৰৰ কোন তাৰিখে ঘোষণা কৰা হৈছিল ?

২৪৬। ক]— ১৯৭০ চনৰ ৩ আগষ্ট তাৰিখত ধেমাজিক মহকুমা হিচাবে যোষণা কৰা হৈছিল।

খ] ধেমাজি মহকুমাৰ মহকুমাধিপতিৰ (Civil S.D.O.) স্থায়ী কাৰ্য্যালয় নিৰ্ম্মানৰ কাৰনে অসম চৰকাৰৰ পুৰ্ব্বৰ কোনো বাজেটত টকা ধাৰ্য্য কৰা হৈছিলনে ?

খ] হোৱা নাই।

গ] যদি কৰা হৈছিল তেন্তে সেই টকাৰ পৰিমান কি আৰু কামৰ অগ্ৰগতি কিমান হল ?

গ] (খ) প্ৰশ্নৰ উত্তৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

ঘ] উক্ত মহকুমাধিপতিৰ স্থায়ী কাৰ্য্যালয় নিৰ্ম্মানৰ কাৰণে চৰকাৰে ১৯৭৮-৭৯ চলাৰ বাজেটত কিমান টকা ধাৰ্য্য কৰিছে?

ঘ] মহকুমাধিপতিৰ স্থায়ী কাৰ্য্যালয় নিৰ্ম্মাণৰ কাৰণে ১৯৭৮-৭৯ চনৰ বাজেটত ১লাখ টকা ধাৰ্য্য কৰা হৈছে।

শ্ৰীপুৰ্ণ চন্দ্ৰ বৰা :- অধ্যক্ষ মহোদয়, এই প্ৰশ্নোত্তৰত মোৰ এটা প্ৰশ্ন আছে। মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ধেমাজী মহকুমাৰ সমসাময়িক আৰু কোনো মহকুমা অসমত আছে নেকি? আৰু শুনামতে ধেমাজী মহকুমাৰ কাৰ্য্যালয়টো অতি দুখ লগা অৱস্থাত আছে, এই কথা সচানে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- আগৰ চৰকাৰে তেনেকুৱাকৈ কেবা ঠাইতো মহকুমা কৰিছিল আৰু কেবা ঠাইতো তেনেকুৱা অৱস্থাতে আছে। মোৰ নিজৰ ঠাইত তিনসুকীয়াত মহকুমা হবলে কেবা বছৰ হল কিন্তু এতিয়ালৈকে কাছাৰী নাই আৰু জেলো নাই। মৰিগাওঁতো তেনে অৱস্থাতেই আছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :- তিনিচুকীয়া, ধেমাজতকৈ পিচ পৰি আছে। তিনিচুকীয়াত কোৰ্ট কাছাৰীৰ কাৰনে বাইজে দাবী কৰি আহিছে। গতিকে তাত আঁচনি লোৱা হৈছে?

শ্ৰীগোলাপ বৰবৰা [মুখ্যমন্ত্ৰী] :- আঁচনি লোৱা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা :- ৮বছৰ আগতে ধেমাজীক মহকুমাৰ সদৰ হিচাবে ঘোষনা কৰাৰ পিচতো আজিলৈকে সদৰ কাৰ্য্যালয় নোহোৱা আঞ্চলিক বৈষম্য বুলি চৰকাৰে নাভাবেনে? যদি ভাবে, তেনেহলে এই বছৰতে কাৰ্য্যালয়ৰ কাম সম্পুৰ্ণ কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):- মাননীয় সদস্যই কোৱাৰ দৰে এইটো আঞ্চলিক বৈষম্য বুলি কব নোৱাৰি। অৱশ্যে এই বিষয়ত হেমামী নোহোৱা নহয়।

শ্ৰীশূল বৰা :- এচ, ডি, ও, ৰ কাৰ্য্যালয়টো কেতিয়া সম্পুৰ্ণ হব বুলি ভাবিছে?

শ্ৰীগোলাপ বৰবৰা [মুখ্যমন্ত্ৰী]:-১৯৮০ চনৰ ভিতৰত সম্পুৰ্ণ হব বুলি অশা কৰা হৈছে

শ্ৰীচিৰাজুল হক :- বৰপেটাৰ কাছাৰী ঘৰটো ৮০ বছৰীয়া, এই কথা মুখ্যমন্ত্ৰী মহোদয়ে জানেনে? আমি জনা মতে এই ঘৰটো উন্নয়ন কৰাৰ কাৰনে ৫ বছৰ আগতে ৩ লাখ টকাৰ আঁচনি লোৱা হৈছিল। এইটো কেতিয়া সম্পুৰ্ণ হব?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- এই বিষয়ে অবশ্যে বেলেগ প্ৰশ্ন কৰিব লাগিব। কিন্তু এটা কথা জনাওঁ যে অসমৰ বিভিন্ন মহকুমা আৰু জিলাৰ সদৰ কাৰ্য্যালয় নতুনকৈ সজা বা বঢ়োৱাৰ আৱশ্যক হৈছে। এইটো চৰকাৰে বিবেচনাও কৰিছে। কিন্তু গোটেই কথাটো আৰ্থিক অৱস্থাৰ উপৰত নিৰ্ভৰ কৰে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :- তিনিচুকীয়া কোৰ্টৰ কৰ্ম্মচাৰী সকলে ৫০ কিঃ মিঃ দুৰৰ ডিব্ৰুগড়ৰ পৰা অহা যোৱা কৰে আৰু ৰাইজৰ বহুতো অসুবিধা হৈছে। এইটো মুখ্যমন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :- এই প্ৰশ্নৰ সন্দৰ্ভত এই কথা নুঠে ।

শ্ৰীগোলক ৰাজবংশী :- মহকুমা ঘোষণা কৰাৰ পিছতো ৰাইজৰ যি অসুবিধা হৈছে মহকুমা নকৰাৰ কাৰণেও তেনেকুৱা একেই অসুবিধা হোৱা নাই জানো ?

"উত্তৰ নাই"

শ্ৰীশৰুল বৰা :- মহকুমাৰ কাৰ্যালয় আৰু অন্যান্য ঘৰ সজাৰ কাৰণে যি পৰিকল্পনা হাতত লৈছে সেইটো কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- এই বছৰ এক লাখ টকা মঞ্জুৰ কৰা হৈছে । সেই টকাৰে নহলে অহা বছৰত আকৌ মঞ্জুৰী লাগিব ।

বিঃ লক্ষীমপুৰ মহকুমাৰ খাদ্য সামগ্ৰী

শ্ৰীশৰুল বৰাই সুধিছে :

২৪৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] অহা শালি খেতি উঠা পৰ্যান্ত লক্ষীমপুৰ মহকুমাৰ খাদ্য সংকট সমাধানৰ কাৰণে আৱশ্যকীয় ধান চাউল মজুত ৰখা হৈছেনে ?

খ] চৰকাৰী নিৰ্দ্ধাৰিত দৰৰ ধান চাউল, চেনী মিঠাতেল, নিমক আদি অত্যাবশ্যকীয় খাদ্য বস্তু গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায়ৰ যোগে বিতৰনৰ ব্যৱস্থা হৈছেনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা [যোগান বিভাগৰ মন্ত্ৰী]য়ে উত্তৰ দিছে :

২৪৭। ক] উত্তৰ লক্ষীমপুৰ মহকুমাত খাদ্যসংকট নোহোৱাকৈ চলিবলৈ আৱশ্যকীয় ধানচাউল আছে ।

খ]—চাউল, লেভী চেনী নিমখ ইত্যাদি গাওঁপঞ্চায়ত পৰ্যায়ৰ সমবায়ৰ যোগেদি বিতৰণ কৰা হৈ আছে।

শ্ৰীশুল বৰা :- অধ্যক্ষ মহোদয়, ইয়াত এই বছৰ খাদ্য সংকট হৈ মানুহ নমৰিব বুলি চৰকাৰে গ্যাৰেন্তি দিব পাৰিব নেকি ? দ্বিতীয় কথা হল আমাৰ উত্তৰ লক্ষিমপুৰ মহকুমাত এতিয়ালৈকে অত্যাবশ্যকীয় সামগ্ৰী—চাউলকে আদি কৰি সুলভ মূল্যৰ দোকানৰ জৰিয়তে কেনেভাবে বিতৰণ হৈছে— এই বিষয়ে যোগান বিভাগৰ মন্ত্ৰী ডাঙৰীয়ই জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা [যোগান মন্ত্ৰী] :- আমাৰ লক্ষীমপুৰত অত্যাবশ্যকীয় সামগ্ৰী চাউলকে ধৰি- সেই বিলাক তাৰ পৰা বিভিন্ন জেগালৈ দিয়াৰ অৱস্থালৈ চাই লক্ষীমপুৰত কোন অভাৱ অনাটন নোহোৱাকৈয়ে চলিব পৰা হৈ আছে। তাৰোপৰি যি বিলাক বস্তু বিতৰণ হয় সেই বিলাক গাওঁ পঞ্চায়ত বিলাকত থকা ফেয়াৰ প্ৰাইছ ছ'পৰ যোগেদি বিতৰণ কৰা হয়। উত্তৰ লক্ষীমপুৰত ইতিমধ্যে ১৮খন ষ্টেটফেড আউটলেট বহোৱা হৈছে-ধেমাজিতো তেনেকৈ কৰা হৈছে আৰু বাকী য'ত য'ত দৰকাৰী বুলি ভবা হৈছে তাতেই চৰকাৰে বা স্থানীয় উপাক্তুৰ দ্বাৰা তেনেকৈ আউটলেট বহুৱাই খাদ্য সংকট ঘুচুৱাৰ ব্যৱস্থা কৰিছে।

শ্ৰীপ্ৰেমধৰ বৰা :- ছৰকাৰে আগৰ কেইবছৰত হোৱা খেতিৰ হিচাব চাই খাদ্য সংকট নহয় বুলি হিচাব দিছে। কিন্তু চৰকাৰে জানেনে যে এই বছৰ উত্তৰ লক্ষীমপুৰত পাণিৰ অভাৱত কঠিয়া পাড়িব পৰা নাই—যাৰ কাৰণে চৰকাৰে কোন জলসিঞ্চনৰ ব্যৱস্থা কৰা নাই আৰু যাৰ কাৰণে এই বছৰ সংকট হোৱাৰ আশংকা আছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা [যোগান মন্ত্ৰী] :- মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে- সেইটো সঁচা নহয়। চৰকাৰে খাদ্য সামগ্ৰীৰ কথা কৈছে—ৰাইজৰ হাতত থকা কথা কোৱা নাই। তথাপিও আমাৰ ইয়ালৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা চাউল আহিছে ৬২৭০ কুইন্টল, অসমৰ ধান আছে ৫২৩৫১ কুইন্টল, অসমত চাউল আছে ৩৫৬ কুইন্টল আৰু লেডি-চেনী আছে ১০৪০০ কুইন্টল আৰু আমাৰ চিজলা তেল ২২৬৫ টন আছে। ইয়াৰ ভিতৰত এটা কথা আছে যে ১৯৭৮ চনৰ জানুৱাৰী মাহত ১হেজাৰ, ১৯৮৮ ফেব্ৰুৱাৰী মাহত ১হেজাৰ, ১৯৭৮ মাৰ্চ মাহত ১হেজাৰ আৰু ১৯৭৮ এপ্ৰিল মাহত ১হেজাৰ মেট্ৰিকটন এলট কৰা হৈছে। তাৰ ভিতৰত মাত্ৰ লিফ্‌ট্ কৰিছে ১১৪ মেট্ৰিকটন ১৯৭৮ মাৰ্চ আৰু এপ্ৰিলত লিফ্‌ট্ কৰিছে ১২৮ মেট্ৰিকটন। তাৰ পৰাই বুজা যায় যে ডিমাণ্ড কম হৈছে আৰু সেইটোৰ পৰাই বুজিব পাৰি যে চাউলৰ অভাৱ হোৱা নাই তথাপি চৰকাৰ ফালৰ পৰা জনাব পাৰি যে, কিছু কিছু অঞ্চলত কিবাকিবি কাৰণত

বহুতো ঠাইত অভাৱ অভিযোগ হৈছে। ইতিমধ্যে ময় ধেমাজী আৰু উ:লক্ষীমপুৰ ভ্ৰমণ কৰি আহি সকলোতে ৰন্দৱস্তি লবলৈ নিৰ্দ্দেশ দিয়া হৈছে-যত চাউল তথা অন্যান্য সামগ্ৰীৰ দৰকাৰ—সেই বিলাক উত্তৰ লক্ষীমপুৰত থকা গোদামৰ পৰা ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী:- অধ্যক্ষ মহোদয়, কিছুমান মহকুমা উদ্বৃত্ত মহকুমা বা অঞ্চল ধুলি চৰকাৰৰ হিচাব আছে আৰু উত্তৰ লক্ষীমপুৰ মহকুমা চৰকাৰী হিচাৰ মতে উদ্বৃত্ত মহকুমা বুলি পৰিগণিত হৈছেনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা [যোগান মন্ত্ৰী]:-মাননীয় সদস্য নিশ্চয় জানে যে মই সেইটো অঞ্চলতেই জন্ম গ্ৰহণ কৰিছো আৰু সে অঞ্চলৰ লোকৰ কোন ধৰণৰ অভাৱ অভিযোগ একসময়ত নাছিল : কিন্তু এতিয়া বানপানিত প্ৰপীড়িত হৈ বহু ৰকমে ভিতৰুৱা অঞ্চলত খাদ্যবস্তুৰ নাটনি হব পাৰে—তথাপিও উত্তৰ লক্ষীমপুৰ উদ্বৃত্ত অঞ্চল নহয় বুলি কব নোৱাৰি-যতেই খাদ্যৰ অভাৱ ঘটিছে—কোকৰাঝাৰতো খাদ্যাভাৱ হলে চৰকাৰে উদ্বৃত্ত তঞ্চল বুলি ধৰা হয়—সেইদৰে যতেই খাদ্যাভাৱ ঘটিছে—সকলোতে ৰাইজৰ নাটনি গুচাবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, এই সমগ্ৰ খাদ্য বস্তু গাওঁ পঞ্চায়তৰ সমবায় দোকান অৰু ষ্টেটফেড দোকানৰ জৰিয়তে যোগান ধৰা হৈছে—কিন্তু টিজলা তেল লবৰ কাৰণে বাধ্য বাধকতা কৰা হৈছে— টিজলা তেল নললে চেনী নিদিয়া হৈছে সেই কথা মন্ত্ৰীমহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) – টিজলা তেল এক পক্ষই বেয়া বুলি ঘোষনা কৰিছিল—সেইটো কোন পক্ষ মাননীয় সদস্যই নিশ্চয় জানে। তাৰ পাছত সেইবিলাক কেমিকেলী পৰীক্ষা—নিৰীষ কৰাৰ পাছত খাদ্যৰ উপযোগী হোৱাত সেইটো বিতৰণৰ কাৰণে সকলো কতৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে। কিন্তু এই টিজলা তেল লবলৈ কাকো জুৰজবৰস্তি কৰা হোৱা নাই— কোনোৱা নিবলৈ ইচ্ছা নাই – তেওঁক নিবলৈ জুৰ কৰা হোৱা নাই--কিন্তু যতেই মিঠাতেলৰ অভাৱ হয়-তাতেই সেই খাদ্য পুৰাবৰ কাৰণে ৰখা হৈছে।

শ্ৰীমুকট শৰ্ম্মা :—মন্ত্ৰীমহোদয়ে জনাবনে যে অসমত ষ্টেটফেডৰ কেইখন আউটলেট আছে ? আৰু জনসংখ্যাৰ হিচাবত সেইখিনিয়েই যথেষ্ট হৈছে নে ? লগাত বৰ্ত্তমান চৰকাৰে এই ষ্টেটফেড আউটলেডৰ যোগেদি মাত্ৰ আঠৈশ গ্ৰাম মচুৰ দাইল দিছে আৰু সেইদৰে গাওঁ পঞ্চায়তত থকা সুলৰ মূল্যৰ দোকান বিলাকৰ দ্বাৰাও দিয়া হব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—এতিয়া অসমত মুঠতে ২৩০ খন আউ- টলেট আছে। অকল ষ্টেটফেডৰ যোগেদিয়েই নহয়-বাকী যিবিলাক গাওঁ

পঞ্চায়তৰ সমবায় বিলাক ফাংসন হৈ আছে—সেই সকলোবিলাক আউট-লেটৰ যোগদি দিয়াৰ ব্যৱস্থা কৰা হৈছে। য'ত নাই ভাত ষ্টেটফেড বিলাকৰ লগত আলোচনা কৰি তেনে ধৰণৰ দোকানৰ বন্দৱস্তী কৰি দিয়া হৈছে আৰু অকল নগৰতেই নহয় গাওঁ পঞ্চায়ত বিলাকতো সমবায় বা আউট-লেট বিলাকৰ যোগেদি মচুৰ দাইল দি'লৈ চেষ্টা কৰা হৈছে।

শ্ৰীফনি মেধি :-অধ্যক্ষ মহোদয়, তেখেতৰ লক্ষীমপুৰত জন্ম ঠাই। মই জানিব বিচাৰিছো যে তেখেতৰ জন্ম ঠাইত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য সাধাৰণতে বহুত বেছি—এইটো যদি তেখেতে বেছি বুলি স্বীকাৰ কৰে—কিয় বেছি হৈছে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—ভাত দাম বেছি হোৱাটো এটা নতুন কাৰণ। কিন্তু বেছি হোৱাৰ আচল কাৰণ হল যাতায়তৰ অসুবিধা সেই অঞ্চলত যথেষ্ট আছে। বানপানী হোৱাৰ লগে লগে ধেমাজী অঞ্চল এটা দ্বীপান্তৰ ৰূপত পৰিনত হয়—তেতিয়া যাতায়তৰ অসুবিধাও বেছি হোৱাত বস্তুৰ দাম বৃদ্ধি হয়—সেইটো যাতে নহয়—তাৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰে হাতত লৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে চিজলা তেল মানুহৰ ব্যৱহাৰৰ বাবে উপযোগী কিন্তু এইটো কথা মন্ত্ৰী মহোদয়ে জানেনে যে চিজলা তেল ভীষণ দুৰ্গন্ধযুক্ত আৰু ঠায়ে ঠায়ে সংশ্লিষ্ট কৰ্ম্মচাৰী সকলে তেল ভেজাল কৰাৰ কাৰণে চীজ কৰিছে আৰু সেই সংক্ৰান্তত মকৰ্দ্দমা ৰুজু কৰা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—চিজলা তেল খোৱাৰ আগতে অলপ গোন্ধায় কিন্তু সিজোৱাৰ পিছত নোগোন্ধায় আৰু মাননীয় সদস্য গৰাকীয়ে ভেজাল কৰাৰ কথা কৈছে সেইটো চৰকাৰৰ চকুত পৰা নাই আৰু মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় সদস্য গৰাকীক চিজলা তেল ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়,

অধ্যক্ষ :—শ্ৰীমতী আনোৱাৰা টাইমুৰ।

চৈয়দা আনোৱাৰা টাইমুৰ :—ইয়াতে 'ক, প্ৰশ্নৰ উত্তৰত কৈছে যে লক্ষীমপুৰত সংকট নেহোৱাকৈ আৱশ্যকীয় পৰিমাণৰ চাউল মজুত ৰখা হৈছে। আগতে যি লক্ষীমপুৰৰ পৰা চাউল আনি আন ঠাইত দিয়া হৈছিল সেই লক্ষীম-পুৰতেই যেতিয়াই সংকটৰ চিন্তা হৈছে আন আন ঠাইত সম্ভৱ্য সংকটৰ কাৰণে ব্যৱস্থা লব নেকী আৰু 'খ' প্ৰশ্নৰ উত্তৰত কৈছে যে চেনী নিমখ

আদি বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। সেইবিলাক বস্তু আন আন ঠাইতো বিতৰণৰ ব্যৱস্থা কৰিবনে কিয়নো মিঠাতেলৰ দাম কোনো ঠাইত এঘাৰ বাৰ বা ন টকা চলি আছে। এইটো ৰাজ্য চৰকাৰে চকু দি সমবিতৰণৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা, (যোগান মন্ত্ৰী) :—সকলো ঠাইতে কৰা হৈছে। এঘাৰ বাৰ টকা নহয় চিজলা তেলৰ দাম আঠ টকা পঞ্চাশ পইচা। মাননীয় সদস্য গৰাকীকে যি উদ্বেগ প্ৰকাশ কৰিছে তাৰ কাৰণ নাই কাৰণ সকলো ঠাইতে খাদ্য বস্তু মজুত ৰখা হৈছে আৰু আৱশ্যক হলে খুলিদিয়াৰ দিহা কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মাননীয় মন্ত্ৰী মহোদয়ে চিজলা তেল ব্যৱহাৰৰ কাৰণে অনুৰোধ কৰিছে কিন্তু মহোদয়ে বোধকৰো নাজানে যে মই চিজলা তেলৰ বটল এটা পকেটত চেম্পল হিচাবে লৈয়েই ফুৰো। কিন্তু মন্ত্ৰী মহোদয়ক মই ব্যক্তিগত ভাৱে চিজলা তেজৰ গুদাম ঘৰটো এবাৰ চাই আহি অলপ খবৰ সংগ্ৰহ কৰিবলৈ অনুৰোধ কৰিছো যাতে তাৰ দ্বাৰা ৰাইজ অলপ উপকৃত হব পাৰে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা [যোগান মন্ত্ৰী] :-এইটো মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে সেই গুদাম ঘৰ চাই চিতিহে বৰ্ত্তমানৰ ব্যৱস্থা লোৱা হৈছে।

## বিঃ চাহ বাগিছাৰ প্ৰাইমাৰী স্কুল

শ্ৰীপ্ৰতাপ কলিতাই সুধিছে :

২৪৮। মাননীয় শিক্ষ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] বৰ্ত্তমান চৰকাৰে প্ৰতি গাওঁতে এখনকৈ স্কুল হব বুলি কোৱা আঁচনৰ সন্দৰ্ভত বাগিছাৰ প্ৰশ্নটো কেনেকে গ্ৰহণ কৰিব বিছাৰিছে?

খ] এতিয়ালৈকে কিমানখন চাহবাগিছাত চৰকাৰ তৰফৰ পৰা এনে প্ৰাইমাৰী স্কুল লোৱা হৈছে ?

গ] যি বিলাক চাহ বাগিছাত এনে কোন স্কুল চৰকাৰে এতিয়ালৈকে লোৱা নাই সেই ক্ষেত্ৰত চৰকাৰে কি ব্যবস্থা গ্ৰহণ কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী [শিক্ষা বিভাগৰ মন্ত্ৰী] য়ে উত্তৰ দিছে :

২৪৮। ক] —চাহ বাগিছাৰ অঞ্চলসমূহ গাওঁ পঞ্চায়ত এলাকাভূক্ত নোহোৱা হেতুকে চাহ বাগিছা সমূহক এই আঁচনিৰ অন্তভুক্ত কৰিব পৰা হোৱা নাই

খ]-উপৰোক্ত আঁচনিৰ ভিতৰত এখনো লোৱা হোৱা নাই। কিন্তু চাহ বাগিছা সমূহত নিজাকৈ স্থাপত কৰা ৩০০ খন স্কুল লোৱা হৈছে।

গ] আগতে চৰকাৰে চাহ বাগিছা সমূহৰ পৰা যি ৩০০ খন স্কুল ললে তাৰ বাৰে চাহ বাগিছাত বাকী থকা স্কুল সমূহত চৰকাৰে লোৱাৰ কোন আঁচনি বৰ্ত্তমানে লাৱা নাই

শ্ৰীগোলোক ৰাজবংশী : পঞ্চায়তৰ অন্তৰ্ভূক্ত হৱলগীয়া বাগানবোৰৰ স্কুলসমূহ চৰকাৰে হাতত লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী, (শিক্ষামন্ত্ৰী) : সেইটো তেতিয়া বিচাৰ কৰি চোৱা হব।

শ্ৰীপ্ৰতাপ কলিতা : যিবিলাক স্কুল এতিয়াও চৰকাৰে লোৱা নাই, সেই বিলাকত পৰিদৰ্শনৰ ব্যৱস্থা নাই। সেই ব্যৱস্থা শিক্ষা বিভাগৰ পৰা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : পৰিদৰ্শন ব্যৱস্থা অকল চাহবাগানৰ স্কুলতেই নহয়, অন্যান্য ঠাইতো কম হয় বুলিচৰকাৰে ভালদৰে বুজিব পাৰিছে। ইয়াৰ কাৰণে ক্ষিপ্ৰ পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিবলৈ যথাবিহিত কাৰ্য্য ব্যৱস্থা হাতত লবলৈ চিন্তা কৰিছে।

**Shri Altaf Hossain Mazumdar**— Will the Minister be pleased to state is it not the statutory obligation on the part of the employer to provide facilities for elementary education to the boys and girls of the labourers and does the Minister know that the elementary education in tea garden areas is in a bad shape so far as the buildings are concerned, attendance of teachers and students are concerned and what is the policy of the Govt. Is it absolving the employer from this liability ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : সেই বিষয়ত চৰকাৰ সজাগ। এনে এটা পৰিবেশ সৃষ্টি কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা সকলো ব্যৱস্থা লোৱা হব।

শ্ৰীফণী মেধী : প্ৰাথমিক স্কুল লোৱাৰ আচনি আছিল যদিও ১৯৭৫ চনৰ পৰা চলাই থকা তেনে স্কুল এতিয়ালৈকে চৰকাৰে লোৱা নাই। শিক্ষাধিকৰ্ত্তাৰ ওচৰলৈ গলে কয় যে মঞ্জুৰী দিয়া নাই। মই জানিব বিচাৰিছো সেইবিলাক স্কুল লোৱা হব নে নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : যিবোৰ স্কুলৰ কথা কৈছে সেইবিলাক যিমান দূৰ সম্ভৱ আমি লবলৈ যত্ন কৰিছো আৰু লোৱা হব।

শ্ৰীফনী মেধী : কেতিয়া লোৱা হব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : লবলৈ মনস্থ কৰা হৈছে, কিন্তু ধন পালেই লোৱা হব ।

**Shri Altaf Hossain Mazumdar** — We are happy that the Govt. is not sleeping over the matter. My specific question to the Hon'ble Minister was, have the employers been absolved from the statutory liability of providing facilities for elementary education to the children of the labourers ? That was my question.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) . এইটো কৰা হোৱা নাই কিয়নো মালিক সকলে যিদৰে সহযোগ কৰিব লাগিছিল সেইভাৱে কৰা নাই । যাতে এই সহযোগ পোৱা হয় তাৰ কাৰণে নতুন ব্যৱস্থা কৰা হব ।

শ্ৰীশ ুল ৰৰা : বাগানৰ স্কুল লোৱাৰ ক্ষেত্ৰত বাগানৰ মালিক বা কৰ্তৃপক্ষই কি ভাৱে সহায় কৰা নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : এইটো বেলেগে প্ৰশ্ন কৰিলে দিব পৰা হব । কিন্তু তিনিশখন লোৱা হৈছে তাৰ যিটো চুক্তি আগৰ চৰকাৰৰ লগত কৰা হৈছিল সেই চুক্তিমতে মালিক সকলে কাম কৰা নাই । ইতিমধ্যে মালিক সকলৰ পৰা এই তিনিশখন স্কুলৰ বাবদ পাবলগীয়া ছৈধ্যলাখ টকাৰ ভিতৰত জনতাচৰকাৰ হোৱাৰ পৰা তাগিদা দি ছয়লাখ টকা আদায় কৰা হৈছে ।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানি আচৰিত হৈছো— যোৱা ৩০ বছৰে বাগানৰ বনুৱাৰ লৰা-ছোৱালীৰ শিক্ষাৰ দায়িত্ব বাগানৰ মালিকৰ ওপৰতে এৰি থৈছে । বৰ্ত্তমান জনতা চৰকাৰে কি শিক্ষানীতি গ্ৰহণ কৰিছে অৰ্থাৎ বাগানৰ লৰা-ছোৱালীক শিক্ষা দিয়াৰ দায়িত্ব চৰকাৰে লব নে নলয় ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী শিক্ষামন্ত্ৰী : এই ব্যৱস্থা আগৰ চৰকাৰে লোৱা নাছিল বুলি কলে ভুল কৰা হব । আগৰ চৰকাৰেও লৈছিল কিন্তু কৃতকাৰ্য্য হব পৰা নাছিল । মই আশা কৰিছো আপোনালোকৰ আশীৰ্ব্বাদত জনতা চৰকাৰ কৃতকাৰ্য্য হব ।

শ্রীহেমেন দাস : অলপ আগতে মন্ত্রী মহোদয়েই আগৰ চৰকাৰে লোৱা নাই বুলি কৈছিল আৰু কৈছিল যে এই এলেকাবিলাক পঞ্চায়তৰ অন্তৰভুক্ত হলেই বাকীবিলাক স্কুলো লোৱা হব। (ভইচ—৩০০ লোৱা হৈছে বুলি কৈছে) ৩০০ স্কুলেই যথেষ্ট নহয় অসমত ৭১২খন চাহ বাগিছা আছে তাৰ ভিতৰত মাত্ৰ ৩০০ খন লোৱা হৈছে। মই জানিব বিচাৰিছো বৰ্ত্তমানৰ চৰকাৰে এই সকলো বিলাক লৰা-চোৱালীৰ শিক্ষাৰ দায়িত্ব নিজে লব নে?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : অকল বাগানৰ স্কুল বুলিয়ে নহয় সকলো অঞ্চলৰে লৰা-ছোৱালীৰ শিক্ষাৰ দায়িত্ব চৰকাৰে লৈছে।

শ্রীগোলোক ৰাজবংশী : যি বিলাক স্কুল ইতিমধ্যে লোৱা হৈছে আৰু যিবিলাক লবলৈ বাকী আছে সেই সকলোবিলাক স্কুলত যাতে একে শিক্ষা দিব পাৰি তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : শিক্ষা দিবলৈ যাওতেই এই বেমেজালি বিলাক ঘটিছে। সেই কাৰণে বেমেজালি যাতে নহয় তাৰ কাৰণে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্রীগোলোক ৰাজবংশী : সকলোব্যৱস্থাৰ ভিতৰত কেনেধৰণৰ ব্যৱস্থাৰ কথা কৈছে।

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী): ব্যৱস্থা মানে ব্যক্তিবিশেষে বেলেগ বেলেগ হব। বৰ্ত্তমান এইখিনি অসুবিধা হৈছে— চাহ-বাগিছা সমূহত থকা স্কুলঘৰ বিলাক বাগিছাৰ মাটিৰ ওপৰত আছে। গতিকে সেই শিক্ষকজনে তাত গৈ বহি শিক্ষাদান কৰিবলগীয়া হয় যাৰ ফলত মালিকৰ কিছু প্ৰভাৱ থাকে। এনেধৰণৰ কিছুমান অসুবিধাৰ পৰা মুক্তি কৰি এটা শিক্ষাৰ পৰিবেশ যাতে আনিব পাৰি আৰু সকলো ছাত্ৰ-ছাত্ৰী যাতে শিক্ষানুষ্ঠান বিলাকলৈ আগবাঢ়ি আহে তেনেকুৱা পৰিবেশৰ সৃষ্টি কৰিবলৈ ভবা হৈছে।

শ্রীহেমেন দাস : একোজন চাহবাগিছাৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানৰ শিক্ষকে ৯৪ জন ছাত্ৰ-ছাত্ৰীকে শিক্ষা দি মাত্ৰ কেইটকামানহে দৰ্মহা পায় আৰু শিক্ষকজনে মালিকৰ ইচ্ছামতে হিন্দী অসমীয়া ভাষাত পাঠদান কৰিব লাগে এই কথা মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : হয় জানে। চাহবাগিচাৰ শিক্ষানুষ্ঠানৰ শিক্ষক সকলে বাহিৰৰ শিক্ষকতকৈ বেলেগ সা-সুবিধা পায়। এনেকুৱা সুবিধা অসুবিধা আদিৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাত বিজুতি ঘটিছে। তাৰ আশু ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হৈছে।

### *Re :* Exemption of Tuition fees

**Shri NEPAL CHANDRA DAS** asked :

*249 Will the Chief Minister be pleased to state

(a) Whether it is a fact that Government by the declared policy has exempted tuition fees of students of Government Schools only ?

(b) If so whether it covers Provincialised School also ?

(e) If so why the Heads of the Institutions have not yet been directed to exempt the tuition fee up till now ?

**Shri LAKHYADHAR CHOUDHURY** (Minister, Education) replied :

249. (a)—No.

(b)—The Scheme covers the provincialised Schools also.

(c)—Instruction have already been issued to all Inspectors of Schools on 20th May 1978

### বিঃ ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাই

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়াই সুধিছে :

*২৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

দশম মান শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ মাচুল মাফ দিয়াৰ কথা চৰকাৰে ঘোষণা কৰাৰ আঢ়ৈ মাহৰ পিছতো বিদ্যালয় সমূহৰ কৰ্তৃপক্ষই তেনে নিৰ্দ্দেশ পোৱা নাই।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৫০। এই বিষয়ে চৰকাৰৰ তৰফৰ পৰা মে মাহৰ ২০ তাৰিখে সকলো স্কুল পৰিদৰ্শকক নিৰ্দ্দেশ দিয়া হৈছে। বিদ্যালয় কৰ্তৃপক্ষই এই ঘোষিত নিৰ্দ্দেশ নোপোৱা সংবাদ পোৱা নাই।

শ্রীভবেন শইকীয়া ঃ শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে, বিদ্যালয় কৰ্ত্তৃপক্ষই খবৰ পাইছে নে নাই খবৰ পোৱা নাই বিদ্যালয় সমূহৰ পৰিদৰ্শক মহোদয়ে খবৰ পাইছে যেতিয়া বাকীসকলৰ খবৰখিনি ডাকতে আছে বুলি সন্তুষ্ট হলো। মই আন এটা প্ৰশ্ন সুধিব খুজিছো যে, যিবিলাক ঘাটি মঞ্জুৰীপ্ৰাপ্ত স্কুল সেইবিলাক স্কুলত বাৰু এই ব্যৱস্থাটো কৃতকাৰ্য্য হোৱাত অসুবিধা নহব। কিন্তু যিবিলাক এধক স্কুল, যিবিলাক স্কুলত ছাত্ৰ-ছাত্ৰীসকলৰ মাছুলৰ ওপৰত শিক্ষকসকলে চলি আছে, সেই স্কুলবিলাকৰ ক্ষেত্ৰত মই শিক্ষামন্ত্ৰীৰ পৰা জানিব বিছাৰিছো মাছুল বন্ধ কৰাৰ লগে লগে সেই স্কুল বিলাক যাতে অচল নহয় তাৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে ?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : এই স্কুলবিলাক যাতে অচল নহয়, সচল হোৱাৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে।

শ্রীভবেন শইকীয়া ঃ কি ধৰণৰ ব্যৱস্থা লোৱা হৈছে মন্ত্ৰীমহোদয়ে জনাব নেকি ?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : মাছুলৰ পৰা যিখিনি দৰ্মহা দি থকা হৈছিল সেইখিনি চৰকাৰৰ পৰা দিয়া হৈছে।

শ্রীবানেশ্বৰ শইকীয়া : এপ্ৰিল মাহৰ পৰা মাছুল ৰেহাই দিয়া হৈছে। ইতিমধ্যে কিমান টকা ইন্সপেক্টৰ সকলক দিয়া হৈছে, মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : কিছুদিন আগতে এই সদনেতে মই ঘোষণা কৰিছো প্ৰায় ১ কোটি ৯ লাখ বছৰি খৰছ হব।

শ্রীবানেশ্বৰ শইকীয়া ঃ মাহে মাহে পইচা দিয়া হব বুলি শিক্ষামন্ত্ৰীয়ে সদনত ঘোষণা কৰিছিল। মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিছাৰিছো যে মাহ পৰ্য্যন্ত কিমান টকা দিয়া হ'ল আৰু প্ৰভিনচেলাইজ ননপ্ৰভিনচেলাইজ, পাৰ্মিটেড ইত্যাদি স্কুলত কিমান দিয়া হৈছে।

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ কোন স্কুলে কিমান টকা পাইছে সেই হিচাব নাই কিন্তু মাহেকত ৯ লাখ ৮ হেজাৰ দিয়া হৈছে।

শ্রীঅতুল চন্দ্ৰ গোস্বামী ঃ প্ৰভিনচেলাইজ, ননপ্ৰভিনচেলাইজ, এধকৰ কথাই নকও যিবিলাক আগৰ ঘাটি মঞ্জুৰীপ্ৰাপ্ত স্কুল সেইবিলাকত যিবিলাক অতিৰিক্ত চেকচনত পোষ্ট তাৰ দৰ্মহাও এতিয়ালৈকে পোৱা নাই, ডি. পি' অ ই অফিছৰ পৰা কাগজেই যোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : জানো। প্ৰভিনচেলাইজ হোৱাৰ পিছত আনচেংচন কিছুমান শিক্ষকৰ বিজুতি ঘটিছে, সেইবিলাক ঠিক কৰিবলৈ

চেষ্টা কৰা হৈছে। ইতিমধ্যে ৬০ জনক দিয়া হৈছে বাকী সকলকো আপোনালোকৰ অনুগ্ৰহ পালে ততাতৈয়াকৈ পঠিওৱা হব।

শ্ৰীশূল বৰা :— জৰুৰীকালীন অৱস্থাত যি সকল শিক্ষকক বাধ্যতামূলক ভাবে অৱসৰ দিয়া হৈছিল সেই সকল শিক্ষকৰ ক্ষেত্ৰত চৰকাৰে পুনৰ বিবেচনা কৰিব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— এইটো প্ৰশ্ন বেলেগে কৰিলে ভাল হব।

শ্ৰী নিশীথ রঞ্জন দাস :— অধ্যক্ষ মহোদয়, ছাত্রদের মাশুল মাপ করার ব্যাপারে সরকারের মূল নীতি কি ? অ্যাডহকস্কুল, ভেঞ্চারস্কুল, ডেফিসিট স্কুল, —সমস্ত স্কুলে যেসব ছাত্র লেখাপড়া করতে যায়, তাদের সকলের বেতন মাপ করা হবে কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) – মূলনীতি হৈছে যাতে সকলো লৰা-ছোৱালীয়ে অসমৰ ভিতৰত জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে বিনা মাচুলে পঢ়িব পাৰে সেই নীতি গ্ৰহণ কৰা হৈছে।

Shri Gaurisankar Roy—Sir, whether the declared policy will cover the recognised and permitted Schools ?

Shri Lakhyadhar Choudhury (Education, Minister) :— Yes, it will cover all.

শ্ৰী গোলক ৰাজবংশী :- অধ্যক্ষ মহোদয়; যিহেতু পাৰমিচন পোৱা স্কুল বিলাকৰ শিক্ষকৰ দৰমহা আগতে স্কুলে দিয়া ব্যৱস্থা আছিল সেই স্কুল বিলাকত এতিয়া দৰমহা দিবৰ কাৰণে মাহে মাহে ব্যৱস্থা কৰিব বুলি মন্ত্ৰী মহোদয়ে কৈছে ইয়াৰ প্ৰথম ইনষ্টলমেন্টটো বৰ্ত্তমান গৈছে নে নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :- অধ্যক্ষ মহোদয়, প্ৰথম ইনষ্টলমেণ্ট ৯ লাখ ৭হেজাৰ ধৰা হৈছে, কিন্তু জেপত বা জোলোঙাত ধন নথকাৰ কাৰণে ধন দিব পৰা নাই, আপনালোকৰ অনুগ্ৰহৰ কাৰণে বাট চাই আছোঁ।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :—অধ্যক্ষ মহোদয়, আমাৰ অসমত ১৫ বছৰ আগৰ পৰা যি বিলাক ভেনচাৰ স্কুল আছে সেইবিলাক লোৱাৰ কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :- তেনে স্কুলৰ তথ্য—পাতি মাননীয় সদস্যৰ বাহিৰেও আন যিয়ে জনাই শিক্ষাবিভাগে অতি তত্পৰতাৰে ব্যবস্থা লোৱা হব।

Starred Question No. 251 was not put, the member being absent,

## বিঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য জন্তু আৰু পক্ষী

শ্ৰী এ, এন, আকৰাম হুছেইনে সুধিছে:

*২৫২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাজিৰঙা ৰষ্ট্ৰীয় উদ্যানত কিমান সংখ্যাৰ কি কি বন্য জন্তু আৰু পক্ষী আছে জনাবনে ?

(খ) বিভিন্ন ব্যাধি আৰু চোৰাং চিকাৰীৰ আক্ৰমনত বহুতো বন্য জন্তুৰ মৃত্যু হোৱা বাতৰি সত্যনে ?

(গ) যদি সত্য, চোৰাং চিকাৰীৰ উক্ত ৰাষ্ট্ৰীয় উদ্যানত অনুপ্ৰবেশ প্ৰতিৰোধৰ বাবে কি ব্যবস্থা চৰকাৰে গ্ৰহণ কৰিছে আৰু তাৰ বাবে কিমান সংখ্যক পহৰাদাৰ নিয়োগ কৰা হৈছে ?

(ঘ) যোৱা বিহুৰ উৰুকাৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বোকাবিলৰ ওচৰত চৰকাৰী পহৰা দল আৰু চোৰাং চিকাৰীৰ মাজত হোৱা সংঘৰ্ষত এজন নিহত হোৱা বাতৰি সত্যনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৫২। (ক)- কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১৯৭৮ চনৰ ৩০ আৰু ৩১ মাৰ্চ্চত বনৰীয়া জন্তু গণনা হয়। এই গণনা মতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গড় ৯৩৯, হাতী ৭৭৩, মহ ৬১০, বাইসন (মেঠন) ২৩, বাঘ ৮, নাহৰফুটুকী বাঘ •, ভালুক ৪, শৰপহু ২১৫, দল হৰিণা ৬৯৭, খটীয়া পহু ৬৮৫৫, হুগৰী পশু ৯৫, বনৰীয়া গাহৰী ৭৩৩, হুগ ৪৯, হনুমান বান্দৰ ১৯, হলৌ বান্দৰ ৩, উদ ২৩২টা আছে বুলি জানিব পৰা গৈছে।

খ -বিভিন্ন ব্যাধি আৰু চোৰাং চিকাৰীৰ আক্ৰমনত বহুতো বন্য জন্তু মৃত্যু হোৱাটো সত্য নহয়। মাজে মাজে চোৰাং চিকাৰী বা বেমাৰত বা অন্য জন্তুৰ আক্ৰমণত সীমিত সংখ্যক কিছু জন্তুৰ অৱশ্যে মৃত্যু হয়।

গ] চোৰাং চিকাৰী অনুপ্ৰবেশ প্ৰতিৰোধৰ বাবে ৰাষ্ট্ৰীয় উদ্যানত ৫৫ জন হোম গাৰ্ড সহ মুঠ ১৬৪ জন বিষয়া আছে।

ঘ]— হয়, সত্য।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গড়ৰ ক্ষেত্ৰত যিটো হিচাব দিলে তাৰ পৰিপ্ৰেক্ষিতত মই সুধিব খুজিছোঁ যে প্ৰতি বছৰে শতকৰা কি হাৰত গড় সংখ্যা বৃদ্ধি পাইছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :- সেইটো সংখ্যা মোৰ হাতত নাই।

শ্ৰীঅতুল গোস্বামী :- অধ্যক্ষ মহোদয়, [ঘ] প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে হয়, সত্য। এই প্ৰশ্নটোৰ সংক্ৰান্তত মই কব খুজিছোঁ যে সেই দিনৰ ঘটনাস্থলিত আমাৰ যোগান মন্ত্ৰী শ্ৰীবৰুৱা আৰু মই শ্ৰীঅতুল গোস্বামী উপস্থিত আছিলো আৰু ভৰিৰ পৰা মুৰলৈকে চোচবাই চামৰা চিঙা মানুহজনৰ লাচটো আমি দেখা পাইছিলো, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :- অধ্যক্ষ মহোদয়, মাননীয় সদস্যই মোক জনোৱা কথাটো সঁচা, সেই কাৰণে আমি তদন্ত কৰিছিলো সেই তদন্তৰ প্ৰতিবেদন বৰ্ত্তমান মোৰ হাতত আছে মাননীয় সদস্যই যদি বিচাৰে মই পঢ়ি শুনাব পাৰো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- এই তদন্তটো কাৰ হতুৱাই কৰোৱা হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :- এইটো পুলিচৰ হতুৱাই কৰোৱা হৈছে. আৰু অধ্যক্ষ মহোদয়, মই সদনক জনাব বিচাৰিছোঁ যে এই ঘটনা পুলিচে তদন্ত কৰি আছে আৰু এইটো বিচাৰাধিন হৈ আছে। সেইকাৰণে এই বিষয়ে স্পষ্টভাবে কিবা এটা মতামত প্ৰকাশ কৰাটো সমীচিন নহব বুলি ভাবোঁ।

শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :- যদি বিচাৰাধীন হৈয়ে আছে তেন্তে ফাইদিংচ কেনেকৈ দিছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :- অধ্যক্ষ মহোদয়, মই কোৱা নাই, মানুহজন মৰিছে বুলি মাননীয় সদস্যই জনাইছিল—এই কথাটোহে মই কৈছো।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো গড়ৰ পৰিসংখ্যা ৯৩৯ বুলিছিল তাৰ পৰা প্ৰমাণ হয় যে এতিয়ালৈকে কি হাৰত গড় বৃদ্ধি পাইছে তেখেতে কব নোৱাৰে। কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰোঁ যে বনবিভাগে যিটো শতকৰা হাৰ দিছে সেইটো অতি অবাস্তব কথা বুলি জানেনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :- এইটো নিশ্চয়কৈ কব নোৱাৰি।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :— অধ্যক্ষ মহোদয় মন্ত্ৰীমহোদয়ে [ঘ] প্ৰশ্নৰ

উত্তৰত এইটো স্বীকাৰ কৰিছে যে চোৰাং চিকাৰী আৰু পহৰাদাৰীৰ মাজত উসংঘৰ্ষ হৈছে। কিন্তু আমি জানো যে মানুহজনে দিফলুনদীত হাতত জাললৈ মাছ মাৰিবলৈ গৈছিল, সেই মানুহজনক হাতীৰে চোচোৰাই নি মাৰিছে। মন্ত্ৰী মহোদয়ে চোৰাং চিকাৰী বুলি নিশ্চয়কৈ কব খোজে নেকি ?

মাননীয় অধ্যক্ষ — য়েটাৰটো চাবজুদিচ।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :— অধ্যক্ষ মহোদয়, যিহেতু নিষেধাজ্ঞা আছে আৰু চৰকাৰী ভাবে অনুমতি নোলোৱাকৈ যোৱাজনকে চোৰাং চিকাৰী বুলি ধৰা হয়।

মঃ ছাম ছুল হুদা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গড়ৰ জন্মৰ হাৰটো দিব নোৱাৰিলে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা তিনি বছৰত চোৰাং ভাবে কিমানটো গড় হত্যা কৰা হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :— এইটো সদাহতে মোৰ হাতত নাই. কিন্তু বেলেগ প্ৰশ্ন দিলে হিচাবটো জনাব পৰা যাব ।

শ্ৰীবনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱা তিনি বছৰৰ পৰা এতিয়ালৈকে গড়, হাতী, বাইসন আদি জন্তু বিলাকৰ বৃদ্ধিৰ হাৰ বাঢ়িছে নে কমিছে ? আৰু মোৰ দ্বিতীয় প্ৰশ্ন হৈছে চোৰাং চিকাৰীক প্ৰতিহত কৰিবৰ কাৰণে সেই সকল পহৰাদাৰীক আধুনিক যন্ত্ৰ-পাতি ৱাৰলেচ কমিউনিকেচন চিষ্টেম আদিৰ যোগান দিয়া হৈছে নে নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :— ওৱাকিটকি আছে। তেখেতৰ দ্বিতীয় প্ৰশ্নত কওঁ যে, জন্তুৰ সংখ্যা বৃদ্ধি পাইছে, কিন্তু কি হাৰত বৃদ্ধি পাইছে সেই হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই ।

শ্ৰী আক্ৰাম হুছেইন :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে [খ] প্ৰশ্নৰ উত্তৰত কৈছে যে, বিভিন্ন ব্যাধি আৰু জন্তুৰ আক্ৰমনত কিছু সংখ্যক জন্তু মৰিছে, কিমান পহু মৰিছে সেইবোৰৰ পোষ্টমৰটেম কৰা হৈছে নে নাই?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী [মন্ত্ৰী] :— সংখ্যাটো মোৰ হাতত নাই, কিন্তু প্ৰতি জন্তু মৰাৰ খবৰ পোৱাৰ লগে লগে সম্ভৱপৰ পোষ্ট মাৰটেম কৰা হয় ·

**বিঃ যোৰহাট বিজ্ঞান কলেজ**

শ্ৰীদেবানন্দ বৰাই সুধিছে :

*২৫৩। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] যোৰহাট বিজ্ঞান কলেজখন ৰূপান্তৰিত কৰিবৰ কাৰণে আগৰ চৰকাৰে এটা সমিতি গঠন কৰি দিয়া কথাটো সচাঁনে ?

খ] যদি সচাঁ হয়, ইয়াক কাৰ্য্যকৰি কৰিবৰ কাৰণে কি ব্যবস্থা লোৱা হৈছে ?

শ্ৰীলক্ষ্য ধৰ চৌধুৰী (শিক্ষাবিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৫২। ক]— হয়। এই সমিতিৰ প্ৰতিবেদনৰ পৰিপ্ৰেক্ষিতত কলেজখন Institute of Science and Technology] লৈ ৰূপান্তৰিত কৰাৰ অৰ্থে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

খ]—ভাৰত চৰকাৰৰ পৰা অনুমোদন পালেই বিহিত ব্যবস্থা লোৱা হব।

শ্ৰীদেবানন্দ বৰা :- মাননীয় অধ্যক্ষ মহোদয়, এই কলেজখনৰ কাৰণে ডিৰেক্টৰ নিযুক্তি দিয়াৰ সম্পৰ্কত কিবা সিদ্ধান্ত হৈছেনেকি ? তাত যি জন অধ্যক্ষ আছে তেখেতে শিক্ষাৰ বিৰোদ্ধে কাম কৰি আছে বুলি ছাত্ৰসকলে কিবা আপত্তি দিছেনেকি ? তাক এই খন ইনচটিটিউট অব চাইন্স এণ্ড টেকনলজিলৈ ৰূপান্তৰিত কৰিবলৈ দিছেনেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :- বৰ্ত্তমানে থকা প্ৰিনচিপালে শিক্ষানুষ্ঠানৰ বিপৰীতে কাম কৰাৰ কথা চৰকাৰে নাজানে। কিন্তু এনেকুৱা এটা অনুষ্ঠান পতাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লাগে। কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোপোৱাৰ কাৰণেই আমি এইখনক ইনচটিটিউট অব চাইন্স এণ্ড টেকনিলজিলৈ ৰূপান্তৰিত কৰিব পৰা নাই।

শ্ৰীদেবানন্দ বৰা :- ইয়াৰ মাষ্টাৰ প্লেন কৰা হৈছে নেকি ? দ্বিতীয় কথা হল মাষ্টাৰ প্লেনৰ বাদেও গড়কাপ্তনি বিভাগে ঘৰদুৱাৰ সজাৰ কিবা আঁচনি কৰিছেনেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী [শিক্ষামন্ত্ৰী] :- আমি জনাত শ্ৰীদেৱকান্ত বৰুৱা শিক্ষামন্ত্ৰী থকা দিনতেই এই ব্যৱস্থাটো আৰম্ভ হৈছিল। কিন্তু চৰকাৰৰ কাগজ পাতিৰ মতে সদইচ্ছা থকা স্বত্বেও কেন্দ্ৰীয় চৰকৰৰ অনুমতি নাপালে। সেই কাৰণেই ভবা মতে এইটো ইনচটিটিউট অব চাইন্স এণ্ড টেকনিলজিলৈ ৰূপান্তৰিত

কৰিব পৰা হোৱা নাই। বৰ্ত্তমান যি গৰকাপ্তানি বিভাগৰ কথা কৈছে সেইটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই। এই কথাটো দৃষ্টিগোচৰ কৰোৱাৰ কাৰণে মই মাননীয় সদস্যৰ সলাগ লৈছো আৰু কিবা হৈছে যদি ততকালেই ব্যৱস্থা লম।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ- মন্ত্ৰী মহোদয়ে কৈছে যে যোৰহাটৰ বিজ্ঞান কলেজখন ইনচটিটিউট অব চাইন্স এণ্ড টেকনলজিলৈ ৰূপান্তৰিত কৰিবলৈ চৰকাৰৰ অভিপ্ৰায় আছে যিহেতুকে এইটোৱেই অসমৰ একমাত্ৰ প্ৰতিস্থান। কিন্তু এই কলেজখন পূৰ্ণাঙ্গ কৰিবলৈ যিখিনি ঘৰ-দুৱাৰ লাগে বা সা-সৰঞ্জাম লাগে সেইখিনি সম্পূৰ্ণ কৰা হৈছেনে? লগতে ইনচটিটিউট অব চাইন্স এণ্ড টেকনিলজিলৈ ৰূপান্তৰিত কৰিবলৈ যিখিনি শিক্ষক নিযুক্তি হব লাগে সেইটো ব্যৱস্থা কৰা হৈছেনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী)ঃ- পূৰ্ণাঙ্গ কৰিব পৰা হোৱা নাই। যিহেতুকে এই অনুস্থানটো প্ৰতিস্থা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ যি অনুমতি লাগে সেই অনুমতি পোৱা নাই।

শ্ৰীব্যনেশ্বৰ শইকীয়াঃ- যোৰহাট বিজ্ঞান কলেজত শিক্ষক কিমান আছে আৰু ছাত্ৰ কিমান আছে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ- এইটো বেলেগে প্ৰশ্ন কৰিলে দিব পৰা যাব।

শ্ৰীখগেন বৰবৰুৱা ঃ- যোৰহাট বিজ্ঞান কলেজ অধ্যয়ন কৰিবৰ কাৰণে ভুঁএগৰ নেতৃত্বত এটা কমিটি গঠন কৰি দিছিল। এই ভুঁএগ কমিটিয়ে কি কি পৰামৰ্শ দিছিল?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ- ভুঁএগ কমিটিৰ ৰিপৰ্ট মতে ইনচটিটিউট অব চাইন্স এণ্ড টেকনিলজি কৰিবলৈ কৈছে। কিন্তু এই কমিটিৰ ৰিপৰ্ট মতে কেন্দ্ৰীয় চৰকাৰৰ যিখিনি অনুমতি পাব লাগে সেইখিনি নোপোৱাৰ কাৰণেই এইটো হৈ উঠা নাই।

শ্ৰীপ্ৰেম বৰা ঃ- অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই কথাটো কেতিয়া ডাঙি ধৰিছিল?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ শেহতীয়াভাৱে ২।১২।৭৭ চনত ডাঙি ধৰা হৈছে, এতিয়াও কৈ থকা হৈছে।

শ্ৰীআক্ৰাম হুচেইন ঃ- এতিয়া, কেতিয়া কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী)ঃ-দৈনন্দিন কৰি থকা হৈছে বুলি কবপৰা হয়।

শ্ৰীআক্ৰাম হুচেইনঃ- মন্ত্ৰীমহোদয়ে দৈনন্দিন কৰি থকা হৈছে বুলি কৈছে। আজিৰ প্ৰতিলিপি কিবা আছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ- এইটো কথা নুঠে। কিন্তু আমাৰ তৰফৰ পৰা এই অনুষ্ঠানটো পতাৰ কাৰণে প্ৰায়েই আলোচনা হৈ আছে।

*Re:* **Weaving Training Cum-Production Centres in Dhubri Subdivision.**

Shri GIASUDDIN AHMED asked :

*254. Will the Minister, Sericulture and Weaving be pleased to state—

(a) Whether it is a fact that Government decided to set up a few Weaving training *cum*-production centres in Dhubri Sub-division ?

(b) If so, when the said proposal will be implemented ?

Shri GANDHI RAM TIMUNG (Minister of State, Sericulture and Weaving) replied ;

254. (a)—**No.**

(b)—**Does not arise.**

**Shri Giasuddin Ahmed**... May I request the Hon'ble Chief Minister to make an enquiry in the matter because so far as I personally know this decision was definitely was taken but it was not implemented. But to-day the answer is 'no'. Whether the Government will taken action against officer or officers who has or who have given the wrong information ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী)— এইটো আমি অনুসন্ধান কৰিম আৰু তাৰ পিচত ব্যৱস্থা কৰিম।

**Shri Giasuddin Ahmed**—May I request the Hon'ble Minister whether he will take action against the officer or officers concerned who has or who have given the wrong information to the House ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী)— আমি এইটো 'বং' বুলি ভাবিলে ব্যৱস্থা কৰিম।

**Shri Giasuddin Ahmed**—Whether any enquiry will be made?

**Shri Gandi Ram Timung (Minister)** — Yes.

**Shri Ranendra Narayan Basumatari**—As a representetive (voices : coming fro.n the neighbouring Sub-Division Kokrajhar ?) it was also within my knowladge that aweav-ing training cumproduction Centre was proposed to be established and as I heared it was sanctioned (voices: at Kokrajhar) at Chapar. Whether reply given by the Minister is correct ? If not whther whether the Hon'-ble Minister will take necessary action ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী)— আমি এই বিষয়ত ব্যৱস্থা কৰিম বুলি কথা দিছো।

## *Re:* Scholarships and free educationships

Shri KIRON CHANDRA BEZBAUAH asked :

Shir LAKHYADHAR CHOsUDHURY (Minister, Education) replied :

*255. Will the Minister, Education be pleased to state-

(a) The types of scholarships available to the students both for colleges and schools ?

255. (a)—A list of scholarships available to the student both for colleges and schools is placed on the Table of the House.

(b) What are the criteria for getting scholarships and free studentships ?

(b)—The criteria for getting scholarships is indicated in the list of scholarships which is placed on the Table of the House.

The benefit of free student ship is given to all students studying in Class V to Class VII irrespective of caste or income. There is a special scholarship for Girls studying in Class VIII to X which is given on merit *cum* means whose parents/guardians' income do not exceed Rs.3,600 per year. Besides, students belonging to Scheduled Caste /Scheduled Tribes / O. B. C. studying in Class X whose parents / guardians' income do not exceed Rs. 3,600 per year are also entitled to free studentship. This now stands superseded by the new scheme under which tution fee is exempted upto Class X with effect from 1st April, 1978.

In college, students belonging to Scheduled Caste/Scheduled Tribes who are not eligible for scholarships, are given free, studentships whose parents/guardians income do not exceed Rs.3,600 per year.

(c) Whether it is a fact that free studentships are given to the students even if they belong to a family who pays incometax and or officers belonging to I. A. S. rank ?

(c)—Does not arise in view of reply to (b) above.

(d) If so, whether Government will state the No. of sholarships given to both the categories of students during 1977-78 ?

(d)=Scholarship are granted as per criteria indicated in the statement placed on the fable of the house, Students even if they belong to a family who pays income-tax of son and daughter of officers of the I. A. S. rank are qualified to get the scholarship where the criteria is purely merit and thəre in on income bar: Government have however no information about the breach of the rules or norms under which different scholarships are granted. Hance the question of stating number of scholarships given to both the cotegories of students durring 1977-78, does not arise.

Undisposed starred Questions dated 20-6-78

*Re:* **LaharighatCircle Office**

**Shri ABUL KASHEM** askeb :

*256 Will the Minister, Revenue be pleased to state (a) Since when Laharighat Cercle office is in a Rented House ?

**Shri LAKHESWAR GOHAIN** (Minister, Revenue) replied.

256 (a)—Frcm 17th march 1975.

২৫৬। (ক)—১৭।৩।৭৫ ইংৰাজী তাৰিখৰ পৰা ।

(b) Whether it is a fact that land has already been acquired for construction of the Office Building and residential quarter of the S. D. C. since long back ?

(b)—No. land has been acquired; but possession of Sarkari land has already been handed over P. W .D. for the purpose.

(খ)—এই কাৰণত কোনো মাটি অধিগ্ৰহণ কৰা হোৱা নাই, কিন্তু চৰকাৰী মাটিহে গড়কপ্তানী বিভাগক সমজাই দিয়া হৈছে ।

(c) If so, whether Government has sanactioned the fund for the above purpose ?

(c)—Plane and estimate has not yet been receivie by Revenue Department, so steps could be taken be arrange for funds ?

(গ)—ৰাজহ বিভাগে এতিয়াও কোনো ঘৰৰ নক্সা আৰু প্ৰাক্‌কলন পোৱা নাই গতিকে কোনো টকাও মঞ্জুৰ কৰাৰ ব্যৱস্থা লব পৰা নাই ।

(d) If so, when the work will be started ?

(d)—Does not arise.

(ঘ)—বৰ্ত্তমানে এই প্ৰশ্ন নুঠে ।

**Re: Construction of Subdivisional Library at Mangaldoi**

**Shri KALIRAM DEKA RAJA** asked :

*257 Will the Minister, Education be pleased to state—

(a) Whether the scheme for construction of Subdivisional library at Mangaldoi has been implanted ?

**Shri LAKHYADHAR CHOUDHURY** (Minister, Education) **replied :**

257. (a)—No.

(b) If not, what is the present position of the scheme ?

(b)—The P. W. D. is requested to submit plan and Esiimates

(c) Whether it will be completed within the current financial year ?

(c)—No.

(d) What amount has been provided for the purpose ?

(d)—No. Steps for provision of fund will be taken as soon as plan and estimates are received from P. W. D.

### বিঃ তেজপুৰ মহকুমাৰ বজাৰ সমূহত কৰ আদায়

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে :

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

*২৫৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাত থকা বিভিন্ন বজাৰ সমূহত মহলদাৰে বে-আইনি ভাবে কৰ আদায়ৰ কথা চৰকাৰে জানেনে ?

২৫৮। (ক)—দুই এখন বজাৰত কৰ আদায় সম্পৰ্কে হোৱা কিছু খেলি-মেলিৰ কথা চৰকাৰে জানে।

(খ) যদি জানে তেন্তে তাক ৰোধ কৰিবলৈ কি ব্যৱস্থা লোৱা হৈছে ?

(খ)—তদন্তক্ৰমে যথা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

### বিঃ সমবায় সমিতিৰ ধান সংগ্ৰহ

শ্ৰীখগেন বৰবৰুৱাই সুধিছে :

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

*২৫৯। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই বছৰ এতিয়ালৈকে সমবায় সমিতিয়ে কিমান ধান কিনিলে ?

২৫৯। [ক]—১,৭৩,৮২৪·৪২ কুইণ্টল।

(খ) সময়ত চাউল যোগাবলৈ চৰকাৰৰ হাতত চাউল আছেনে ?

[খ]—আছে।

## Re: Murder of Md. Munin Mia

Shri M. Shamsul Huda asked :

Golap Borbora [Chief Minister] replied :

*260 Will the Chief Minister be pleased to state -

[a] Whether it is a fact that the Badarpur police station recovered on 17th June, 1976 the dead body of one Md. Munin Mia from the underneath of a Railway bridge, with serious injuries on the body of the deceased ?

260 [a]—Yes, on 17th June, 1976 at about 5 A. M. the dead body of the deceased Md. Munin Mia was found floating on the water without any injury.

[b] If so, the total number of accused persons so far arrested in connection with this brutal murder and the number of persons yet to be arrested in this connection ?

[b]—Suspect Shri Sarif Ali and Shri Matasin Ali were arrested in this connection.

c) Whether the Government will entrust the C. I. D. for speedy investigation of the case ?

[c]—The case has been returned in F. R. as true but evidence is insufficient against but suspected persons.

d) Whether any G. R. case was registered in connection with this murder ?

[d] ...Badarpur police station Case No. 13[6]76 under section 1; No. 7/302/201, I. P. C. was registered.

e) If not, why ?

[e]=Does not arise.

## Re: Production of Sugar by Cachar Sugar Mill

Shri Abul Muqtadir Choudhury asked :

Shri Golap Borbora [Chief Minister] replied :

*261. Will the Minister, Industries be pleased to state

The quantity of sugar produced by the Cachar sugar Mill in 1977-78 ?

261.—Total production during the year 1977-78 was 3381 quintals.

## বিঃ চাংচাৰী জালিমুৰা পথ

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে :

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা [গড়কাপ্তানী বিভাগৰ মন্ত্ৰী]য়ে উত্তৰ দিছে :

*২৬২। মাননীয় গড়কপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক] চাংচাৰী জালিমুৰা পথটো কেতিয়া নিৰ্ম্মান হৈছিল ?

২৬২। ক]—এটা অংশ ১৯৬৩ চনত আৰু বাকী অংশতো ১৯৬৯ চনলৈ ১৯৭৪-৭৫ চনত আঁচনি অনুযায়ী সম্পূৰ্ণ কৰা হৈছে।

খ] ইয়াৰ আধৰুৱা কামখিনি কেতিয়া শেষ হব ?

খ]- [ক]ৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

গ] আজিলৈকে এই পথত কিমান টকা খৰছ হল ?

গ) — ৰাস্তা নিৰ্ম্মান কৰোঁতে১,৪১,১২৫ টকা আৰু বছৰেকীয়া মেৰামতিৰ বাবদ এতিয়ালৈ ৮৩,৫২৫ টকা মুঠতে ২,২৪,৬৫০ টকা খৰছ হৈছে।

*Re:* **Shri Dharanidhar Saikia, Home Gaures L. NK**

**Shri Promode Gogoi asked:**

*263. Will the Chief Minister be pleased to state—

[a] Whether it is a fact that Home Guards L. NK Dha ani dhar Saikia posted at Jonai Supply Chackgate in the Lakhimpur District is remaining untraced since 3rd September 1974 ?

b] If so, whether any representtions were received from his parents demanding a proper enquiry into the matter ?

c] If so, whether any compensation have been paid to his parents ?

**Shri Golap Borbora (Chief Minister) replied :**

**263. (a)—Yes.**

**(b)—Yes.**

**(c)—No;**

*Re:* **Erosion of river Brahmaputra near Biswanath**

**Shri Golok Rajbanshi** asked :

*264. Will the Minister, Flood Control be pleased to state—

(a) Wether the Government is aware of the erosion of

**Shri Remesh Mohan Couli** (Minister; **Flood Control**) replied :

**264.(a)—The Governmet is not aware of any such aro-**

river Brahmaputra near Biswanath (Tezpur) which threatened the existance of the Temple ?

sion at present apart from the erosion which took place in the early sixtees.

(b) If so, the steps taken by Government in this regared ?

(b)– A protection scheme was sanctioned in 1967-68 and the work has been completed long back.

### Short Notice
### Questions and Answers
### Date : 20th June 1978

**বি : গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আইন**

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰীয়ে সুধিছে :

[৬] মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] গুৱাহাটী বিশ্ববিদ্যালয় আইন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন সংশোধন কৰাৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিছেনে ?

(খ] যদি কৰিছে, এই আইন সংশোধনৰ সময়ত চৰকাৰে বিশ্ববিদ্যালয় আৰু কলেজ শিক্ষক সন্থা সমূহৰ মতামত বিবেচনা কৰিবনে ?

(গ) এই সংশোধন বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ ওপৰত চলি থকা বিশ্ববিদ্যালয় আৰু চৰকাৰৰ দ্বৈত শাসন নোহোৱা কৰি বিশ্ববিদ্যালয়ৰ স্বায়ত্তাধিকাৰ ৰক্ষা কৰিবনে।

শ্ৰীলক্ষীধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬। (ক) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন সংশোধন কৰা প্ৰশ্নটো বিবেচনাধীন হৈ আছে ]

(খ) হয় কৰিব।

(গ) বিষয়টো বিবেচনাধীন হৈ আছে।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী : আইন সংশোধনৰ সময়ত চৰকাৰে বিশ্ববিদ্যায় আৰু কলেজ শিক্ষক সন্থা সমূহৰ মতামত গ্ৰহণ কৰাৰ ব্যৱস্থা লৈছেন ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) এইটো স্বীকাৰ কৰিব লাগিব যে এই কম সময় চোৱাৰ ভিতৰত এখন সংশোধনী আনিবলৈ সম্পূৰ্ণৰূপে কামত আগবাঢ়িব পৰা নাই । এই বিধান সভা শেষ হোৱাৰ পিচত এই এক্ট খন সংশোধন কৰিবৰ কাৰণে ব্যৱস্থা কৰিবলৈ স্থিৰ কৰিছো । ২৮।৩।৭৮ তাৰিখে শিক্ষক সন্থাৰ লগত হোৱা আলোচনা মতে এই সংশোধনীৰ সময়ত, আলোচনৰ সময়ত শিক্ষক সকলক মতাৰ সিদ্ধান্ত কৰিছো ।

শ্ৰীফণী মেধী : কলেজ বিলাকত আগৰ চৰকাৰে লোক কমিটিৰ জৰিয়তে গভৰ্ণিং বডি কৰি দিছে । সেই গভৰ্ণিং বডি এতিয়া ভাঙি দিছেনেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ভাঙি দিয়া নীতি গ্ৰহণ কৰা হৈছে । ভাঙি দিবলৈ যাওতে কোৰ্টত মোকৰ্দ্দমা কৰিছে ।

শ্ৰীদেৱান জয়নাল আবেদিন : কলেজ শিক্ষক সকলৰ চাৰ্ভিচ ৰুলৰ ৰুল-৭ সংশোধন কৰা সম্পৰ্কে কলেজ শিক্ষকৰ ডেপোটেশ্যনৰ দাবী আছিল । সেই সম্পৰ্কত এতিয়ালৈকে কি সংশোধন কৰা হল আৰু সেইসম্পৰ্কৰ আদেশ পথোৱা হল নে নাই?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) : ২৮।৩।৭৮ তাৰিখৰ আলোচনাৰ সন্দৰ্ভত চৰকাৰে সহানুভূতিৰে বিবেচনা কৰি আছে বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে । কিন্তু বৰ্ত্তমানেও ৰুল খন সম্পূৰ্ণ বদলি কৰিবলৈ পৰা হোৱা নাই । গতিকে লাহে লাহে হউক ভালদৰে কৰিব লাগিব ।

## Statement by Minister

**Shri Dulal Chandra Barua** (Minister. parliamentary Affairs) : Sir, I am very sorry that my colleague while he was replying to starred quetion No. 254 given some worng information. Just now I have found the records and having gone through the records I found that there was a proposal of such kind of weaving training cum—production contre at Dhubri. This was estimated at an Amounnt of Rs 48·60 lakhs but as the amount was not provided therefore Government could not go a head. we are trying to get financial assistance from the Government of India and also award from 7th Finance Commission. we are very sorry for the ommission and commissions.

শ্ৰীপ্ৰেমধৰ বৰা=মাননীয় সদস্যই প্ৰশ্ন কৰিছিল, মন্ত্ৰীয়ে হাউচক মিচ ইন-ফৰ্ম্ম কৰিছে। প্ৰমাণিত হৈছে। মন্ত্ৰী মহোদয়ে উল্লেখ কৰা ধন্যবাদ জনাওঁ। প্ৰশ্ন হ'ল এনেকুৱা ভুল খবৰ সদনত দি যিজন অফিচাৰে ভুল পথে পৰিচালিত কৰিছে তেওঁৰ বিৰোদ্ধে ব্যৱস্থা লবনে নলয় ?

শ্ৰীদুলাল বৰুৱা মন্ত্ৰী=নিশ্চয় লব।

মাননীয় অধ্যক্ষ - দিবেট হব নালাগে।

শ্ৰীঅতুল গোস্বামী—মাননীয় সদস্য গৰাকীয়ে নৌ নৌ বুলি কোৱা সত্বেও মন্ত্ৰীয়ে এই ৰিপোৰ্ট অফিচৰ পৰা আহিছে বুলি কৈছে। পাৰ্লিয়ামেণ্টেৰী মন্ত্ৰী যি বিভাগে ভুল খবৰ দিছে সেইটোৰ বিৰোদ্ধে ব্যৱস্থা লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)—বহু ক্ষেত্ৰত শাসনত কিমান দিগদাৰী হয় সেই কথা মাননীয় সদস্য সকলে জানে। লগে লগে এই শুধৰণি কৰা হৈছে যাতে কোনো ধৰণৰ ভুল তথ্য নহয়। যি সকল বিষয়াৰ পৰা ভুল তথ্য প্ৰকাশিত হৈছে নিশ্চয় ব্যৱস্থা লোৱা হব।

## VOTING ON DEMANDS FOR GRANT

শ্ৰীদেৱান জয়নাল আবদ্দিন—পুলিচ বজেটত কৈছিলো —

Mr. Speaker :—I want to know from the house how long the honourable members will discuss on Police ?

Shri Giasuddin Ahmad :—Sir, there are some movers also to speak.

Shri Nuorul Huda :—In our humble opinon the House should get opportuaty to discuss atleast Education. So we request you that you will so conduct that we get an opportunity to discuss Education Demand.

Mr. Speaker :—So far 16 hon'ble Members have partici-

pated, if the hon'ble Members so desire we may conclude discussion by 12·30 P.M.

Shri Dulal Chandra Barua (Minister, Parliamentary Affairs) :—Sir, we have no objection if more hon'ble Members take part in the discussion. But, Sir, today is the last day for 'Voting on demands for grants', and tomorrow is the day for passing of the Appropriation Bill. I think if we can finish discussion on Police budget today then atleast one important subject like Education can be taken up. Of course, this is up to the House.

Mr. Seaker :—I will consider this suggestion. Now, Shri Jainal Abedin will continue.

শ্ৰীদেৱান জয়নাল আবেদিনঃ- অধ্যক্ষ মহোদয়, যোৱা ১৪ জুনৰ দিনাৰ ঘটনাৰ সম্পৰ্কত মই কৈছিলো যে, ছাত্ৰ সকলৰ তৰফৰ পৰা যদি কিছু আইন শৃংখলা ভংগ কৰা হৈছে তাৰ কাৰণে পুলিচে যি ধৰণে কেবাজনো ছাত্ৰ-ছাত্ৰীক মাৰ ধৰ কৰিছে এই কাৰ্য্য সমৰ্থন কৰিব নোৱাৰি। ছাত্ৰই যদি আইন অমান্য কৰি থাকে তেনেহলে তেওঁলোকক এৰেষ্ট কৰিব পাৰিলে-হেতেন। যি কোনো অজুহাততে পুলিচে মাৰ ধৰ কৰাৰ কথা মই কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। এই প্ৰসঙ্গতে মই কবলৈ বিচাৰো যে, আগৰ চৰকাৰে পুলিচ বাহিনীটোক প্ৰশাসনৰ এটা অংগ হিচাবে ব্যৱহাৰ কৰিছিল। বৰ্ত্তমান চৰকাৰে তাৰ পৰা সতৰ্কতা অবলম্বন কৰা উচিত। অসমৰ এই বিধান সভাতে আনকি আগতে জুৰুৰী কালিন অৱস্থাৰ আগত কুখ্যাত কংগ্ৰেছ শাসনতো যেতিয়া ৰাইজে গণতান্ত্ৰিক আন্দোলন কৰিছিল সেই সময়তে পুলিচে সেই আন্দোলন বিলাক ভাঙিবৰ কাৰণে ছাত্ৰৰ ওপৰত নানা ৰকমে অত্যাচাৰ কৰিছিল। কিন্তু তেতিয়াও কোনো দেমনেষ্ট্ৰেন বা বিক্ষোপ আদি আহিলে তেতিয়া মন্ত্ৰী সকল বা বিধান সভাৰ সদস্য সকলে তেওঁ-লোকক দেখা সাক্ষাত কৰিছিল। গণতান্ত্ৰিক আন্দোলনৰ ঐতিহ্য আৰু স্বাৰ্থ ৰক্ষাৰ বাবেই এই সাক্ষাত কৰ'ৰ প্ৰয়োজন আছে। এতিয়া মই আশা কৰিছো যে, গণতান্ত্ৰিক আন্দোলনৰ অংশ হিচাবে যি বিলাক বিক্ষোব মিছিল আহিব তাত মুখ্য মন্ত্ৰীয়ে বা সংশ্লিষ্ট মন্ত্ৰী সকলে গৈ কথাবতৰা পাতিব আৰু দেখা সাক্ষাত কৰিব।

অধ্যক্ষ মহোদয়, আৰু এটা বিষয়ে আলোচনা হৈছে। সেইটো হৈছে, যে, সংখ্যালঘু সম্প্ৰদায়ৰ গৰীব দুখীয়া লোকসকলক আজি পুলিচে নানা ৰকম অত্যাচাৰ জুলুম হাইৰাণ আদি কৰি আছে। এই ক্ষেত্ৰত সমাজৰ কিছুমান প্ৰতিক্ৰিয়াশীল লোকৰ লগত আমি পুলিচৰ সহযোগ দেখিবলৈ পাইছো। সংখ্যালঘু সম্প্ৰদায়ৰ দুখীয়ামানুহ বাংলাদেশৰ মানুহ বিতৰণৰ নামত নানা ৰকম অত্যাচাৰ কৰাৰ কথা এই সদনত মাননীয় সদস্য সকলে আলোচনা কৰিছে। গতিকে মই কব বিচাৰো যে পুলিচৰ যি নৈতিকতাৰ প্ৰমান আমি বহুবাৰ পাইছো সেই পুলিচৰ হাতত নাগৰিকত্বৰ দৰে এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ ভাৰ দিব পাৰি নেকি ? এজন মানুহ দেশী নাগৰিক নে বিদেশী নাগৰিক সেই কথাটো নিৰ্দ্ধাৰণ কৰাৰ দায়িত্ব পুলিচক দিব নালাগে। ন্যায় বিচাৰৰ ক্ষমতাটো পুলিচৰ হাতত কেতিয়াও এৰি দিয়া উচিত নহয়। জুদিচিয়েল ক্ষমতাও পুলিচৰ হাতত এৰি দিব নালাগে। এই সম্পৰ্কত এটা যথাবিহিত ব্যৱস্থা কৰিব লাগে। অনতি পলমে জনসাধাৰণৰ ওপৰত কৰা পুলিচৰ অত্যাচাৰ যাতে বন্ধ কৰিব পাৰে তাৰ কাৰণে মই দাবী জনাও।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো যে দেশ শাসনৰ নামত বৰ্ত্তমানে পুলিচৰ শাসন চলাই থকা হৈছে। যাৰ ফলত আজি যদি এজন মানুহৰ কিবা কৰিবলগীয়া থাকে তেতিয়া আনজনৰ পৰা পুলিচে টকা পইচা খোৱাৰ বাবে সিজনে আহি কবলৈ ভয় কৰে। আৰু বিচাৰপ্ৰাৰ্থীজনকহে উলোটা লকআপত ৰখা হয়। এইদৰেই দোষী বিলাক বাচি যায় আৰু নিৰ্দ্দোষীৰ মৰণ হয়। এইটো বাস্তৱ ঘটনা। এইদৰেই গাওঁ অঞ্চলবিলাকৰ দুখীয়া ৰাইজ নানা ৰকমে পুলিচৰ অত্যাচাৰত জুৰুলা হৈছে। চহৰ অঞ্চলত আৰু ইনড্ৰাচট্ৰিয়েল ইষ্টেটত পুলিচৰ কাম হৈছে নানা ধৰণেৰে গণতান্ত্ৰিক আন্দোলন বিলাক দমন কৰা আৰু বিৰোধি ৰাজনৈতিক দলবিলাকৰ কৰ্মীসকলক ভিতি প্ৰদৰ্শন কৰা। আগৰ চৰকাৰৰ দিনত পুলিচক প্ৰশাসনৰ এটা অংগ হিচাবে ব্যৱহাৰ কৰা হৈছিল। গতিকে মই আশা কৰো যাতে ন্যায় সংগত ভাবে গনতান্ত্ৰিক আন্দোলন সমূহৰ ওপৰত পুলিচে হস্তক্ষেপ নকৰে। এই মৰ্মে মই বলিষ্ঠ ঘোষনা বৰ্ত্তমান চৰকাৰৰ পৰা বিচাৰো। মহোদয়, মই আৰু বেচি নকও সদো শেষত মই কব খুজো যে আমাৰ দেশৰ ৰাইজে এটা নিকা দুৰ্নীতি মুক্ত পুলিচ প্ৰশাসন বিচাৰে। আৰু তাৰ কাৰণে আমিও বিচাৰো পুলিচৰ অধিপত্য দেশত, ৰাজ্যত, সামাজিক জীবনত, পুলিচৰ অধিপত্য খৰ্ব কৰা হওক। আৰু

তাৰ কাৰণে দুখীয়া সৰ্বসাধাৰণ ৰাইজে কষ্টৰে উপাৰ্জন কৰা পইচা খৰচ কৰি যি অশ্ব বা ঘোৰচৱাৰ বাহিনীটো ৰখা হৈছে এই বাহিনীটো উঠাই দিব লাগে। আৰু সম্পূৰ্ণ ভাবে মিতব্যয়ী হিচাবে এই পুলিচ বাহিনীটো কমাই, পুলিচৰ সম্প্ৰসাৰণ কমাই আনিব লাগে। আৰু চৰকাৰে আইন শৃঙ্খলা ৰক্ষা আৰু প্ৰশাসনৰ কাৰণে জনসাধাৰণৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। পুলিচৰ ওপৰত নিৰ্ভৰশীলতা কমাই আনিব লাগে। গতিকে মই আশা কৰো পুলিচৰ শিতানত যি টকা ব্যয় কৰিবলৈ লোৱা হৈছে সেই টকা কমাই শিক্ষা, চিকিতসা, স্বাস্থ্য, শিল্প, কৃষি আদি উন্নয়নমূলক শিতানত ব্যয় বৃদ্ধি কৰা হব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰনি মাৰিলোঁ।

*শ্ৰীজীৱন বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মই পুলিচ বিভাগৰ দাবী মঞ্জুৰীটো সমৰ্থন কৰিছো আৰু কাটমোচনৰ বিৰোধীতা কৰিছোঁ। মই চমুকৈ এই বিভাগৰ বিষয়ে কেইআষাৰ মান কথা দাঙি ধৰিব খুজিছোঁ। এই বিভাগৰ প্ৰতি যি অভিজ্ঞতা আছে সেইটো অতি তিক্ত। পুলিচৰ সংস্পৰ্শলৈ গলে পুলিচ বিভাগৰ পৰা যি অভিজ্ঞতা পোৱা যায় সেই অভিজ্ঞতাৰ দ্বাৰা পুলিচ সকলৰ ওপৰত বিশ্বাস কমি যোৱাটো নিতান্তই স্বাভাৱিক। সমাজৰ আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত এই পুলিচ বিভাগটোৱে যি ধৰণে ভূমিকা পালন কৰিব লাগিছিল সেই ভূমিকা একোৱেই পালন কৰিব পৰা নাই ; পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত এই পুলিচ সকলক কেনেকৈ সমাজৰ ওচৰ চপাই আনিব পাৰি সেইটোৱেহে ব্যৱস্থা কৰিব লাগে। আজি সমাজত আইন অমান্য বেছি হৈছে, অপৰাধৰ সংখ্যা দিনে দিনে বাঢ়িছে। ইয়াৰ কাৰণ হৈছে যে, যি সকল টকা পইছা থকা ধনী মানুহ সেই সকলে আইনকো 'চেলেঞ্জ' কৰে। আইন অমান্য কৰিলেও ধনীক শ্ৰেণীৰ লোক সকলক সহায় কৰা দেখা যায়। তেতিয়াই সাধাৰণ গৰীব শ্ৰেণীৰ লোকসকলে কবলৈ প্ৰয়াস পাইছে যে, পুলিচ কেৱল ধনীক শ্ৰেণীৰ কাৰণেহে। বে—আইনি কাম কাৰও তেওঁলোক বাছি যাব পাৰে। গৰীব শ্ৰেণীৰ লোক সকল হতাশ হৈ পৰে। ফলত কব নোৱাৰাকৈয়ে সেই সকল লোকে বে—আইনি কামত নামি পৰে। সমাজ বিৰোদ্ধী কামত আগুৱাই যাবলগীয়া হয়। গতিকেই সমাজত এনে এটা বাতাবৰণৰ সৃষ্টি কৰা নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে যে, যাৰ দ্বাৰা দোষীক লাগে ধনীয়েই হওঁক বা দুখীয়াই হওঁক

শাস্তি বিহিব লাগিব। যি সকলে আইন অমান্য কৰে, যি সকল সমাজ বিৰোধী কামত লিপ্ত থাকে সেই সকলক সমাজ বিৰোধী বুলি দেখুউৱাৰ সাহস থাকিব লাগিব। এই ক্ষেত্ৰত আমি তলৰ পৰাই চাব লাগিব। তলৰ যিখিনি মানুহ নানান অভাৱ অভিযোগত থকা মানুহ। সাধাৰণ পুলিচ কনিষ্টবল হিচাবে চাকৰিত সোমায়। অভাৱগ্ৰস্ত। যেতিয়া এই সকলে দেখিব যে, ওপৰৰ শ্ৰেণীৰ লোক সকলে বাওঁফালে, সোঁফালে হাত পাতে তেতিয়া এই সকল লোকেও সেই পথকেই অনুসৰণ কৰিবলৈ আৰম্ভ কৰি দিয়ে। গতিকে এইটো ৰেক্‌টিফাই কৰিবৰ কাৰণে আমি সমাজত এটা বেলেগ ধৰণৰ বাতাৱৰণৰ সৃষ্টি কৰিব লাগিব। আন এটা কথা মই জনাব খুজিছো যে, পুলিচ প্ৰশাসনৰ ক্ষেত্ৰত নুন্যতম যিখিনি সা—সুবিধা আমি দিব লাগে সেই খিনি আমি দিব পৰা নাই। ৬।৭ বছৰ ধৰি কিছুমান পুলিচ আউট পোষ্ট 'আনচেংচন' হৈ আছে। ঘৰ মাটি একো নাই। ইনকম্প্লেলি পুলিচ কৰ্ম্মচাৰী আদি নি কাম চলাই থকা হৈছে। অথচ কোটী কোটী টকা আমি বাজেটত ধৰিছো আৰু খৰছো কৰিছোঁ। পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাৰ লগত খাপ খোৱাই এই বিভাগটোৰ পুনৰ বিন্যাস কৰিব লাগে। তাৰ কাৰণে দৰ্কাৰ হলে প্ৰয়োজনীয় পাঠ্যক্ৰমৰো ব্যৱস্থা কৰিব লাগিব। ইয়াৰ লগতে মই আৰু এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে, পুলিচ বিষয়া সকলৰ কাম কাজ তদাৰক কৰিবৰ কাৰণে স্থানীয় কিছুমান 'ভিজিলেন্স কমিটি' তৈয়াৰ কৰিব লাগিব। এই কমিটি খন স্থানীয় ভাবে পুলিচ বিষয়া সকলৰ কামকাজ চাব আৰু সমাজে বিচৰা ধৰণেৰে যদি তেওঁলোকে কামকাজ কৰিব নোৱাৰে তেতিয়াহলে, ওপৰলৈ এই বিষয়ে পথাব আৰু চৰকাৰে সেইমতে চোৱা চিতাৰ কাম কাজ কৰিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীযুকুত শৰ্ম্মা ডাঙৰীয়াই এটা অতি মূল্যবান পৰামৰ্শ আগবঢ়াইছে যে, সাংস্কৃতিক মাধ্যমৰ মাজেদি আমাৰ পুলিচ বিভাগৰ লোকসকল জনসাধাৰণ আৰু সমাজৰ মাজলৈ সোমোৱাই আনিব লাগে। সেইটোকে কৰিব পাৰিলে পৰম্পৰাগত ভাৱে পুলিচৰ ওপৰত চলি অহা মানুহৰ ভয় আৰু বিতৃষ্ণাৰ ভাৱ আতৰি যাব। ইয়াৰ কাৰণে এটা পৰিবেশ তৈয়াৰ কৰি লব লাগিব। যেতিয়ালৈকে আমি তেনে পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰো তেতিয়ালৈকেই আমাৰ যিমানেই সদ্বিচ্ছা নেথাকক কিয় আমি আমাৰ উদ্দেশ্যত ফলৱতী হব নোৱাৰিম। ইয়াৰ পিছতে মাননীয় বিভিন্নজন সদস্যই দুৰ্নীতিৰ কথা উল্লেখ কৰিছে।

দুৰ্নীতিৰ ক্ষেত্ৰত অকল এই পুলিচ বিভাগতেই নহয়, আনবিলাক বিভাগতো এটা বিভাগে আন এটা বিভাগক চেৰ পেলোৱা টান হব। এই বিভাগটোক যদি আমি ৰাইজৰ ওচৰ চপাই নিব পাৰো তেতিয়াহলে, ইয়াৰ

ওপৰত ৰাইজৰ আস্থা আহিব, ৰাইজৰ আস্থা আহিলে সমাজৰ পৰা দুৰ্নীতি কমি যাব, তেতিয়াই আইন অমান্য কৰা মানুহৰ সংখ্যা লাহে লাহে কমি আহিব। এইটো বহুলাংসে নিৰ্ভৰ কৰে সমাজৰ পৰিবেশৰ ওপৰত। আজি বিভিন্ন নাৰ্য্য দাবীৰ ওপৰত যিবিলাক বিক্ষোভ প্ৰকাশ কৰা হয় সেই বিলাকৰ ক্ষেত্ৰত পুলিচে ধৰি লয় যে, এই সকল নিশ্চয় বেয়া মানুহ। সেই কাৰণেহে চৰকাৰৰ বিৰোদ্ধে বিক্ষোভ কৰিছে। গতিকে 'যেন তেন প্ৰকাৰেণ' সেই সকলক ওফৰাই পেলাব লাগিব। এই মনোভাৱৰ পৰিবৰ্ত্তন হব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, এই খিনিকে কৈ মই এই দাবী মঞ্জুৰীৰ সমৰ্থন কৰিছোঁ। আৰু ইয়াৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰো বিৰোধীতা কৰিছো।

মাননীয় উপাধ্যক্ষ ঃ- এতিয়া যিকেইটা ——......

শ্ৰীভৰেন শইকীয়া ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা অতি আৱশ্যকীয় কথাৰ প্ৰতি দৃষ্টি আকৰ্ষন কৰিব খুজিছো যে, যিসকল সদস্যই বক্তৃতাত অংশ গ্ৰহণ কৰিবলৈ বিছাৰে সেই সকলক কবলৈ সময় দিব লাগিব। কিছুমান সদস্যই ৪০।৫০ মিনিট কবলৈ সময় পাব আৰু আমি শেষত চাৰি পাছ মিনিটো নেপাও। এইটো কেনেকৈ হব পাৰে ? কিছুমান অতি গুৰুত্বপূৰ্ণ বিষয়তো আমি ভাগলৈ মাত মাতিবলৈ নেপাও। গতিকেই মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, আমিও যাতে গুৰুত্বপূৰ্ণ আলোচনা বিলাকত অংশ গ্ৰহণ কৰাৰ পৰা বঞ্চিত হবলগীয়া নহয়।

মাননীয় উপাধ্যক্ষ মহোদয় ঃ- মাননীয় সদস্য সকলেও এই কথাটো মনত ৰখা উচিত হব যে যেতিয়াই 'বেল' বাজি উঠিব আৰু বেল বজোৱাৰ পিছতো ১৫/২০ মিনিট সময় কথা কৈয়েই থাকে। গতিকেই বেল যেতিয়াই পৰিব তেতিয়াই মাননীয় সদস্যজনৰ কোৱা শেষ কৰিব লাগিব বুলি মনত ৰখা উচিত হব।

শ্ৰীমাহম্মদ ছামছুল হুদা ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচ বিভাগটো আমাৰ এটা অতি গুৰুত্বপূৰ্ণ প্ৰশাসনীয় বিভাগ। এই পুলিশ বিভাগটো বৃটিছৰ সাম্ৰাজ্যবাদী স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণেই এইটো সৃষ্টি কৰা হৈছিল। তাৰ পিছত স্বাধীনতা লাভ কৰাৰ পিছত দেখা গল যে, শাসনত অধিষ্ঠিত দলৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণেই এইটো ব্যৱহাৰ কৰা হল। কিন্তু প্ৰকৃত পক্ষ্যে দেখা যায় যে, আজিলৈকে এই পুলিচ বিভাগটো জনসাধাৰণৰ সেৱাৰ কাৰণে 'চাৰ্ভিচ অৰিয়েণ্টেড্ কেডাৰ' হিচাবে গঢ়ি উঠা নাই। যেনেকৈ

বৃটিশ আমোলা সকলৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণেই এই পুলিশ বিভাগটো ব্যৱহাৰ কৰা হৈছিল থিক তেনেকৈয়ে কংগ্ৰেছ চৰকাৰৰ আমোলতো ধনীক সম্প্ৰদায়, অৱস্থাপন্ন মানুহ বিলাকৰ কেৱল সেৱা আগবঢ়াইছে। আজি বাস্তৱপক্ষ্যে দেখা যায় যে, যি সকলৰ হাতত টকা আছে, যি সকল অৱস্থাপন্ন মানুহ সেই সকলৰ সেৱাতেই এই বিভাগটো নিয়োজিত হৈছে। সচাঁ কথা কবলৈ হলে, সাধাৰণ গৰীব মানুহ ইয়াৰ দ্বাৰা উপকৃত হোৱা নাই। এই বিভাগত যদি সেৱাৰ মনোভাৱ গঢ়ি তুলিব নোৱাৰি তেতিয়াহলে, আগৰ দৰেই পুলিশৰ প্ৰতি হোৱা সাধাৰণ মানুহৰ মনোভাৱৰ পৰিবৰ্ত্তন নহয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰা বিভাগ বুলিয়েই পৰিগণিত হৈ থাকিব। ইয়াৰ উপৰিও আমি দেখা পাওঁ যে, এই বিভাগটো এটা তাৰ গধুৰ বিভাগ। এই খিনিতে এটা উপমা দিব পাৰি যে, বঙালাউ এটা যেতিয়া হয় তেতিয়া বঙালাউটো ডাঙৰ হৈ যোৱাৰ লগে লগে তাৰ যিটো ফুল আছিল সেই ফুলটো শুকাই নহকৰ ফুটৰ দৰে তললৈ ওলমি পৰে। থিক তেনেকৈয়ে এই বিভাগতো তেনেকুৱাই। ওপৰৰ এক্সিকিউটিভ পোষ্টত থকা সকল ডাঙৰ হৈ যোৱা বঙালাউটোৰ নিছিনা আৰু তলৰ কৰ্ম্মচাৰী বিলাক শুকান বঙালাউৰ ফুলটোৰ দৰে নিশকতীয়া। থানা বিলাকত দেখা যায় যে, পুলিশৰ অভাৱ, এ, এছ, আই আদিৰ অভাৱ। এনেকুৱাও দেখা যায় যে, সামান্য কৰবাত গণ্ডগোল এটা হলেই হাজিৰাত মানুহ আনি পুলিশ বিভাগ চলাব লগীয়া হয়। বিভিন্ন ক্ষেত্ৰত আন্দোলন আদি হলে, পহৰা দিবলগীয়া হলে, পুলিশ বিভাগে হোমগাৰ্ডৰ মানুহ ছটকা হাজীৰাত আনি লগাব লগীয়া হয়। ইয়াৰ কাৰণ হল কনিষ্টবলৰ অভাৱ আছে। এ, এছ, আই, এছ, আই-ৰ অভাৱ আছে। ওপৰৰ যি সকল বিষয়া আদি আছে সেই সকলে বহুত বিলাক সুবিধা আদি ভোগ কৰি আছে আৰু তলৰ যি সকল কৰ্ম্মচাৰী, সেই সকলক সামাজিকভাৱে ঘোৰ অন্যায় কৰা হৈছে। আজি ৩০ বছৰে কনিষ্টবল সকলৰ কাৰণে ঘৰদুৱাৰ আদি তৈয়াৰ কৰা নহল। উচ্চ পদস্থ বিষয়া সকলৰ কাৰণে কোৱাৰ্টাৰ আদি কৰাই লৈছে। আৰামত আছে। কিন্তু তলৰ কনিষ্টবল সকলে বিয়া বাৰু কৰাইছে। সেই সকলে কোৱাৰ্টাৰৰ অভাৱত নিজৰ পৰিয়াল বৰ্গ লগত ৰাখিব পৰা নাই। এই কনিষ্টবল সকল সাংসৰিক জীৱনৰ অধিকাৰৰ পৰা বঞ্চিত হবলগীয়া হয়। থানা বিলাকত গাড়ী আদিৰ অভাৱ। ফলত বহুত বিলাক অসুবিধাৰ সৃষ্টি হয়। থানাত গোছৰ আদি তৰিবলৈ গলে তেওঁলোকে গাড়ী আদি যোগাৰ কৰি দিবলৈ কয়। গাড়ীৰ অভাৱত চোৰ-ডকাইত আদি ধৰোতো ভীষণ অসুবিধা হয়।

মানুহৰ পৰা চাইকেল আদি ধাৰলৈ নৈ যাবলগীয়া হয়। জিলা বিলাকত যি বিলাক এক্সিকিউটিভপোষ্ট আছে সেই বিলাকক সোচনীয়ভাৱে অবহেলা কৰা হৈছে। ইয়াৰ প্ৰতি মই বৰ্ত্তমান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। উপাধ্যক্ষ মহোদয়, এই বিভাগৰ ক্ষেত্ৰত কিনা বেচাত গোলমাল আছে। খাহিলীপাৰাৰ বেটেলিয়ন অফিচত প্ৰায় চাৰি বছৰমানৰ আগতে চাৰে তিনিলাখ মান টকাত এটা মেচিন কিনি পেলাই থৈছে। কি কামৰ কাৰণে পেলাই থৈছে কব নোৱাৰা। ইয়াৰ বাহিৰেও বেটেলিয়ন অফিচ বা আসাম ৰাইফলছৰ অফিচত যিবিলাক গাখীৰৰ টিন আদি কিনা হৈছে। সেই বিলাক কিনোতে অযথা ভাৱে অতিৰিক্ত পইচা ব্যৱসায়ী বিলাকক দিয়া হৈছে। ১৯৭৭-৭৮ চনৰ যিটো গাখীৰ কিনা হৈছিল তাত অনাহকত ৩, ৭, ৮৯৬ টকা ৩৭ পইছা অতিৰিক্ত দিয়া হৈছে। তাৰে এটা হৈছে আসাম এজেন্সি। মবাইল শ্ব মিলক অতিৰিক্ত হাড়ত গাখীৰ অৰ্ডাৰ দিয়াৰ কাৰণে এই টকাটো অতিৰিক্ত ভৰিবলগীয়া হল। ইয়াৰ দ্বাৰা চৰকাৰক ক্ষতিগ্ৰস্ত কৰিছে। এই বিষয়ে এটা তদন্ত চলিছে। কিন্তু তদন্তৰ নিস্পত্তি নোহোৱাকৈয়ে আকৌ এই বিলাক বস্তু দিবলৈ হুকুম দিয়া হৈছে। আজি জনাত আসাম এজেন্সিয়ে কৰ ফাকি দিছে। ১ লাখ ৪৫ হেজাৰ টকা কৰ ফাকি দিছে। চেণ্ট্ৰেল টেক্স ফাকি দিছে ৪৭ হেজাৰ টকা। কিন্তু সেই আসাম এজেন্সিকেই আকৌ গাখীৰ যোগান দিয়াৰ কাৰণে অৰ্ডাৰ দিয়া হৈছে। তাৰ বাহিৰেও বুট জোতা, ড্ৰাই ৰেশ্বন আদি যোগান দিয়াৰ ক্ষেত্ৰত দাৰুণ অৱহেলা এই বিভাগৰ আছে। ইয়াৰ আগতেও ভালে কেইজন মাননীয় সদস্যই এই বিষয়ে আলোচনা কৰিছে। আমিও দেখিছো যে এই বিভাগৰ জনসাধাৰণৰ প্ৰতি যি শত্ৰুতা মূলক মনোভাৱ সেইটোৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। যোৱাকালি এই সদনতে পুলিছ বাজেটৰ ওপৰত আলোচনা চলি থাকোতে কৈছিলোঁ যে, চিপাঝাৰত পুলিছ লকআপত এছ, আই এজনে এজন আচামীক এনেভাৱে প্ৰহাৰ কৰিলে যে শেষত সেই আচামীজনৰ গুৱাহাটী মেডিকেল কলেজ হস্পিটালত মৃত্যু হৈছে। ইয়াৰ বাবে এছ, আই জন গ্ৰেপ্তাৰও হৈছে। নগাওঁতো লালবাবু মিঞা বুলি এজন লোকক থানাৰ ভিতৰত নৃশংসভাৱে মাৰি পেলোৱা হৈছে। চাৰি ফুট তক্তা বুকুত দি দুজন অফিচাৰে দুফালে উঠি নাচিছে। ফলত হাওঁফাওঁ আৰু কলিজা ফাটি গৈ শেষত অচেতন হৈ মৃত্যুৰ মুখত পৰিছে। চাইকেলৰ স্পক এই লোক-জনৰ প্ৰচাৰৰ দ্বাৰেদি সোমাৱাই দিছে আৰু শৌচদ্বাৰত বেট সোমোৱাই দিছে। ইয়াতকৈ নৃশংশ আৰু লোমহৰ্ষক কাহিনী আৰু কি হব পাৰে? মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা ৰহস্যজনক কথা হৈছে যে, পুলিচ

বিভাগৰ এজন জীয়াই থকা লোককো মৃত বুলি ঘোষনা কৰি দিয়া হৈছে। এই লোকজন হৈছে শ্ৰীইন্দ্ৰেশ্বৰ পাচি, ঘৰ মাকুমত। চেকশু এ, পি, বেটেলিয়নত কাম কৰিছে। ছুটিৰ পিছত ১৫ দিনৰ মূৰত জইন কৰিবলৈ আহি গম পায় যে, মানুহজনক মৰিছে বুলি কৈ জইন কৰিবলৈ দিয়া নাই। জইন কৰিবলৈ যাওঁতে কৈছে যে, 'আমি তোমাক জইন কৰিবলৈ দিব নোৱাৰোঁ। কিয়নো ইতিমধ্যেই তোমাক মৰা বুলি ঘোষনা কৰা হৈছে। এজন চিনয়ৰ অফিচাৰৰ সভাপতিত্বত শোক সভাও পতা হৈছে আৰু চান্দা-বৰঙণি আদি তুলি মৃতকৰ পৰিয়ালৰ বৰ্গলৈ দিবলৈকো থিক কৰা হৈছে। গতিকে এতিয়া তুমি আহিছা যেতিয়া তদন্ত কৰিলেহে তোমাক জইন কৰিবলৈ দিয়া হব। এই বিষয়টোৰ সন্দৰ্ভত Service Oriented to Common people ...

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এই বিভাগৰ মন্ত্ৰীয়েই নাই দেখোন ?

* শ্ৰীচামছুল হুদা :— তাৰোপৰি, এই পুলিচ বিভাগৰ বদলি, নিযুক্তি আদিৰ ক্ষেত্ৰত স্বজন-তোষণ নীতি চলি আছে।

ইয়াৰ ওপৰিও এই পুলিচ বিভাগটোত ট্ৰেনচপাৰ বিষয়টোত তাতপৰ্য্য হোৱা নাই। একে ব্যৱস্থাই চলি আছে। পুলিচ কৰ্ম্মচাৰী সকলে উচ্চ বিষয়ালৈ প্ৰমোচন পালে বিশেষকৈ গুৱাহাটী চহৰ খন এৰিব নোৱাৰে। ৫-১০ বছৰৰ পৰা আৰম্ভ কৰি ১৫-১৬ বছৰলৈ এই গুৱাহাটী চহৰতে থাকে। নাইবা আন ভাল চহৰত থাকে। বাকী কিছুমানে চিৰাজৰীত গাওঁত থাকে। যি বিলাকৰ বেকিং নাই সেই বিলাকে চহৰৰ পাচত বছৰ ধৰি গোৱেন্দা বিভাগত সোমাই আছে। এই বিভাগটোত থকা মানে বোলে এটা শাস্তি কেতিয়াও তাত থকা সকলে এডজুকেটিভ পোষ্ট পাব নোৱাৰে। এনেদৰেই এই বিলাক বিভাগ চলি আছে।

আৰু এটা কথা উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। বৰ্ত্তমান জাতা চৰকাৰ দিনতো বাংলা দেশী বুলি আমাৰ অসমতে মানুহক বহিষ্কাৰ কৰা হৈছে। পাকিস্থানী অনুপ্ৰবেশকাৰী বুলিও বহুতো দেশীয় মানুহৰ ওপৰত জুলুম চলাইছে। জাতি ধৰ্ম্ম নিৰ্বেশেষে, হিন্দু মুছলমান সকলোৰে ওপৰত জোৰ জুলুম কৰিছে। এই বিলাকৰ ভিতৰত দেখা যায়, বেচি সংখ্যক ভাবে মুছলমান বেচি পৰিছে। বাংলাদেশী বা পাকিস্থানী, অমুছলমান বা মুছলমান বুলিয়েই

হওক এনে জুলুম কৰিবলৈ হলে, উপাধ্যক্ষ মহোদয়, এই ক্ষেত্রত এটা দৃষ্টি আকর্ষণ কৰিব বিছাৰিছো, পুলিচ বিভাগৰ এনেকুৱা ক্ষমতা আছে নেকি যে চৰকাৰৰ অনুমোদন নোহোৱাকৈ এনেধৰণৰ জুলুম চলাবলৈ। পাকিস্থানী বিদেশীসকলক আমাৰ দেশৰ পৰা বহিষ্কাৰ কৰিবলৈ হলে আমি বাধা নিদিও বৰঞ্চ আমিও সহযোগ কৰিম। দৰ্কাৰ হলে প্ৰস্তাবো গ্ৰহণ কৰিব লাগিব। কিন্তু বিদেশী উচ্ছেদ কৰাৰ নামত দেশৰ মানুহক বহিষ্কাৰ কৰিবলৈ জুলুম চলাবলৈ যদি চৰকাৰৰ কোনো প্ৰত্যক্ষ বা পৰোক্ষ ভাবে সমৰ্থন নাথাকে পুলিচৰ ক্ষমতা আছে নেকি জুলুম কৰিবৰ? সেইদিনা মুখ্যমন্ত্ৰী মহোদয়ে, কৈছিল, ৰেজিচট্ৰেচনটো ডি, চি, ৰ ওপৰতহে। কিন্তু আচলতে ডি, চি এ নকৰে এইটো এচ, পি, এহে কৰে। এচ, পি, জন কৰে আৰু কেন্দ্ৰিয় চৰকাৰৰ আই, এ, এচ, অফিচাৰ সকলৰ লগত যোগাযোগ কৰি থাকে। ফলত এই সকলৰ জুলুম হৈছে নতুন কোনো নিৰ্দ্দেশ অহা নাই। প্ৰকৃতপক্ষে দেখা যায়, বিদেশী খেদাৰ নামত ভাৰতীয়, এই দেশৰ লোকসকলৰ ওপৰতে অত্যাচাৰ কৰা হৈছে। এনেকুৱা ক্ষেত্ৰত অতি লাজৰ কথা হলেও আমি পৰামৰ্শ হিচাবে এটা কথা কব লাগিব। এই ধৰণৰ অত্যাচাৰ কৰিবলৈ দেশ স্বাধীন হোৱাৰ পাচত বিদেশী মানুহ আতৰ কৰা বিষয়ত আনুসঙ্গিক হব পাৰে কিন্তু বৰ্ত্তমান পৰিস্থিতিত যুক্তিৰ বুলি নাভাবো। সেই দিনাৰ স্বাতৰি কাকতত ওলাইছে লক্ষ্য লক্ষ্য বাংলাদেশৰ মানুহ আহিছে আৰু আমাৰ বৰপেটা সমষ্টিৰ কোনোবা এজন সদস্যই কৈছে চাৰি লক্ষ্য বাংলাদেশীয় মানুহৰ ভিতৰত যদি ৫০ হাজাৰৰ লোকে ভোটৰ অধিকাৰ পায় তাৰ এম, এল, এ, ও পৰি যায়। মই ভা.বা ৪৮হাজাৰৰ ভিতৰত ১৬ জন এম, এল এ পৰি যায়। মোৰ পৰামৰ্শ টা হল অতি লাজৰ হলেও মই কবলৈ ওলাইছো, এই সংখ্যালঘু সম্প্ৰদায় সকলক ৰেজিচট্ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে নিৰ্ভয় ভাবে ঘুৰা ফেৰা কৰিব পাৰে। নগাওঁৰ মেদৰ অ'সি নামৰ এজন মানুহক ধৰি পুলিচে লৈ আহিলে আৰু তেওঁৰ পৰা ২০০ টকা বিছাৰিলে। সেই দুশ টকা নিদিয়াৰ ফলত পুলিচে গ্ৰেপ্তাৰ কৰিলে। এনে বিলাক ঘটনা ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ কাৰণে অতি লাজৰ কথা হৈছে। সেই কাৰণেই মই মাননীয় মন্ত্ৰী মহোদয়ৰ আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰো যে জনতা চৰকাৰে এই পুলিচ বিভাগটো সম্পূৰ্ণ ভাবে উঠাই নতুনকৈ ৰিকোগনাইজ আৰু ৰিফৰম কৰক। বৃটিচৰ আমোলত যি ধাচত পুলিচ বিভাগ চলিছিল যি ধাচত তেওঁলোকে তৈয়াৰ কৰি লৈছিল আজি ৩১ বছৰৰও সেইমতেই

চলি আছে। গতিকে এই বিভাগৰ খুটি নাতি দাঙি ধৰি এই বিভাগটো ৰিফৰ্ম কৰাৰ প্ৰয়োজন হৈছে। আমাৰ বিধান সভাই এই ক্ষেত এটা কমিটি গঠন কৰি দিয়ক বিভিন্ন সদস্যই ৰিপোৰ্ট সংগ্ৰহ কৰি আশোমাহ বিলাক দাঙি ধৰি অভিযোগ কৰিলে তাৰ তদন্ত কৰাৰ ব্যৱস্থা কৰিবলৈ আপোনাৰ জৰিয়তে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী এ, এন, আক্ৰাম হুচেইন :— অধ্যক্ষ মহোদয়, মই এটা ক্লেৰিফিকেচন বিছাৰিছো। সেইটো হল যোৱা কালিৰ পৰা—

মাননীয় উপাধ্যক্ষ ;— আপুনি মন্ত্ৰীয়ে উত্তৰ দিয়া সময়ত কব।

শ্ৰীভবেন শইকীয়া := উপাধ্যক্ষ মহোদয়, পুলিচ শব্দটোৱে কেতিয়াবা কোনো ঠাইত মানুহৰ মনলৈ এটা নিৰ্ভয় ভাব আনি দিয়ে আৰু কেতিয়াবা কোনো ঠাইত সন্ত্ৰাসৰ সৃষ্টি কৰে। পুলিচ বিভাগটো দেশৰ আইন শৃঙ্খলা আৰু শান্তি ৰক্ষাৰ কাৰণে গঠিত। কিন্তু দেখা যায়, এই বিভাগৰ কিছুমান কৰ্ম্মচাৰীৰ খামখিয়ালী আৰু দুৰ্নীতিৰ কাৰণে এই বিভাগে মানুহৰ মনত ভাবৰ সৃষ্টি কৰিব লগিছিল, তাৰ পৰিবৰ্ত্তে কিন্তু ৰিপৰীত ভাবেহে সৃষ্টি কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয় সময় যিহেতু খুব কম পাম আৰু আপুনি ৪/৫ মিনিটমান পাচতেই বেল বজাব; গতিকেই মই বিষয়টোৰ ওপৰত বহলাই নকৈ মাত্ৰ কেইটামান পৰামৰ্শহে আগবঢ়াম।

**Shri Giasuddin Ahmed :— A point of Order, Sir.** It is the discretion of the Speaker or the Deputy Speaker to fix time limit, if required. So, that is the discretion as provided in the rules. Therefore, I think we should not cast any remark on this.

শ্ৰীভবেন শইকীয়া :— সেইটো হোৱা নাই, যি কি নহওক মই এটা কথা কব বিচাৰিছোঁ যে এই পুলিশ বিভাগৰ যিমান বিলাক বিষয়া বা কৰ্ম্মচাৰী আছে সেই সকল আটায়ে যে একেৰাৰে বেয়া বা মানুহৰ লগত সকলোয়ে বেয়া ব্যৱহাৰ কৰে সেইটো নহয়। কিন্তু এটা কথা আমি দেখা পাইছোঁ

যে গাওঁবিলাকত পুলিশৰ নামত যিবিলাক সন্ত্ৰাসৰ সৃষ্টি হৈছে এই সম্পৰ্কত এটা ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা অতি শীৰ্ঘে লৈ এই বিভাগটোৰ পুনৰগঠন কৰাতো নিতান্তই প্ৰয়োজন হৈ পৰিছে। এই পুলিশ বিভাগটো বৃটিছৰ দিনত কেৱল শাসন আৰু দমনৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল তাৰ পাচত জাতিয় চৰকাৰ গঠন হোৱাৰ পাচতো সেই জাতিয় চৰকাৰৰ দিনত কোনো শলনি নহ'ল বা কোনো শলনি ঘটাব নোৱাৰিলে। এই পুলিশ বিভাগটো একেটা ধাৰাতে চলি থাকিব দিয়া হ'ল। তাতোকৈ ডাঙৰ কথা হ'ল বিগত জৰুৰী কালিন অৱস্থাৰ সময়ত পুলিচৰ অত্যাচাৰ আৰু উৎপীড়নৰ সীমা আগতকৈ বেচিকৈ চৰিল। পুলিশ বুলিলে আজি গাৱত মানুহে দূৰ্নীতি বুলিহে ভাবে; কিয়নো, যেতিয়া গাৱলৈ একোজন পুলিচ বিষয়া বা কৰ্ম্মচাৰী কোনো বিষয়াৰ তদন্তৰ কাৰণে যায়, সেই তদন্তটো যদিও ৩৷৪ দিনত সমাপ্ত কৰিব পাৰে কিন্তু সেই কেচটো নিস্পত্তি কৰোতে সপ্তাহ মাহ বছৰ কৰি পেলায়। ইয়াৰ কাৰণ হ'ল তেওঁলোকে উভয় পক্ষৰ পৰা ঘোচ-ঘাচ খোৱাৰ সুবিধা কৰি লয়। তাৰোপৰি যি কোনো ধৰণৰ এটা কামৰ কাৰণে পুলিচৰ ওচৰলৈ সাধাৰণ মানুহ গলে তেওঁলোকে কোনো কামেই সহজ সাধ্য কৰি তুলিব নোৱাৰে আৰু গাৱৰ সাধাৰণ মানুহ তেওঁলোকৰ ওচৰলৈ যোৱাতোয়েই অসম্ভৱ হৈ পৰে। কথাই কথাই টকা পইচাৰ বেপাৰ। জৰুৰী অৱস্থাৰ সময়ত এই উৎপাত দুগুন বাঢ়িল, আগতে যিটো কামৰ বাবে পুলিশক ২০ টকা দিলেই কামটো হৈ উঠিছিল, কিন্তু জৰুৰী অৱস্থাৰ সময়ত ২০ টকাৰ ঠাইত ২০০ টকা দিলেহে কামটো ঘপহকৈ হৈ উঠে। তেনে উদাহৰণ মোৰ হাতত বহুত আছে। এই সম্পৰ্কত মই আৰু বেচিকৈ আলোচনা কৰিবলৈ নাযাওঁ, মই কেইটামান পৰামৰ্শহে দিব দিব বিচাৰিছো আজি যদি এই পুলিশ বিভাগটো সম্পূৰ্ণ নিকা কৰিব পৰা নাযায় তেতিয়াহলে ইয়াৰ দ্বাৰা জনসাধাৰণৰ মাজত যি ভয়ৰ উদ্ৰেগ হৈছে সেই ভয় কেতিয়াও দূৰ কৰিব নোৱাৰিব আৰু তাৰ দ্বাৰা শাসনযন্ত্ৰটোত কেনা লগাতো নিতান্তই স্বাভাবিক। পুলিশ বিভাগত কেবাটাও বিভাগ আছে; তাত এটা দূৰ্নীতি নিবাৰণ শাখা আছে ইয়াক এনটিকৰাপশ্যন দিপাৰ্টমেণ্ট বোলা হয়। ইয়াত যিবিলাক পুলিশ বিষয়া আছে তেওঁলোক দূৰ্নীতিত পাকৈত আৰু এই দূৰ্নীতিত পাকৈত সকলকহে দূৰ্ণীতি নিবাৰণ কৰিবলৈ দিয়া হয় আৰু এওঁলোকেই এই বিভাগৰ সৰ্বেসৰ্বা হৈ পৰে। যিহেতুকে তেওঁলোক নিজেই দূৰ্নীতিত লিপ্ত গতিকে তেওঁলোকে দূৰ্নীতি দূৰ কৰিব নোৱাৰে।

বৃদ্ধিহে কৰে। আনহাতেদি দেখা যায় যি সকল সত্ মানুহ তেওঁলোকে কেতিয়াও প্ৰমোশ্যন নাপায় আৰু কোনোমতেই ওপৰলৈ উঠিব নোৱাৰে। কিন্তু যি সকলে অসত্ উপায়েৰে কলা টকা উপাৰ্জ্জন কৰিছে সেই সকলেই ওপৰলৈ গৈ আছে কিন্তু সত্ অফিচাৰ সকলৰ কাহানীয়ো উন্নতি নহয়। গতিকেই এই বিভাগটো সম্পূৰ্ণৰূপে নিকা কৰিবলৈ হ'লে এই পুলিশ বিভাগটোৰ দায়িত্বত থকা হোম দিপাৰ্টমেণ্টটো অধিক উন্নত কৰিব লাগে আৰু তাকে কৰিবলৈ হলে এই হোম দিপাৰ্টমেণ্টটো এজন সুকীয়া মন্ত্ৰীৰ তললৈ আনিব লাগে। এতিয়া যিহেতু এই বিভাগটো মুখ্য মন্ত্ৰীৰ হাতত আছে আৰু তাৰ উপৰিও মুখ্য মন্ত্ৰীৰ হাতত আৰু অনেক বিভাগ আছে, সেই কাৰণে এই বিভাগটোৰ প্ৰতি বিশেষ মনোযোগ দিয়াটো তেওঁৰ কাৰণে অলপ অসুবিধা হব পাৰে। সেইকাৰণে মুখ্য মন্ত্ৰীয়ে হোম দিপাৰ্টমেণ্টটো সুকীয়াকৈ লব লাগে।

(ভইচ :—আৰু মন্ত্ৰী বঢ়োয়াৰ কথা কৈছে নেকি ?)

মই দপ্তৰৰ কথা কৈছোঁ, মন্ত্ৰী বঢ়োৱা বা কমোৱাৰ কথা কোৱা নাই। যিহেতু এই পুলিশ বিভাগটো অত্যন্ত দৰকাৰী বিভাগ তেনেস্থলত আন কোনো মন্ত্ৰীৰ দায়িত্বত এদলীয়াকৈ দিব নোৱাৰিলে মুখ্যমন্ত্ৰীয়ে আন বিভাগ বাদ দি এইটো সুকীয়াকৈ লব লাগে। মুঠতে এই বিভাগটো নিকা কৰিবলৈ সৰ্ব্বতো-প্ৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰাতো প্ৰয়োজন। আৰু সেয়ে এই কথা খিনিকেই গৃহ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এই যি মঞ্জুৰী দাবী আহিছে সেই মূল দাবী সমৰ্থন কৰিলো আৰু কৰ্ত্তন প্ৰস্তাৱ-টোৰ বিৰোধিতা কৰি সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ :—কম সময়ৰ ভিতৰতে কব পাৰিলে ভাল হয়।

শ্ৰীগিয়াচুদ্দীন আহম্মদ :—উপাধ্যক্ষ মহোদয় আমাৰ ফালৰ পৰা কোনেও কোৱা নাই।

শ্ৰীইব্ৰাহীম আলি :—মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থণ কৰি কেইটামান কথা আমাৰ এই বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। পুলিশ বিভাগটো দেশ এখনৰ আইন শৃঙ্খলা ৰক্ষা কৰাৰ কাৰণে এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। আৰু দায়ীত্ব পালনত ধনৰ প্ৰয়োজন। কিন্তু দায়িত্বৰ অৱহেলা হলে নাইবা পুলিছী ক্ষমতাৰ অপপ্ৰয়োগ হলে ৰাইজৰ কষ্টোপাৰ্জ্জিন ধন বিধান-

সভাই দিয়াৰ প্ৰশ্ন উঠিব নোৱাৰে। ৰাইজৰ ধন ৰাইজৰ মঙ্গল আৰু আইন-শৃঙ্খলা ৰক্ষাৰ কাৰণে যথাৰ্থ ভাৱে খৰচ হোৱা অতি প্ৰয়োজন।

এই বিভাগৰ কাৰ্য্য কলাপে চৰকাৰৰ মৌলিক দৃষ্টিভঙ্গি লগতে সৰ্ব্ব-সাধাৰণ মানুহৰ ওপৰত আইনৰ যিটো প্ৰভাৱ তাকে সূচায়। দেশ স্বাধীনতাৰ ৩০ বছৰৰ পিছত, দলীয়ৰাজনীতি পৰিবৰ্ত্তন হোৱাৰ লগে লগে দেশৰ সৰ্ব্বসাধাৰণ ৰাইজে নতুন আশা এটা কৰিছিল। সেই আশা পূৰণৰ সুযোগ এতিয়া ক্ষীণ হৈ গল। আজিৰ পুলিচ বিভাগটো জনতা চৰকাৰৰ দৃষ্টিভঙ্গিৰ জন বিৰোধী। কিন্তু বাজেটৰ ধন আগৰ দৰেই আছে। ই সঙ্গতি বিহীন। পুলিচ বিভাগৰ খৰচপাতি-'আনপ্ৰোদাক্‌টিভ্‌ বাট্‌ নেচেচেৰী' উৎপাদন হীন খৰচ পাম্যমানে কমাব লাগে। ই দৰিদ্ৰ দেশত অবাঞ্ছনীয়। বৰ্ত্তমান আমাৰ দৰিদ্ৰ প্ৰদেশত অনুৎপাদন খৰচ কমাই উৎপাদনমুখী খৰচৰ শিতান বঢ়াব লাগে। সেই দৃষ্টি ভঙ্গি আমি ৰাখিব লাগিব। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই বিভাগটো নিজৰ হাতত লৈ তালৈ লক্ষ্য ৰাখিবলৈ মই দাবী জনাওঁ। তাৰ অৰ্থ এইটো নহয় যে খৰচ কমাই আইন শৃংখলা ব্যাহত কৰা। এই শিতানত খৰচ কৰা ধন যাতে অপচয় নহয়। আইন শৃংখলা ৰক্ষা কৰাৰ নামত দৰিদ্ৰ জনসাধাৰণৰ বিৰোদ্ধে ব্যয় বহুল পুলিচৰ দ্বাৰা অযথা দমন মূলক ব্যৱস্থা কেতিয়াও লব নেলাগে। আইন শৃংখলা এটা সূক্ষ্ম বিষয়। যিখন প্ৰদেশত বেকাৰ সমস্যা আছে, যিখন প্ৰদেশত অনাহাৰী মানুহে মহাজনৰ বিৰোদ্ধে সংগ্ৰাম কৰিবলৈ আগবাঢ়ে যিখন প্ৰদেশত সমাজবাদী গণতান্ত্ৰিক ব্যৱস্থা থকা স্বত্বেও গৰীৱ জনসাধাৰণে হাহাকাৰ কৰিব লগীয়া হৈছে – সেই সকলক দমন কৰিবলৈ জনসাধাৰণৰ ধনেৰে পৰিপুষ্ট পুলিচ বিভাগক লগাই দিলে – সেই পুলিচ বিভাগটো নিশ্চয় প্ৰতিপালক বুলি কোনেও স্বীকাৰ নকৰে। আমাৰ অৱস্থাও ঠিক তেনেকুৱাই হৈছে। আজি আমি অৰ্থ-নৈতিক প্ৰগতিৰ কাৰণে যিমান গুৰুত্ব দিওঁ— তাতোতকৈ অৰ্থ-নৈতিক প্ৰগতিৰ কাৰণে সংগ্ৰামী গণতান্ত্ৰিক শক্তিবোৰ দমন কৰিবলৈ বেছি গুৰুত্ব দিছোঁ। তাৰ ফলত জনসাধাৰণে পুলিচ বিভাগটোক এটা অন্যায়কাৰী বিভাগ বুলিহে বিশ্বাস কৰে। আচলতে এইটো হব নালাগে। ই সম্পূৰ্ণ বেলেগ হব লাগে। মূখ্য মন্ত্ৰী শ্ৰীগোলাপ বৰবৰা দেৱৰ অভিজ্ঞতা এই বিষয়ত যথেষ্ট আছে। কিন্তু এই অভিজ্ঞতা প্ৰমাণিত হব কাৰ্য্য কলাপৰ দ্বাৰা-হে। আমি বিশ্বাস কৰো যে, আসমৰ মানুহে পুলিচ বিভাগটোক আপোন কৰিবলৈ চৰকাৰৰ নীতি শুদ্ধহোৱাটো বাঞ্ছা কৰে। উপাধ্যক্ষ মহোদয়, জাতীয় ঐক্য এই গৃহ বিভাগৰ কাৰ্য্য কলাপৰ ওপৰত নিৰ্ভৰ কৰে। পুলিচ

শ্ৰীগিয়াচুদ্দিন আহমদ :— মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচৰ চৰিত্ৰ সম্পৰ্কে যথেষ্ট আলোচনা হৈছে। জালিয়ঁৱালা বাগৰ পৰা আৰম্ভ কৰি পান্থ নগৰলৈকে আৰু জালুকবাৰী বিশ্ব বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিধান সভাৰ দুৱাৰ মুখলৈকে বহু ঘটনাৰ পৰিপ্ৰেক্ষিতত পুলিচৰ চৰিত্ৰ সম্পৰ্কে আলোচনা হৈছে। পিচে এটা কথা-মাননীয় সদস্য এজনে উল্লেখ কৰিছিল আৰু সেই কথাটোত আমি সকলোৱে একমত। বৰ্ত্তমান সামাজিক, অৰ্থনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থা পুলিচৰ চৰিত্ৰ যি আছিল সেয়েই থাকিব তাৰ মৌলিক পৰিবৰ্ত্তন একো নহয। পিচে আজি গণতান্ত্ৰিক শাসন ব্যৱস্থাত ইয়াৰ কিছু সংস্কাৰ সাধন কৰিব পাৰি আৰু যিমান দূৰ সম্ভৱ সিমানখিনি কৰিব লাগে আৰু চৰকাৰে সেইখিনি কৰিবলৈ চেষ্টা কৰা উচিত। বৰ্ত্তমান ভাৰতবৰ্ষত আইন শৃংখলাৰ পৰিস্থিতি বৰ জটিল আকাৰ ধাৰণ কৰিছে এই পৰিস্থিতি এটা সংক্ৰামক ব্যাধিৰ দৰে অসমতো দেখা দিছে। বিভিন্ন ঠাইৰ পৰা ওলোৱা খবৰ ৰাতৰিত আমাৰ আতংক গ্ৰস্ত হোৱাৰ যথেষ্ট কাৰণ আছে। বিভিন্ন ঠাইত নামা ৰকমৰ ঘটনা ঘটি আছে— যিবোৰ ঘটনা হোৱা উচিত নহয়। বৰ্ত্তমান যিবোৰ ঘটনা ঘটি অ ছে তাৰ এটা ঘটনাৰ লগত অন্ততঃ কংগ্ৰেছ শাসনৰ সময়ত ১৯৫৭ চনৰ পৰা ১৯৬৬ চনলৈ ঘটা ঘটনাৰ যথেষ্ট মিল দেখিবলৈ পোৱা যায়।

উপাধ্যক্ষ মহোদয়, আজি সুপৰিকল্পিত ভাৱে অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ ভাৰতীয় নাগৰিক কিছুমানক অসমৰ পৰা বাহিৰ কৰি দিয়াৰ বিৰাট ষড়যন্ত্ৰ চলিছে। সংবিধানিক অধিকাৰ মতে আইনসঙ্গত ভাবে বাস কৰি থকা এই লোক সকলক বিদেশী বুলি ৰাজনৈতিক ষড়যন্ত্ৰত ইয়াৰ পৰা বাহিৰ কৰি দিয়াৰ ব্যৱস্থা এবাৰ কৰা হৈছিল। আমি জানো যে ১৯৬০ চনৰ পৰা ১৯৬৬ চনলৈ হাজাৰ হাজাৰ লোকক ইয়াৰ পৰা চালান দিয়া হৈছিল। কংগ্ৰেছ শাসনৰ সময়ত সেই কাণ্ড ঘটিছিল। গোটেই ঘটনাটো এটা কৌশলেৰে আৰম্ভ কৰা হয়। প্ৰথমতে বাতৰি কাকতত হাজাৰ হাজাৰ অন্য দেশৰ মানুহ আমাৰ ইয়াত সোমোৱা বুলি খবৰ

উলিয়াই এটা জনমত সৃষ্টিৰ প্ৰয়াস কৰা হয়। কলিকতাৰ খবৰৰ কাকতত এবাৰ তিনি লাখত এবাৰত সাত লাখ পাকিস্তানী সোমোৱা বুলি বাতৰি ওলাইছিল। এবাৰ আকৌ এজনে পাৰ্লিয়ামেণ্ট ভৱনত অসমত ওঠৰ লাখ পাকিস্তানী অনুপ্ৰবেশ কৰা বুলি ইস্তাহাৰ এখন উলিয়াইছিল। এইবাৰো অনুৰূপ পদ্ধতি অবলম্বন কৰা হৈছে। লাখ লাখ বাংলা দেশী নাগৰিক অসমলৈ আহিছে বুলি ব্যাপক প্ৰচাৰকাৰ্য্য চলিছে আৰু লগে লগে চৰকাৰেও জদে মধে মুছলমান নাগৰিক সকলৰ ওপৰত জুলুম আৰম্ভ কৰিছে। সচাঁ মিছা পৰীক্ষা কৰাৰ ভাৰ চৰকাৰৰ ওপৰত। আন হাতে দেখা যায় যে বাংলা দেশৰ সীমান্তত তলাচি চকীৰ কাৰণে পাচ লাখ চৌৱান্ন হাজাৰ তিনি শ টকা ধাৰ্য্য কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বি-এচ-এফ বাহিনীও আছে। এই বিলাক ব্যৱস্থা থকা স্বত্বেও বাংলা দেশী অনুপ্ৰবেশ কাৰী ধৰা পেলাব নোৱাৰে, অথচ সীমান্তত তথাকথিত বাংলাদেশী অনুপ্ৰবেশকাৰী ধৰা পেলাব নোবাৰে অথচ কেনেকৈ লক্ষীমপুৰ বা লামডিং আদি ঠাইত অসমৰ একেবাৰে অভ্যান্তৰ অঞ্চলত বাংলাদেশী নাগৰিক ধৰাৰ বাবে সংখ্যালঘু সম্প্ৰদায়ৰ ঘৰে ঘৰে জুলুম আৰম্ভ কৰিছে? বৰ্ডাৰ চিকিউৰিটি বাহিনীয়ে তাত কি কৰিছে? তালাচী চকী বিলাকে কি কৰিছে? আমাৰ আপত্তি নাই যদি দহ কোটি বা বিশ কোটি টকাও ধৰা হয় সীমান্ত চকী আৰু তলাচী চকী আৰু তালাচী ব্যৱস্থা সুদৃঢ় কৰিবলৈ কিন্তু তাকে নকৰি তাত তালাচী চকী থকা সত্বেও এই দেশৰ নাগৰিকক বিদেশী বুলি বহিস্কাৰ কৰিবলৈ ওলোৱা বা জোৰ জুলুম কৰা নিতান্ত গৰ্হিত কাম। যদি সঁচাকৈয়ে তালাচী চকী বা সীমান্ত বাহিনী থকা সত্বেও এইবিলাক বাহিৰা মানুহ আহি সোমাইছে তেনেহলে সেই চকী বিলাক তাৰ বাবে সম্পূৰ্ণ দায়ী আৰু যিবিলাকে এই দায়িত্বত আছে তেওঁলোকক চাকৰিৰ পৰা খেদাই দিবলাগে। যদি বিশ কোটি টকা ধাৰ্য্য কৰি সীমান্ত কটকটীয়া কৰে পকুৱা এটাও সোমাব নোৱাৰা কৰে তেনেহলে আমাৰ তাত সম্পুৰ্ণ সমৰ্থন আছে। কিন্তু সিমান্তত বিদেশী নাগৰীক নধৰি অন্যায় ভাবে দেশৰ অভ্যান্তৰত ভাৰতীয় নাগৰীকৰ ওপৰত জুলুম সহ্য কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা গাৰেভুক্তে অত্যাচাৰ কৰা হৈছে। সভ্য চৰকাৰৰ ৰাজত্বত এইটো অশোভনীয় আৰ গৰ্হিত কাম। পাকিস্তানী অনুপ্ৰবেশ কাৰী বিতাৰণৰ অজু হাতত লাখ লাখ ভাৰতীয় নাগৰিকক বহিস্কাৰ কৰাৰ মৰ্মন্তিৰ ঘটনা

আগৰ কংগ্ৰেছ চৰকাৰ দিনত ঘটিছিল কিন্তু এতিয়া পুনৰবাৰ যাতে নতুন জনতা চৰকাৰৰ দিনত সেই ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে মই জনতা চৰকাৰক অনুৰোধ জনালো। ইয়াৰ উপৰিও বিশেষ শাখাৰ কাৰণে ( স্পেচিয়েল ব্ৰাঞ্চ ) সাত লাখ উনচল্লিশ হাজাৰ তিনি শ টকা ধৰা হৈছে। বৰ্ত্তমানে বিভাগটোৰ যথেষ্ট গুৰুত্ব আছে। আজি প্ৰশাসন যন্ত্ৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে দূৰ্নীতি সোমাইছে। অৰ্থ নৈতিক অপৰাধ আৰু দূৰ্গত্তিয়ে মানুহৰ জীৱন জুকলা কৰিছে। কাৰ্যালয় বিলাকত এখন টেবুলৰ পৰা আন খন টেবুললৈ এটা ফাইল যাব নোৱাৰে যদি পইচা পাতি দিয়া নহয়। পুলিচ বিভাগক গালি পাৰিলেই সকলো সমাধান নহয়। আমাৰ ইয়াতে সচিবালয়তে টকা নিদিলে এখন কাগজ এখন টেবুলৰ পৰা আন খন টেবুললৈ নাযায়। হাজাৰ হাজাৰ মানুহ ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা আহি ইয়াত কামৰ কাৰণে বহি থাকিব লাগে। এম-এল-এ হস্তক্ষেপ কৰিলেহে সকুস্থৰা কাম বিলাক হয়। সিদিনা এজন লৰা আহিছে। তেওঁক এটা বস্তু লাগে মই কলো কি লাগে আৰু তেওঁ বেকিং বুলি কলে। এই বেকিং নহলে হেনো একো কাম নহয়।

( সময়ৰ সংকেত )

ই এটা অদ্ভূত কথা। বেকিং নহলে একো কাম নহয়। ডি-পি আই অফিচত এই বিলাক চলি আছে। হাতে হাতে ধৰি চেক কৰি এই বিলাক শাস্তি দিব লাগে। দূৰ্নীতি পৰায়ণ কৰ্ম্মচাৰীক আতৰাই দিব লাগে। এখন চিঠি সংশ্লিষ্ট এজন মানুহে টকা নিদিয়া কাৰণে ছমাহলৈকে ইচু ব্ৰাঞ্চতে পেলাই ৰাখিছে। এবছৰ ধৰি কাগজ নপঠায়: ইচু ব্ৰাঞ্চ পালে কাগজৰ পাত্তা নাইকীয়া হয়। ধুবুৰীৰ পৰা ডি-আই জনে লিখি পঠিয়াইছে বুলি কয় আৰু ইয়াত ডি-পি-আই অফিচত কাগজ নাই পোৱা বুলি কয় কিন্তু সংশ্লিষ্ট মানুহ জনে মাকোৰ দৰে ধুবুৰী গুৱাহাটী কৰি দহ বাৰ অহা যোৱা কৰিব লাগিছে কাগজখনৰ কাৰণে! কথা হ'ল তেওঁ পইচা দিয়া নাই। এই বিলাক কঠোৰ হস্তে দমন কৰিব নোৱাৰিলে জনতা চৰকাৰ কিয় আন যি কোনো চৰকাৰেই ব্যৰ্থহবলৈ বাধ্য। সেই কাৰণে মই কৈছো এই বিলাক হাতে হাতে ধৰি উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সেই কাৰণে মই কৈছো এই এন্টিকৰাপচন বিভাগটো এটা স্বকীয়া বিভাগ কৰিব লাগে। এই যিটো স্পেচিয়েল বাঞ্চ তাত যে কিমান অৰ্থনৈতিক অপৰাধ পেণ্ডিং হৈছে তাৰ সংখ্যা নাই। আৰু এই বিভাগে ধৰি আজিলৈ কাকো শাস্তি দিব পৰা নাই। এই অৰ্থনৈতিক অপৰাধ কেৱল এটকা দুটকা এহেজাৰ দুহেজাৰ টকাৰ কথা নহয় লাখ লাখ টকাৰ কাৰবাৰ এই বিভাগত জৰিত। এই লাখ লাখ টকাৰ অপৰাধ ধৰাৰ দায়ীত্ব গৃহ বিভাগক দিয়া হৈছে। উপাধ্যক্ষ মহোদয় আপুনি অনুমতি দিলে এটা কথা কব পাৰো সেইটো হৈছে শিয়ালৰে হাতত মুৰগীৰ আধি দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেইকাৰণে মই পৰামৰ্শ দিব বিচাৰিছো অৰ্থ নৈতিক অপৰাধ আৰু দূৰ্নীতি দমনৰ বাবে এটা স্বকীয়া বিভাগ হব লাগে। আৰু তাৰ দায়িত্ব এজন ইন্টিগ্ৰিটি থকা মানুহ সহজ সৎ প্ৰকৃতিৰ নিষ্কলুষ চৰিত্ৰ নাম থকা মন্ত্ৰীৰ হাতত দিব লাগে। ইয়াৰ দ্বাৰা মই এইটো কোৱা নাই যে বাকী সকল বেয়া। বা সুদক্ষ নহয়। কিন্তু এই বিভাগটোৰ কাৰণে এজন উপযুক্ত মন্ত্ৰীক দায়িত্ব দি এটা সম্পুৰ্ণ স্বতন্ত্ৰীয়া বিভাগ কৰিব লাগে। যাতে এই বিভাগে সকলো বিভাগৰ ওপৰত চকু ৰাখিব পাৰে।

( সময়ৰ সংকেত )

মই শেষ কৰিবলৈ ওলাইছো কিছু কথা বাদেই দিছো। অলপ মাত্ৰ কম। আমাৰ বৰ্ত্তমান যিটো গনতান্ত্ৰিক শাসন ব্যৱস্থা চলিছে তাত পুলিচ বিভাগে কি কি কৰে নকৰে ৰাইজে নিশ্চয় জানে। গতিকে মই ভাবো এই বিভাগটো অধিক সক্ৰিয় কৰাৰ কাৰণে একোটা থানাৰ এলেকাত একোখন ৰাজহুৱা কমিটি কৰি দিব লাগে। অৱশ্যে সেই ৰাজহুৱা কমিটিয়ে যদি দৈনন্দিন কাম কাজতে হস্তক্ষেপ কৰে তেতিয়াহলে নিশ্চয় অসুবিধাৰ সৃষ্টি হব কিন্তু বিধি নিয়ম ঠিক কৰি লৈ যাতে ৰাইজে সহযোগ কৰিব পাৰে আৰু কেনেকৈ কাৰী হব নোৱাৰে তাৰ কাৰণে এই ৰজহুৱা কমিটি বা পাৱলিক কমিটিৰ প্ৰয়োজনীয়তা আছে। এই খিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীবীৰেণ চৌধুৰী :— মাননীয় উপাধ্যক্ষ মহোদয় কমৰেড বিৰেশ মিশ্ৰ ডাঙৰীয়াই গৃহ বিভাগৰ মজুৰীৰ দাবী সংক্ৰান্তত যি কৰ্ত্তন প্ৰস্তাৱ উতথাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দুসাৰমান কব খুজিছো। আৰক্ষী বাহিনীৰ কাৰণে ২০ কোটি ৪৫ লাখ ৭৬ হাজাৰ ৭০০ টকা মঞ্জুৰী বিচৰা হৈছে। কিন্তু ইয়াত এটা ডাঙৰ প্ৰশ্ন হৈছে এই পুলিচ বাহিনী বা আৰক্ষী বাহিনীটো কি উদ্দেশ্য প্ৰয়োগ কৰা হব আৰু কাৰ কাৰণে এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। আগৰদৰে এই পুলিচ বাহিনীক জনস্বাৰ্থৰ বিৰুদ্ধে শ্ৰম জীবি কৃষক জনসাধাৰণৰ অত্যাচাৰ উতপীড়ন আৰু নিস্পেষণ চলাই নিৰ্মমভাৱে লাঠি গুলি বেয়নেট আদিৰে অসমৰ শ্ৰমজীবি মেহনতি জনতাক শাসন কৰিবলৈ ব্যৱহাৰ কৰিব নেকি ? যদি সেয়ে হয় তেনেহলে অসমৰ শ্ৰমজীবি জনসাধাৰণে গনতন্ত্ৰবাদী লোক সকলে আৰক্ষী বাহিনীৰ কাৰণে এই টকা কেতিয়াও মঞ্জুৰী দিবলৈ প্ৰস্তুত নহয়। উপাধ্যক্ষ মহোদয়, কংগ্ৰেছী সদস্য মাননীয় শ্ৰীযুকুট শৰ্ম্মাই এটা বৰ গুৰুত্ব পূৰ্ণ প্ৰশ্ন উতথাপন কৰিছে। তেখেতে বৰ ক্ষোভেৰে কৈছে যে আজিলৈ পুলিচ বাহিনীৰ কোনো পৰিবৰ্ত্তন নহ'ল অৰ্থাত তেখেতে কবলৈ গৈছে যে বিগত কংগ্ৰেছৰ সময়ত পুলিছ বাহিনীৰ যি চৰিত্ৰ দেখিছিলো যি নিৰ্ম্মম নিষ্ঠুৰভাৱে জনসাধাৰনক অত্যাচাৰ কৰিছিল জনস্বাৰ্থৰ বিৰুদ্ধে পুলিচৰ যে চৰিত্ৰ তাৰ প ৰবৰ্ত্তন জনতা চৰকাৰৰ আমোলতো তেখেতে দেখা নাই। অৰ্থাত কংগ্ৰেছ চৰকাৰৰ দিনত পুলিচ যি আছিল আজিও সেয়েই থকাত তেখেতৰ মুখত এই মন্তব্য শুনি আমাৰ বহুত সদস্যই 'ভুতৰ মুখত ৰাম নাম আখ্যা দিছে' যদিও এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন জনসাধাৰণৰ কাৰণে। প্ৰশ্ন হৈছে এই পুলিচ বাহিনীৰ পৰিবৰ্ত্তন নহব নেকি ? বিগত কালৰ এই গুণ্ডা মস্তান বাহিনীৰ নতুন চৰকাৰৰ দিনতো পৰিবৰ্ত্তন নহব নেকি ? হবই লাগিব। আৰু যদি হয় তেনেহলে আমি এই মঞ্জুৰীৰ কথা বিবেচনা কৰিব পাৰো আৰু যদি নহয় আমি তাৰ সম্পূৰ্ণ বিৰোধীতা কৰিম।

উপাধ্যক্ষ মহোদয়, এটা কথা আপুনি জানে যে পুলিচ বিভাগটো হৈছে এটা শক্তি প্ৰয়োগ কৰা বিভাগ। এখন ৰাষ্ট্ৰ বা এখন ৰাজ্যৰ আমোলা সকলে পুলিচৰ হিনীক দমন শক্তি হিচাবে ব্যৱহাৰ কৰে। যি সকলে দেশ শাসন কৰে সেই সকলক যিয়ে বাধা দিয়ে তেওঁলোক দমন কৰিবলৈ এই পুলিচ বাহিনী এই বাহিনীৰ দ্বাৰা শাসকদলে অন্যলোকক

নিয়ন্ত্ৰণ কৰে। বিগতকালৰ ইতিহাস যদি আমি চাওঁ আমি দেখিম পুলিচ বাহিনীয়ে চৰকাৰৰ লগত সুসংগতভাবে শাসক শ্ৰেণীৰ লগত তেওঁলোকৰ যি লক্ষ্য সেই লক্ষ্যত উপনীত হবলৈ যিবিলাক কণ্টক আছে অসুবিধা আছে সেইবিলাক দূৰ কৰিবলৈ উপযুক্তভাবে পুলিচক প্ৰশিক্ষন দিয়া দেখিবলৈ পাইছিলো আমি দেখিছো ইংৰাজ সকলৰ শাসন কালত স্বাধীনতাৰ আগতে ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজবাদে তেওঁলোকৰ গঢ়ত পুলিচ বাহিনীক প্ৰশিক্ষন দিছিল। এই পুলিচৰ কাৰ্য্যকলাপৰ দ্বাৰা সেই চৰকাৰৰ নীতি পৰিস্কাৰভাবে পৰিস্ফুট হৈছিল। ভাৰতৰ জনগনই যি সকলে সংগ্ৰামত ৰত হৈছিল যি সকলে বন্দেমাতৰম বুলি চিঞৰিছিল সেই সকলক দমন কৰিবলৈ শিক্ষা দিয়া হৈছিল আৰু সেই কাম যি সকলে নিৰ্ম্মমভাবে পালন কৰিব পাৰিছিল ইংৰাজ সকলে তেওঁলোককই পুৰস্কাৰ দিছিল। ইংৰাজ সকলৰ ভাবমূৰ্ত্তি সেই সময়ৰ পুলিচ বাহিনীৰ দ্বাৰা পৰিস্ফুট হৈছিল।

Mr. Deputy Speaker – The hon'ble member will try to conclude his speach within time.

শ্ৰীবীৰেণ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, মই বেছি নকওঁ। মৌলিক প্ৰশ্ন কেইটা মানলৈ আহিব ধৰিছো। তাৰ পিছত ভাৰতবৰ্ষ স্বাধীন হল···

Mr. Deputy Speaker—If the hon'ble members of the House agree I can extend the House up to 12-35 P.M.

Shri Benoy Kumar Basumatari—After that no one will be allowed to participate ?

Mr. Deputy Speaker – No.

Shri Benoy Kumar Basumatari—I object to it.

Mr. Depvty Speaker--If it is the opinion of the House then we can continue.

শ্ৰীচিৰাজুল হক :—আমি কেতিয়াবাই লিষ্ট দিছো আমাকো কব দিব লাগিব।

Mr. Deputy Speaker — Order, Order. The hon'ble member will resume his speech after lunch. The House stands adjourned till 2-30 P.M.

( After lunch )

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী : অধ্যক্ষ ডাঙৰীয়া, চৰকাৰৰ চৰিত্ৰ অনুসৰি পুলিচ-বাহিনী গঢ়ি তোলা হয় আৰু প্ৰশিক্ষণ দিয়া হয়। সাম্ৰাজ্যবাদী ইংৰাজৰ শাসনৰ দিনত পুলিচ বাহিনী আছিল সাম্ৰাজ্যবাদী স্বাৰ্থ ৰক্ষা কৰা আৰু ভাৰতীয় স্বাধীনতাকামী জনগনক দমন কৰাৰ বাবে প্ৰশিক্ষণ দি তেওঁলোকৰ আমোলতেই গঢ়ি তুলিছিল। তাৰ পাচত স্বাধীনতা কামী ভাৰতীয় জনগণক, গণতন্ত্ৰবাদী জনগনক নিৰ্ম্মম ভাবে শোষণ কৰিও ভাৰতীয় জনগনক দমন কৰিব নোৱাৰি ভাৰতীয়ৰ হাতত ক্ষমতা এৰি দি গুচি যাবলগীয়া হ'ল। তেতিয়া ভাৰতৰ একচেতীয়া পুজিপতি শ্ৰেণীয়ে কৌশলেৰে ক্ষমতা হস্তগত কৰি ললে আৰু এই একচেতীয়া পুজিপতি সকলৰ স্বাৰ্থতেই কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠিত হল। এই কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ নিজৰ চৰিত্ৰ অনুসৰি আৰু নিজৰ স্বাৰ্থ ৰক্ষাৰ হেতুকে পুলিচ বাহিনী সংগঠিত কৰি লৈছিল। আৰু তাৰ পৰিনতি স্বৰূপে ঘটা যিগত ৩০ বছৰৰ ইতিহাস আমাৰ সকলোৰে অৱগত আছে। এই একচেতীয়া পুজিপতিৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে পুলিচ বাহিনীক প্ৰয়োগ কৰিছিল নিৰ্ম্মম, নিষ্ঠুৰ ভাবে ভাৰতৰ শ্ৰমিক, কৃষক আৰু গনতন্ত্ৰবাদী জনগণৰ ওপৰত দমন, নিস্পেষণ আৰু নিৰ্যাতন চলোৱাৰ বাবে পুলিচ বাহিনীৰ এই কাৰ্য্যকলাপৰ বিষয়ে আমাৰ মাননীয় সদস্য বহুতেই ব্যাখ্যা কৰিছে। মই মাত্ৰ কবলৈ বিচাৰিছো যে বিগত কংগেছ চৰকাৰৰ আমোলত এই পুলিচ বাহিনীক প্ৰশিক্ষন দিয়া হৈছিল শ্ৰমিকক নিষ্ঠুৰভাৱে হত্যা কৰাৰ কাৰণে, কৃষকক দমন কৰাৰ কাৰনে আৰু ছাত্ৰ যুৱকৰ গণতান্ত্ৰিক আন্দোলনক হিংসাৰে দমন কৰিবলৈ। অধ্যক্ষ ডাঙৰীয়া আপুনি জানে যে বহুত ষড়যন্ত্ৰত লিপ্ত হৈ প্ৰতিক্ৰীয়াশীল দালালি কৰি পুলিচ বাহিনীয়ে বিগত দিন বিলাকত বহুত সাম্প্ৰদায়িক দাঙ্গা-হাঙ্গামা লগাই অসমীয়া আৰু বঙালিৰ মাজত সংঘৰ্ষ লগাই ৰক্তাক্ত ঘটনাৰ বহুত কাহিনী এই অসমতেই সৃষ্টি কৰিছিল। এই বিলাক আমি পাহৰিব পৰা নাই আৰু এই বিলাক আছিল বিগত ৩০ বছৰৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্য্যকলাপ।

জৰুৰী কালিন অৱস্থা ঘোষণা কৰা হৈছিল ভাৰতবৰ্ষৰ পুজিপতিৰ এক চৰম সংকটৰ সময়ত। সেই সময়ত এই পুলিচ বাহিনীৰ হিংস্ৰভাব চুড়ান্তভাবে ওলাই পৰিছিল। মই কবলৈ বিচাৰিছো যে এই জনতা

চৰকাৰৰ প্ৰতিষ্ঠিত হৈছে আৰু কংগ্ৰেছ আমোলাৰ উচ্ছেদ সাধন কৰিছে। মই আশা কৰিছো এই চৰকাৰৰ আমোলত জনসাধাৰণে মুক্তভাবে উশাহ লব পৰাৰ পৰিস্থিতি সৃষ্টি কৰিব আৰু পুলিচৰ আত্যাচাৰৰ পৰা নিস্তাৰ দিব।

মাননীয় অধ্যক্ষ :— আপুনি ১৩ মিনিট সময় কলে। অপল চমু কৰক।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :—অধ্যক্ষ মহোদয়, মোক অলপ সময় দিলেই হব। এই চৰকাৰে যদি জনগণৰ স্বাৰ্থ, শ্ৰমিকৰ স্বাৰ্থৰ লগত সংগতি ৰাখি গণতন্ত্ৰ ৰক্ষাৰ হেতু এই পুলিচ বাহিনীক পুনৰ সংগঠন কৰিব নোৱাৰে তেনেহলে নিজৰ স্বাৰ্থ ৰক্ষা কৰাই টান হৈ পৰিব। সেই কাৰণে পুলিচ ৰাহিনীক পুনৰ সংগঠন কৰি প্ৰশিক্ষণ দিয়ক। মই অ ৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতাৰ সামৰণী মাৰিম। মই এই চৰকাৰক কব বিচাৰো যোয়া এ আই চি চি অধিবেশনৰ সময়ত যি সকল কু-কুৰ্তিৰ নায়ক আছিল জৰুৰীকালৰ পুলিচি জুলুমৰ নায়ক আছিল সেই সকলক চিনি লওঁক।

এই আৰক্ষী বাহিনীৰ নেতা কেইজনকো চিনি লৈ আৰু এটা অনুসন্ধান কমিটি গঠন মৰি ইয়াৰ উচিত বিচাৰ কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰক। এই সকলৰ ওপৰতেই নিৰ্ভৰ কৰি যদি জমতা চৰকাৰৰ চলিব খুজিছে তেনেহলে এই চৰকাৰেও জনতাৰ সেৱা কৰিব নোৱাৰিব, গণতন্ত্ৰক ৰক্ষনা বেক্ষন দিব নোৱাৰিব আৰু এই চৰকাৰবো কংগ্ৰেছ চৰকাৰৰ লগত কোনো প্ৰাৰ্থক্য নাথাকিব। সেই নায়ক সকলৰ ভিতৰত মিঃ গিলৰ বিৰুদ্ধে অনুসন্ধান হবই লাগিব তাৰোপৰি গোপী দাস, শৰত্ বৈৰাগী নিত্যাদত্ত, মিঃ দেৱেন বৰা, সন্তোষ চক্ৰবৰ্ত্তী আৰু মিঃ বাবেৰ আদিৰ কাৰ্য্যকলাপৰ বিষয়েও ভালদৰে অনুসন্ধান কৰিব লাগীব। আৰু এইসকলৰ নেতৃত্বত যদি জনতা চৰকাৰে পুলিচ বাহিনী পৰিচালনা কৰে তেনেহলে জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰিব আৰু নিজে আত্মহত্যা কৰা হব। জনতা চৰকাৰে গণতন্ত্ৰ ৰক্ষাৰ কাৰণে যি প্ৰতিশ্ৰুতি দিছিল সেইটো ৰক্ষা কৰিবলৈ হলে পুলিচ ৰাহিনীক প্ৰশিক্ষণ দি গণমুখী কৰি গঢ়ি তোলক যাতে পুলিচ বাহিনীয়ে বন্ধু বুলি ভাবে শত্ৰু বুলি নাভাৱে। লগতে এইটোও কওঁ যে তলৰ থাপৰ পুলিচ কৰ্ম্মচাৰী কনিষ্টবল আদিৰ সা সুবিধাৰ ৰাবে জনতা চৰকাৰক কাম কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তৃব্যৰ সমৰনী মাৰিলো।

**শ্ৰীকুল বাহাদুৰ ছেত্ৰী** :— মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষই দাঙি ধৰা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই দুআষাৰ কবলৈ উঠিছো। পুলিচ বা আৰক্ষী বিভাগটো যে জনসাধাৰণৰ সেৱা মুখী হব লাগে সেই কথা সকলোৱে জানে। কিন্তু পুলিচ দেখিলে মানুহে সন্মান নকৰে, ইয়াৰ কাৰণ হৈছে মানুহে তেওঁলোকৰ পৰা ভাল ব্যৱহাৰ নাপায়। এখন পুলিচ থানাৰ পৰা এজন পুলিচ বিষয়া বদলি হৈ যোৱাৰ পিচত মানুহে চিন্তা কৰে তেওঁৰ পিচত কোন আহিব বা অফিচাৰ জন কেনেকুৱা মানুহ হব। দুখীয়া শ্ৰেণীৰ মানুহে পুলিচৰ পৰা বহুতো আশা কৰে। এজন মানুহ যদি কিবা এটা আপত্তি লৈ পুলিচ থানালৈ যায় তেন্তে তেওঁ পুলিচৰ পৰা ভাল সমিধান নাপায়। কেতিয়াবা পুলিচক এজাহাৰ দি ঘৰলৈ নিবৰ হলে আপত্তিকাৰী জনেই গাড়ী আদিৰ বন্দৱস্ত কৰি দিব লগা হয়। গাৱলীয়া মানুহৰ কাৰণে এইটো সম্ভৱ পৰ নহয় অৱশ্যে ভাল পুলিচ বিষয়া ও যে নাই মই সেই কথা কব খোজা নাই জনসাধাবণৰ সেৱা মুখী ভাব ধাৰা থকা পুলিচ বিষয়াও বহু আছে। কিন্তু বৃটিছৰ আমোলৰ পৰা দেশ স্বাধীন হোৱা ৩০ বছৰৰ পিচতো ৰাইজে পুলিচৰ পৰা যি ব্যৱহাৰ আশা কৰে সেই মতে নাপায়।

আমাৰ এই পবিত্ৰ সদনত পুলিচৰ শিতানত নানা আলোচনা কৰা হৈছে পুলিচ কৰ্মচাৰীৰ ব্যৱহাৰ কিদৰে হৈছে তাৰ প্ৰমান অল ইণ্ডিয়া কংগ্ৰেছ চেচনত ব্যৱহাৰ কৰা ৯ হেজাৰৰ অধিক পুলিচ কৰ্মচাৰীৰৰ পৰাই অনুমান কৰিব পাৰি। এই সকম পুলিচৰ বাবত প্ৰায় ৫০ লাখ মান টকা নিশ্চয় খৰচ হৈছে। পুলিচ বিভাগটো ৰখা হৈছে দূৰ্নীতি দমন কৰি শান্তি শৃংখলা ৰক্ষা কৰিবলৈ। কিন্তু তাকে নকৰি তেওঁলোকৰ ব্যৱহাৰ বেলেগ কামত লগোৱা হৈছে।

তলতীয়া পুলিচ কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত যে বহুখিনি অসুবিধা আছে সেইটোও ঠিক। এই সকলৰ অসুবিধাৰ কথা নিশ্চয় চৰকাৰে চিন্তা কৰিব লাগিব। এই খিনিতে মই এটা কথা কব খুজিছো। কথা প্ৰসঙ্গত মই এদিন এজন চিপাহীক সুধীছিলো যে তোমালোকে সাধাৰণ কথা একোটাতে কিয় পইচা পাতিৰ কথা ভাবা? তেতিয়া নিৰ্ভিক

চিপাহী জনে উত্তৰ দিছিল যে এনে নকৰিলে আমি পোহ যাওঁ কেনেকৈ ? এই তলতীয়া কৰ্মচাৰী সকলৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ বাবেই অনেক সময়ত এওঁলোকে দূৰ্নীতি গ্ৰস্ত হব লগা হয়। সেই কাৰণে মই কৈছো যে উচ্চ খাপৰ কৰ্মচাৰীৰ বেতনৰ পৰা আনি হলেও তলতীয়া কৰ্মচাৰী সকলৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগে।

অধ্যক্ষ মহোদয়, এটা কথা আছে—ৰজা যেনে প্ৰজাও তেনে হয়। ৰাইজে ভাবে যে এই বিভাগীয় মন্ত্ৰী জনাউচ্চ বিষয়া সুদক্ষ্য হলে পুলিচ কেতিয়াও বেয়া হব নোৱাৰে। এনে কিছুমান পুলিচ থানা আছে যত ওচৰতে টেলিফোন থকা স্বত্বেও পুলিচ থানাত টেলিফোন নাই যৰ পৰা তেওঁলোকে ৰাইজৰ সেৱা কৰিব পাৰে।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, আমাৰ বৰুৱা মন্ত্ৰী ডাঙৰীয়াই সদায় এটা কথা কৈ আহিছে যে ভিতৰুৱা গাওঁ অঞ্চলত থকা আৰু মাত মাতিব নোৱাৰা লোক সকলৰ মুক্তিৰ কাৰণে আৰু সুবিচাৰৰ কাৰণে যত্ন কৰা হব মই আশা কৰিছো কথামতেই এইবিলাক কাম হব।

(সময়ৰ সংকেত)

মাননীয় অধ্যক্ষ :— আপুনি আৰু এজনক কবলৈ দিব লাগে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈ সামৰিব খুজিছো। সেইটো ভি, ডি, পি। পুলিচৰ লগত ভি, ডি, পিৰ সম্পৰ্ক আছে। এই বিভাগটোও শক্তিশালী হব লাগে। এজন মাননীয় সদস্যাই উতথাপন কৰিছিল যে কিছুমান পুলিচ বিষয়াক মেডেল দিয়া হৈছে। কিন্তু প্ৰকৃত যি সকল কৰ্মী সেই সকলে এই পুৰস্কাৰ পোৱা নাই। যি সকল বিষয়াই হাবিয়ে জংঘলে গৈ ৰাইজৰ সেৱা কৰি আহিছে সেই সকলে পুৰস্কাৰ নাপায়। মই পুণৰ আশা ৰাখিছো যে আমাৰ পুলিচ বিভাগটোত যি কুসংস্কাৰ আছে সেই সকলক নিকা-ভাল সেৱা মুখি কৰি তুলিব বুলি কামণা কৰি মই সমৰণী মাৰিছো। ধন্যবাদ।

শ্রীনেপাল চন্দ্র দাস :—মাননীয় অধ্যক্ষ মহোদয়, পুলিচ বাজেটের বিরুদ্ধে কর্ত্তন প্রস্তাব সমর্থন করে আমি আমার বক্তব্য তুলে ধরছি এই পবিত্র সদনে। তুলে ধরছি কেন্দ্রের জনতা সরকারের চৌদ্দ মাস যাবত পুলিশী নির্যাতনের মর্মান্তিক কাহিনী যা গত ৩০ বছরের কংগ্রেস শাসনকেও হার মানায় অধ্যক্ষ মহোদয়, আমি এই চৌদ্দ মাসে সারা ভারতবর্ষে পুলিশ যে নির্যাতন চালিয়েছে তার একটা হিসাব এই সদনে তুলে ধরছি।

সরকারী হিসাব মতে ১লা এপ্রিল থেকে ১৭ এপ্রিল পর্যন্ত পুলিশের গুলিতে মৃত্যুর সংখ্যা ৩০০ জন। জুন, ১৯৭৭ ইংরাজী থেকে এপ্রিল, ১৯৭৮ পর্যন্ত একমাত্র উত্তর প্রদেশেই গুলি চালনা করা হয়েছে ৩৮ বার। ১৯৭৮ ইংরাজীর জুন মাসের ৫ তারিখ মধ্য প্রদেশের বাইলাডিলা আইরন প্রজেক্টের শ্রমিক বস্তির উপর যে বর্বরতা অনুষ্ঠিত হয়েছে,- তা নজীর বিহীন। উক্ত শ্রমিক বস্তি পুলিশ ঘেরাও করে প্রথম মেয়েদের উপর বলাতকার করে এবং পরে শ্রমিকদের কলোনীতে আগুন ধরিয়ে সবাইকে পুড়ে মারা হয়।

মাননীয় অধ্যক্ষ :- আপনি কোন রাজ্যের কথা বলছেন ?

শ্রীনেপাল চন্দ্র দাস :— উত্তর প্রদেশের কথা।

(ভয়েস্ :— আসামের কথা বলুন ?)

আমি ভরতবর্ষের পুলিশ বিভাগের কার্য্যকলাপের চিত্র তুলে ধরছি। বর্ত্তমান পুলিশ প্রশাসনের একটি চিত্র তুলে ধরছি। এই হত্যাকাণ্ডের ফলে প্রায় ৫০০ জনের মৃত্যু হয়েছে। কোন কোন বামপন্থী এই হত্যাকাণ্ডকে জালিয়ান ওয়ালা বাগের সঙ্গে তুলনা করেছেন। উত্তরপ্রদেশের পন্থ নগরে যে পৈশাচিক আক্রমন হয়েছে ..........

(সদনে হুলুস্থুল : ধ্বনি :- কংগ্রেস আমলের কথা বলুন।

শ্রীদীপক ভট্টাচার্য্য :— কংগ্রেস রাজত্বে ৩০ বছরে যে নারকীয় কাণ্ডকারখানা ঘটেছে তার হিসাব দিন।

শ্রীনেপাল চন্দ্র দাস :— পন্থ নগরে নিহত ও আহত শ্রমিকদের একসঙ্গে ট্রাক বোঝাই করে আগুনে নিক্ষেপ করা হয়েছে। তাদেরে গুম্ করে প্রমান লোপ করা হয়েছে।

Shri Dulal Chandra Barua ( Minister, Parliamentary Affairs ):

Mr. Speaker; Sir, we are here discussing the Police budget of Assam. The hon'ble Member is speaking about the happenings in U. P. He should remember that he is speaking here in this Assam Assembly and about the Assam pudget.

মাননীয় অধ্যক্ষ :— এখন আসামের কথা বলুন।

শ্রীফনী মেধি :— বেংগলত ১ বছরর ভিতরত চারে ১১ হাজার যুৱক ছাত্রক হত্যা করিছে।

শ্রীনেপাল চন্দ্র দাস :— ঠিক আছে, আমি আসামের কথা বলছি। আমাদের প্রত্যেক মাননীয় সদস্যই বলছেন যে আমাদের আসাম রাজ্যে পুলিশী শাসন কংগ্রেস আমলে যেমন চলেছিল এই জনতা সরকারের আমলেও সেই একই ভাবে চলছে। কোথাও পরিবর্তন আমরা দেখতে পাচ্ছি না।

( গোলমাল : সদনে অসম্ভব হুলুস্থুল )

শ্রীভবেন শইকীয়া : -- এই বিলাক কংগ্রেছ আমোলৰ কথা কৈ আছে নেকি ?

শ্রীনেপাল চন্দ্র দাস :— শুনুন। আমার সমষ্টিতে পাঁচগ্রাম আউট পোষ্টে একজন লোককে চুরির দায়ে ধরা হয়েছে। চুরি হয়েছিল তিনমাস আগে পুলিশ সন্দেহ করে এই লোকটিকে ধরে নির্যাতন করে। তার হাতে পায়ে বেধে এইখানে, ( ডান এবং বাম বাহু দেখিয়ে ) প্রচণ্ড আঘাত করে।

( সদনে হুলুস্থুল )

অধ্যক্ষ মহোদয়, সেই লোকটি পুলিশকে বলেছে যে, "আমি সেখানে ছিলামনা। আমি ৬ মাস যাবত্ অন্যত্র কাজ করেছি অতএব এই সম্বন্ধে আমি কিছু জানিনা।" তারপর, অধ্যক্ষ মহোদয়, এক বোতল মদ এনে ··

( ধ্বনি :— মদ ? : গোলমাল : হাসি )

হাঁা। এক বোতল মদ আনলো। সেই লোকটি ছিল মুসলমান। জোর করে তার মুখে মদ ঢেলে দেয়। সে থু থু করে ফেলে দেয়। মুসলমান লোকেদের অত্যাচার করার পুলিশের এটা একটা অভিনব পদ্ধতি।

( ধ্বনি : কংগ্রেস আমলের ঘটনা ? )

জানিনা। বর্তমানের কেচ্ছা শুনুন। ভারতবর্ষের প্রধান মন্ত্রী যিনি মদ নিবারণের জন্য ৪৫০ কোটী টাকা খরচ করছেন, এই কি মদ নিবারণের পদ্ধতি ? সুতরাং আমাদের পুলিশের এই যে কাণ্ড কারখানা এইগুলি দমন করার জন্য আমি বর্তমান সরকারকে বিশেষ করে অনুরোধ করছি।

অধ্যক্ষ মহোদয়, প্রত্যেক পুলিশ ষ্টেশনে রোড সাইডের কার, জীপ ট্রাক ইত্যাদি প্রাইভেট্ গাড়ী আটক করে ড্রাইভারের উপর নির্যাতন করে। এদেরে এই নির্যাতন থেকে বাঁচাবার জন্য বর্তমান সরকারকে আমি অনুরোধ করছি। এই বিভাগটি যেন তাদের হাত থেকে নিয়ে নেওয়া হয়।

( ধ্বনি : কার হাতে ? )

পুলিশের হাত থেকে।

( ধ্বনি : যুব কংগ্রেসের হাতে দেওয়া হবে কি ?)

আপনাদের যুবক যারা আছেন তাদের হাতে দিতে পারেন। যাই হোক অধ্যক্ষ মহোদয়, গত ১৪ তারিখে যে ঘটনা হয়েছে সে সম্পর্কে একটু বলি। সেদিন ছাত্রদের কোন দোষ ছিল না।

জোর করে সি আর পি তাদের মাইক নিয়ে এসেছিল।

(ধ্বনি : সি আর পি না পুলিশ ?)

(ধ্বনি : ঐ একই ব্যাপার। )

সি আর পি বা অন্য পুলিশও হাতে পারে। মহোদয়, আমি সম্মুখে ছিলাম।

( ধ্বনি : আপনি সামনে ছিলেন ? )

ছিলাম। সামান্য ঢিল ছোড়া হয়েছিল কিন্তু কেউ জখম হয় নি। কিন্তু একটি ছেলেকে অন্তত ৬ জন পুলিশ খুব পিটেয়েছে। কাজেই, ছাত্ররা বা আসামের জনসাধারণ কোন দাবী নিয়ে আসলে এ ভাবে যদি পুলিশ তাঁদের পিটুনি দেয় তাহলে জনসাধারণের এই সরকারের উপর কি আস্থা থাকতে পারে ?

( সময় সংকেত )

মহোদয়, সুতরাং আমরা আশাকরি যে বর্তমান সরকার এই পুরাতন পুলিশী প্রথাকে নতুন করে ঢেলে সাজিয়ে এক সুস্থ সবল প্রশাসন গঠন করার ব্যাপারে মনোযোগ দিবেন এবং এই বলে আমি আমার বক্তব্য শেষ করছি।

**Shri Benoy Basumatari :** —Mr. Speaker, Sir, I would like to oppose the Cut Motion basing only one experience of the 14th last when the student riot or whatever it was going on outside the Assembly precincts. I had seen that the previous Home Minister was standing inside the Assembly premises and outside there was another person who was relaying messages to the student outside. I was an eye witness to that. This way the students were misutilised by the present opposition. Another thing why I would like to oppose the Cut Motion is that while our present Chief Minister went to visit the injured

boys and girls in the Medical College Hospital, some very young students who were immature, took out their chappals and hit our Chief Minister. But our Chief Minister did not order the Police to take retaliatory measures. So, I hope the Opposition who have brought the Cut Motion will withdraw the Cut Motion. I have faith that the present Government will take care of the Police administration.

**Shri Noorul Huda** : Mr. Speaker, Sir the hon'ble Member has stated 'by the Opposition'. I believe he means 'by the Congress Opposition'.

**Shri Benoy Basumatri** : – Sir, I qualify my statement. What I meant to say was that it was the 'Congress Opposition'.

**শ্ৰী এ. এল, আক্ৰাম হুচেইন** :—যদি গাড়ীখন পামচাৰ হয়, তেতিয়া কব কংগ্ৰেছে গজাল থৈ গাড়ীখনৰ পামচাৰ কৰালে ।

**Shri Benoy Basumaiari** : When the Chief Minister was assaulted in the Medical College campus, Shri Apurba Sinha was standing amongst the boys and from the top of the Medical College building the boys were shouting.

**Shri Golok Rajbangshi** : –It seems that the honourable member was present there.

**Shri Binoy Basumatari** :—Yes, yes, I was present there. Mr Speaker Sir, that is why I hope police will be converted from their GESTAPOISM to the pol ice of Londonw hich could be an example for our Policemen, who are called Bobbies. These Bobbies are indomitable persons who face problems in the city of London without arms and ammunition. So, we hope since a lot of our senior officers go to Europe for training in finger

print, forensic science, traffiic control, I believe the present officers could also go there to get training to become policeman like the Bobbies of London.

But before that, I would like to say that the policemen should not treat our political prisoners badly. In this connection, I would refer to the case of our present Minister of State, Education Mr. Ramani Barman who was in jail for 19 months and during his imprisonment his father expired, but he was not even given the parole for a day to cremate his father. He was taken back from the cremation ground with wet clothes. Again Sir, I would refer to the case of Bodos of the year 1974. I do not like to go into the details of it. But I place this little document before the House as to how our girls were treated, their bossoms were made bare and the boys were beaten and blood came out from their bodies. I. demand that a thorough enquiry should be made on the incidents of 1974. I also demand that 17 persons who were killed for demanding their rights to live in India as good citizens should be compensated. And Personally I would like briefly to state that in Darrang district hienious crimes are going on. In Boroi river on 20 th May a small boy was found without head. This was reported by no less than a person like Mr. Ram Sarma and he personally informed the S. P. But the S P. instead of going for an enquiry had gone to the Bungalow of Behali Tea Estate and spent his time with the Manager there. Similarly a decoity was there on 14 th June at a place called Dhopguri under Panery P. S, where father and son were beaten but that case was not taken up by the police outpost. When they came at about 2.30 at night one policeman with underwear came out which shows that no policeman was on duty there. There are many other instances of policemen not attending their duties. During the course of past few months

there were 3 attempts of decoities in my constituency, one was at Dhaikata, Under Panery P. S, another at Dakhin Kuyabil, under Kalaigaon P. S, where people are still recovering from their cut wounds and the third was at a village called Dhopguri. I also gathered that the O. C. of the out post has some connections with the underworld and instead of arresting the undesirable elements he receives some sort of a prize from these underworld characters. With these Sir, I conclude my speech. This is for recording my statement in the proceedings of the House only. With these, I request that the cut motions should be withdrawn and grants to be approved Thank you Sir.

Mr. Speaker :—Mr. Abdul Latif may speak for two minutes if he wants.

শ্ৰীআব্দুল লটিফ :- এই পুলিচৰ বিষয়ত মই কেইটামান কথা কব বিচাৰিছো। যোৱা নিৰ্ব্বাচনৰ আগত এটা নিৰ্দ্দিষ্ট কেচত থানালৈ গৈছিলো। নদীত মাছ মৰা কাৰণ লৈ পুলিচে জাল সহ মাছমৰীয়া সকলক থানালৈ লৈ আহিছিল। প্ৰথমতে মই থানালৈ যাবলৈ অমান্তি হৈছিল, কিন্তু শেষত ৰাইজৰ স্বাৰ্থৰ কাৰণে যাবলৈ বাধ্য হলো। অৱশেষত সেই লোক সকলক জামিনত দিলে সচাঁ কিন্তু যেতিয়া মই বাহিৰলৈ ওলাই আহো তেতিয়া বাহিৰত থকা এজন তলতীয়া কৰ্ম্মচাৰীয়ে মোক আগুৰি ধৰিলে। তেওঁ কলে, চাওক আপোনালোকে উকালতি কৰে, পইচা পায়, আমাৰ বৰ-বাবু সকলেও বহু পইচা পায়, কিন্তু আমি এক পইচাও নাপাওঁ। আমাৰো লৰা তিৰোতা আছে, দুই এক পইচা দি যাওক। মোক তেতিয়া সচাঁকৈ বৰ দয়া উপজিল আৰু পাঁচ টকা দিছিলো। মই ইয়াৰ দ্বাৰা এইটো কবলৈ বিচৰা নাই যে সকলো পুলিচে ঘোচ খায়, ভেটি খায়। কিন্তু ইয়াৰ দ্বাৰা এইটো কব বিচাৰিছো যে ওপৰৱালা কৰ্ম্মচাৰী সকলে ৰাইজৰ টকা পইচা খাই শোষণ কৰি আছে তলতীয়া কৰ্ম্মচাৰী সকলে টকা পয়চা কম পায়, তেওঁলোকৰ দৰ্ম্মহাও কম তাৰ কাৰণে তেওঁলোকৰ মাজত এটা ক্লেছ (clash) আছে। যাৰ ফলত এই তলতীয়া কৰ্ম্মচাৰী সকলে কিছুমান

ক্ষেত্ৰত সাধাৰণ দুখীয়া ৰাইজৰ কাম নকৰে। কাৰণ ওচি আৰু ইন্সপেক্টৰ টকা পইচা লব পাৰে কিন্তু তেওঁলোকে টকা নাপায়, কেচ এন্টি নকৰে আৰু সৰু সুৰা কাম বন্ধ থাকে। ইয়াৰ ফলত ৰাইজৰ অন্যায় হৈছে। তাৰ পিচত আন এটা কথা কবলৈ বিচাৰিছো যে পুলিচে গৈ যদি ক্রিমিনেল সকলক মাৰধৰ কৰে টকা পইচা লয় তেনেহলে ক্রিমিনেল সকলৰ মাজত প্ৰতিক্ৰিয়া হয়। সাধাৰণতে মাৰ ধৰ কৰিলে, টকা পইচা ললে ক্রিমিনেলক ভাল কৰিব নোৱাৰে সিহত বিদ্ৰোহী হৈ উঠে। তাৰ পৰিবৰ্তে পুলিচ অফিচাৰ সকলে যাতে তেওঁলোকে বেয়া কাম নকৰে, চৰিত্ৰ বেয়া নহয় তাৰ কাৰণে প্ৰিভেন্টিভ মিজাৰ লব লাগে। বেয়া মানুহক ভাল ৰাস্তা দেখোৱা। পুলিচৰ লাঠি আৰু পোচাক হৈছে দুৰ্ব্বল শ্ৰেণীৰ শান্তি ৰক্ষা কৰাৰ কাৰণে। পোচাক পিন্ধিলে এইটো নুবুজায় যে পোচাকেৰে ভয় দেখুৱাব লাগে। লাঠি ললেই নুবুজায় যে সাধাৰণক মাৰধৰ কৰি শোষণ কৰিব লাগে পোচাকৰ দ্বাৰা শৃংখলাবদ্ধ হোৱা বুজায়, এটা নীতি নিয়মৰ দ্বাৰা পৰিচালিত হোৱাৰ নিৰ্দ্দেশ দিয়ে। লাঠিয়ে এইটোৱে বুজায় তেওঁলোকে যাতে প্ৰাইভেট ডিফেঞ্চ নয়। মাৰপিট নকৰি সমাজত যাতে অন্যায় কাৰ্য্য নহয় তাৰবাবে প্ৰিভেঞ্চন লব লাগে।

অধ্যক্ষ মহোদয়, গতিকে আজি পুলিচে যিটো পদ্ধতি লৈছে তাত তেওঁলোকৰ যিটো চৰিত্ৰ ফুটি ওলাইছে সেইটো পুলিচ শব্দটোৰ অৰ্থৰ পুৰা বিৰোধী। বহুতো পুলিচে মদাপী সকলক ধৰে, কিন্তু বৰ দুখৰ কথা হৈছে যিবোৰে মদাপী ধৰে তেওঁলোকে নিজেই মদ খায়, ইয়াৰোপৰি মদ খোৱাটো বেচিভাগ পুলিচ অফিচাৰৰ ক্ষেত্ৰত এৰিচট্ৰক্ৰেচিত পৰিণত হৈছে। আনহাতে যিবিলাক মদপী ধৰা হয়, তেওঁলোকক দাবী ধমকী দি বিদায় দিয়া হয় বহুত অফিচাৰেও সেই নিৰ্দ্দেশ দিয়ে। তাৰোপৰি ভেটি খোৱাটো তেওঁলোকৰ বাবে এটা অপেন চিক্ৰেট। আনহাতে পুলিচে সন্মানী ধনী মানুহক ধৰি আনিবলৈ ভাল পায় কাৰণ তেওঁলোকে লক্ আপত সোমাবলৈ নিবিচাৰে। পুলিচক টকা পইচা দি ওলাই আহে পুলিচে বেচি টকা খায়। কিছুমান ক্ষেত্ৰত তেওঁলোকে সমাজৰ মান সন্মান থকা লোকক আচামী কৰিবলৈ সুযোগ লয়, আৰু পিচত টকা খাই এৰি দিয়ে। ইয়াৰোপৰি পুলিচ অফিচাৰ সকল যে টাউনত থাকিবলৈ ভাল পায় এইটো সচা নহয়। তেওঁবিলাকে যিবিলাক ঠাইত অতি দুৰ্ব্বল শ্ৰেণীৰ মানুহ বাসকৰে, যিবিলাক অতি বেকওৱাৰ্ড প্লেচ,

সেইবিলাক ঠাইত পুলিচ অফিচাৰ থাকি ভাল পায়। আমাৰ হাউলীত এজন অফিচাৰে কৈছিল যে, জীয়াই থাকিলে মই এবাৰ ট্ৰেন্সফাৰ লৈ ইয়ালৈ আকৌ আহিম। কাৰণ তেনে ঠাইত ধন উপাৰ্জ্জন কৰিব পাৰে, শোষণ কৰিব পাৰে। দুৰ্ব্বল শ্ৰেণীৰ ওপৰত সাধাৰণতে নিৰ্য্যাতন বেছি হয় আৰু সবল শ্ৰেণীৰ ওপৰত নিৰ্য্যাতন কম হয়।

অধ্যক্ষ মহোদয়, আৰু এটা কথা, যে, আমাৰ বাতৰী কাকতৰ যি সকল ৰিপৰ্টাৰ আছে তেখেতসকলে সমাজৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যাতে বাতৰি কাকতত যি কোনো বাতৰি পাব্লিচ নকৰে। যি বিলাক বাতৰিয়ে সমাজৰ শান্তি ভংগ কৰে, আৰু পুলিচৰ অত্যাচাৰ বৃদ্ধি হয় তেনে ধৰণৰ বাতৰি প্ৰকাশ কৰিব নালাগে। সাংবাদিক সকলে এই-বিলাক বাতৰি কাকতত প্ৰকাশ কৰিলে পুলিচৰ সুবিধা হয়, আনকি গাৱঁ অঞ্চল বিলাকত পুলিচে বাংলাদেশ বা পাকিস্থানৰ লোক বুলি মানুহক জব্দ কৰি আছে হাৰাহাস্তি দি আছে এনেধৰণৰ ৰেকৰ্ড মোৰ হাতত আছে। হাউলীত এজন মানুহে মোক কৈছিল যে, তেওঁক দিনে দিনে, মাহে মাহে গৈ পুলিচে তেওঁলোকক বাংলাদেশৰ বুলি কয় আৰু টকা বিচাৰে আৰু যদি টকা নিদিও বুলি কয় তেনেহলে বংলা-দেশলৈ পঠাই দিম বুলি কয়। তাৰ পিচত টকা খাই পুলিচ কেইদিনমান স্তব্ধ হৈ থাকে। আকৌ অভাৱ হলে আকৌ যায় আৰু টকা লয়। গতিকে মই সাংবাদিক সকলক অনুৰোধ কৰো যাতে সমাজত বিশৃংখলা নানি তেওঁলোকে সমাজৰ শান্তি ৰক্ষা কৰে কাৰণ তেওঁলোকৰ সমাজিক দায়িত্বও আছে। আৰু নিজে ভাল হলেহে অইনক উপদেশ দিব পাৰি। গতিকে পুলিচ বিভাগ যাতে ভাল হয়; তেওঁলোকে যাতে দুষ্টক দমন কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। এইখিনিতে মই এটা কথা কও যে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত কৈছিল যে, ৭ হাজাৰমান বাংলাদেশীৰ কেচধৰা পৰিছে, এইটো এটা ভুল বাতৰি বুলি যোৱা ৮ জুনত দৈনিক বাতৰি কাকতত লাখতকৈ বেচি বাংলাদেশীৰ বৰপেটাত সন্ধান পোৱা গৈছে বুলি মুখ্যমন্ত্ৰীৰ বাতৰিক challange দিছে যে মুখ্যমন্ত্ৰীৰ বাতৰি কিমান সচা। এই বাতৰি বিলাকে কিছুমান মানুহক সুযোগ দিছে এনেকুৱা বাতৰি যাতে কেতিয়াও প্ৰকাশ নকৰে আৰু পুলিচ বিভাগক প্ৰশ্ৰয় নিদিয়ে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীভুৱনেশ্বৰ বৰ্ম্মন :—মাননীয় অধ্যক্ষ মহোদয়, পুলিচৰ শিতানত যিটো মঞ্জুৰী দাবী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো। পুলিচ বিভাগৰ বিষয়ে যথেষ্ট আলোচনা হৈছে। নীতিগত ভাবে মই এটা কথাত মাত্ৰ জোৰ দি কব খুজিছো যে, বৃটিছৰ দিনৰ পৰা যি পদ্ধতিত পুলিচ বিভাগ এটা শাসক দল হিচাবে, এটা বাহিনী হিচাবে, জনসাধাৰণৰ প্ৰভু হিচাবে, চলি আহিছে এতিয়া সেইটো নহৈ সমাজবাদী দেশ এখনৰ পুলিচ বিভাগে জনসাধাৰণৰ সেৱক হিচাবে জনসাধাৰণৰ মংগলৰ কাৰণে সৰ্ব্বসাধৰণ গৰীৱ ৰাইজৰ মংগলৰ কাৰণে, শান্তি ৰক্ষাৰ কাৰণে প্ৰস্তুত কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই বৰ বেছি দূৰলৈ নাযাও। জৰুৰী কালিন অৱস্থাতে পুলিচ বিভাগলৈ আমাৰ হিতেশ্বৰ শইকীয়াৰ যিটো নিৰ্দ্দেশ শৰৎ সিংহ ডাঙৰীয়াৰ নেতৃত্বত যিটো কংগ্ৰেছী চৰকাৰ আছিল আৰু সেই চৰকাৰে ৰজনৈতিক ক্ষেত্ৰত সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত যি অত্যাচাৰ কৰিছিল, নিৰপৰাধী জনসাধাৰণৰ ওপৰত, ৰাজনৈতিক দেশ সেৱী সকলৰ ওপৰত যিটো নিৰ্ম্মম অত্যাচাৰ কৰিছিল, সেই অত্যাচাৰৰ এটা ন্যায়িক তদন্ত হব বুলি এই বিধান সভাতে মুখ্যমন্ত্ৰী মহোদয়ে জনাব লাগে। আৰু যদি এই আশ্বাস মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিয়ে তেনেহলে অসমৰ জনসাধাৰণে তেখেঁতৰ শলাগ লব। আজি অসমত জনতা চৰকাৰে শাসন কৰা ৩ মাহ হল, এই সময়খিনিৰ ভিতৰত আমাৰ চৰকাৰে যিখিনি মাঙ্গলিক আৰু বৈপ্লবিক সিদ্ধান্ত গ্ৰহণ কৰিছে যদি ও তাত আমাৰ জনসাধাৰণে চৰকাৰক সম্পূৰ্ণৰূপে সমৰ্থ দিবপৰা নাই। জৰুৰী-কালিন অৱস্থাত জহৰ নগৰত যি অত্যাচাৰ আৰু দূৰ্নীতি হৈছিল, সেই বিষয়ে যদি চৰকাৰে একো সিদ্ধন্ত গ্ৰহন নকৰে তেনে চৰকাৰৰ ওপৰত আমি সম্পূৰ্ণ আস্থা আনিব নোৱাৰো। এই জৰুৰী কালিন অৱস্থাত যিটো শাসক দলৰ নিৰ্দ্দেশ বা যাৰ দ্বাৰা জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰা হৈছিল, জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ নামত, কলা ধন উদ্ধাৰ কৰাৰ নামত হাজাৰ হাজাৰ টকা লুণ্ঠন কৰিছিল, কিছুমান কৰ্ম্মচাৰী যধে মধে গ্ৰেপ্তাৰ কৰিছিল

আৰু জনসাধাৰণৰ মাজত এইদৰে সন্ত্ৰাসৰ সৃষ্টি হৈছিল, জেলৰ ভিতৰৰ পৰা বাহিৰলৈ নানা অত্যাচাৰ চলাইছিল। গতিকে এই সকল বিষয়াৰ ওপৰত এই পুলিচ বিভাগটো নিৰ্ভৰ কৰিছিল, এই উচ্চ পদস্থ বিষয়া সকলক অন্যান্য বিভাগলৈ নিব লাগে। যি সকলে নিৰ্দ্দেশ মাণি নতশিৰে জনসাধাৰণক অত্যাচাৰ কৰাৰ কাৰণে চেষ্টা চলাইছিল সেই সকলৰ ওপৰত বিচাৰ কৰিব লাগে আৰু যি সকল অফিচাৰে সত ভাবে অত্যাচাৰ নকৰি কাম কৰি গৈছিল সেই সকল প্ৰমোচন আদি দি কাম কৰাব সুবিধা দিব লাগে। ইয়াৰোপৰি যি সকল লোকে শান্তিপূৰ্ণ ভাবে দেশৰ সেৱা কৰি গৈছিল আৰু ৰাইজক সুযোগ সুবিধা দিছিল, সেই সকল লোকক সকলো প্ৰকাৰে সুবিধা দিয়াব লাগে। আৰু নিজৰ সুযোগ সুবিধা আদায় কৰা কুখ্যাত এছ. কে. ৰায় আদি লোকৰ নিচিনা সকলৰ প্ৰতি উপযুক্ত ব্যৱস্থা লব লাগে। যোৱা লোকসভাৰ সাধাৰণ নিৰ্ব্বচনত এই গুৱাহাটীৰ পৰা দুজন উচ্চপদস্থ পুলিচ বিষয়াক কেজুৱেল লিভ দি টকাৰ বান্দিল দি নগাঁৱলৈ ইলেকচনৰ কেনভাচ কৰিবলৈ পঠাইছিল। আমাৰ বৰপেটাতো যেতিয়া নিৰ্ব্বাচন হয়, তাত যিবিলাক চৰ ঠাই আছে তাত পুলিচৰ কৰ্ম্মচাৰী বিলাকে নোটৰ বান্দিল বিতৰণ কৰিছিল। জহৰনগৰৰ অধিবেশনৰ সময়ত আৰু লোকসভাৰ নিৰ্ব্বচনৰ সময়ত চৰকাৰে যি ধৰণে আৰু চৰকাৰক যি ক্ষমতাত বহুৱাবলৈ বিৰোধী ৰাজনৈতিক দলৰ বিৰুদ্ধে পুলিচ বিভাগক প্ৰয়োগ কৰিছিল এই সকলৰ বিৰুদ্ধে অনুসন্ধান কৰি উপযুক্ত ব্যৱস্থা লবলৈ মই চৰকাৰ উচৰত অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়, এটা কথা কব খুজিছো যে, পুলিচ বিভাগটোৱে গাওঁত অত্যাচাৰ কৰা বুলি সকলোৱে কৈছে। তাৰে উদাহৰণ হিচাবে মই মোৰ সমষ্টিৰে পাটাছাৰকুছিত হোৱা ঘটনা এটা কব খুজিছো। উলুৱা গাওঁৰ নাম ঘৰত নাম পতা হৈছিল। কিন্তু নাম ভঙাৰ পাচত শুনা গল তাত বোলে মাৰ পিট হৈছে। তাৰ পাচত তালৈ পুলিচ গ'ল। থানাৰ অ' চিয়ে বোলে দৰ্খাস্তৰ এখন ড্ৰাফট্ লিখি দিলে কাজিয়া হোৱাৰ পিছত অ' চিয়ে ব্যৱস্থা ললে আৰু সেই মতে কৰাৰ পাচত, এজন গ্ৰেপ্তাৰ কৰা লৰাৰ ৫ দিন আগতে দেউতাক ঢুকাইছে তেওঁক এৰেষ্ট কৰি থানালৈ অনা হ'ল। সকলোৱে জানে হিন্দু ধৰ্ম্মত এটা নিয়ম আছে দেউতাক বা আৰু তেনে কোন মনুহ মৰিলে মানুহে এটা

ব্ৰত পালন কৰি থাকে। খালি ভৰি, আৰু খালি গা লৈ সেই লৰা জনক থানালৈ আনা হ'ল গ্ৰেপ্তাৰ কৰি। তাতে আকৌ যিজনে গ্ৰেপ্তাৰ কৰি হাতত ধৰি লৈ গৈছিল তেওঁ বোলে মুছলমান আছিল গতিকে তেওঁ এই ব্ৰতৰ ভিতৰত অন্য ধৰ্ম্মৰ মনুহ এজনে চুই দিয়া কথাটোত গাওঁৰ মানুহ বিলাকে উদ্বিগ্ন হৈ উঠাটো স্বাভিবিক কথা। যি জন লৰাক মাৰপিট কৰা বুলি গ্ৰেপ্তাৰ কৰা হ'ল, তেওঁৰ নাম ৰাজেন বৰ্ম্মন, ব্ৰত লৈ থকা অবস্থাত তেওঁক মাৰপিট কৰা কথাটো স্বাভাবিক নহয়। এনেবিলাক ক্ষেত্ৰতে তাত হিন্দু মছুলমানৰ কাজিয়া লগাৰ উপক্ৰম হৈছিল। কিন্তু সৌভাগ্য ক্ৰমে মই তাত উপস্থিত থকাত ডেকা লৰা কেই জনমানক বুজাই পৰিস্থিতিটো চামৰিলো। আৰু এটা বিশেষ সৰ্চা কথাত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কশন কৰিব বিছাৰো পাটাছৰকুছি পুলিচ থানাৰ অন্তৰ্গত ভোটপোৱাবৰী গাঁৱত মৌজাদাৰ শ্ৰীউমেশ দাশৰ কাৰ্যালয়ত স্থানীয় পুলিচ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কলে খানাতালাচৰ কৰি এটি চুৰি বন্দুক ঘৰৰ চিলিঙৰ উপৰৰ পৰা উদ্ধাৰ কৰে। এই সম্পৰ্কত এজন লোকক গ্ৰেপ্তাৰ কৰি থানলৈ আনে আৰু শুনামতে দুই হাজাৰ টকা লৈ এৰি দিয়ে। এইবোৰ দুনীতিৰ সম্পৰ্কত তদন্ত কৰি উপযুক্ত ব্যৱস্থা লব লাগে।

শ্ৰীমোজামিল আলি চৌধুৰী :—

আমি আমাৰ নাম বিলাক দিছো। এই বাৰ নাম দিয়াৰ পাচত এবাৰো কবলৈ অনুমতি পোৱা নাই। আমাৰ কিছুমান ব্যক্তিগত কথা প্ৰকাশ কৰিবলে আছে সেইবোৰ প্ৰকাশ কৰি নোৱাৰো। আৰু হয়তো যি সময়ত কবলৈ দিয়া হয় সেই সময় খিনিৰ ভিতৰত প্ৰকাশ কৰিব নোৱাৰি। গতিকে এই যে বিধান সভা ন্যায়ৰ সভা। কোনোবা এজনক ৫ মিনিট কবলৈ দিয়া হয় আৰু কিছুমান ৪৫ মিনিট কবলৈ দিয়া হয়। এনেকুৱা ক্ষেত্ৰত আমি বৰ দুখ পাইছো আমাৰ মাননীয় অধ্যক্ষ জন ন্যায় আসনত বহি আছে। গতিকে তেখেতৰ পৰা আমি এটা ন্যায় বিছাৰিছো।

শ্ৰী গিয়াছুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, এই খিনিতে এটা কথা আছে। বক্তৃতাত নাম কমাই দিয়া হৈছে। গতিকে এই খিনিত কিবা কবলগীয়া আছে বুলি আমি নাভাবো। এই সভাত এজন চিফ আছে গতিকে

তেখেতৰ লগত সহযোগ কৰিব লাগে, তেতিয়া হলে শান্তি সৃষ্টি হব বুলি কৈছে। গতিকে তেখেতৰ লগত সহযোগ কৰিব লাগে।

মাননীয় অধ্যক্ষ :— আপুনি কওক। ঠিক চাৰিটা বজালৈ কৰ পাৰিব তাৰ পাচত এক মিনিটো দিয়া নহব।

শ্ৰী মোজাম্মিল আলি চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, বহু মাননীয় সদস্যই বহু কথা পুলিচৰ বিষয়ে বহু আলোচনা কৰিছে। মই বিশেষ বহলাই কব খোজা নাই। মাত্ৰ মোৰ কেইটামান ব্যক্তিগত অভিজ্ঞতা দাঙি ধৰিব বিছাৰিছো। মোৰ এটা ব্যক্তিগত বিষয়ে সেইদিন মোৰ এটা প্ৰশ্ন উত্থাপন কৰিছিলো। বৰ্ত্তমান পুলিচৰ অত্যাচাৰ সম্পৰ্কে সেই প্ৰশ্ন সম্পৰ্কে কিছুমান কথা আছে। মোৰ ব্যক্তিগত যিটো অভিজ্ঞতা সেই অভিজ্ঞতা আজি প্ৰকাশ কৰিম। আজিৰ পৰা ১০ বছৰ আগতে, মই এচ. এচ, পিৰ সদস্য আছিলো। তিনচুকীয়াত এচ, এচ. পিৰ ৰাজিক সম্মিলনত মই যোগ দিছিলো। আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াও মোৰ লগতে আছিল। সেই সম্মিলনৰ পৰা ঘুৰি আহোতে আমাৰ কম্পাৰ্টমেণ্টত কোনোবা এজন পুলিচ উঠিল। ইয়াতে মোৰ এটা কথা মনত আছে যে তেতিয়াও মোৰ দাড়ি আছিল আৰু এতিয়া ও আছে। তেতিয়াও লুঙ্গী নাছিল এতিয়াও নাই। পুলিচ জনে ১০০ জন যাত্ৰীৰ ভিতৰত চিধা চিধি মোৰ ওচৰলৈ আহিল। আৰু মোক সুধিলে পাকিস্থনৰ পৰা কেতিয়া আহিল। ইয়াৰ পাচৰ ষ্টেচনত নামি যাব লাগিব। আজিৰ মুখ্যমন্ত্ৰী তেতিয়া সেই সম্মিলনৰ প্ৰেচিডেণ্ট আছিল আৰু মই চেক্ৰেটাৰী আছিলো পুলিচ জনে তেনেকৈ নামি যাব লাগিব বুলি কোৱাত, আমাৰ শ্ৰী অতুল গোস্বামী ডাঙৰীয়াই কলে যে, কোন নামি যাব লাগিব, এখেত পাকিস্থানৰ পৰা অহা নাই। আমাৰ এচ, এচ, পি সম্মিলনৰ অৰগানাইজাৰ। তেতিয়া পুলিচ বিষয়া জনে ক্ষমা খুজি নামি গল। সেই একে ধৰণৰ ঘটনাই আজিও লামডিং, বদৰপুৰ ষ্টেচনত চলি আছে! মই পুলিচ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে এইবিষয়টো চায়। ইয়াৰ বাহিৰেও এটা কথা কওঁ, মোৰ সমষ্ঠীত মাৰাবজাৰ নামৰ এখন থানা আছে। মই এইকথাও মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰাই কৈছো সেই থানাত কোনোবাই কেচ

দিবলৈ গ'লে, ইজনৰ পৰা সিজনলৈ পঠিয়াই দিয়ে আৰু তেতিয়া তাত লিংং নথকা মানুহ জনে কয়, যে মোৰ ওচৰলৈ এই কাৰণতই পঠাইছে, যে এই কেচটোৰ কাৰণে ডাৰোগা চাহাবক ৫০০ টকা দিব লাগিব বা এহেজাৰ টকা দিব লাগিব। এই দৰে মোজ মোৰাজাৰ থানাই বিভিষিকাৰ সৃষ্টী কৰিছে।

দালালে কয় এই দাৰোগাৰ ওচৰত পঠিয়াই দিব আৰু লগত ৪।৫ হাজাৰ টকা লৈ যাব লাগিব, এনেধৰণে মুঢ়াজন অঞ্চলত এক বিভিবিকাৰ সৃষ্টি কৰিছে, এই বিষয়ে নগাওৰ দিচি আৰু এচ, পি মহোদয়ক জনোৱা হৈছিল। তাত বিৰেশ মিশ্র মাননীয় সদস্যও সাক্ষী আহিল অকল তেওঁয়েই নহয় সেই ঠাইত সাক্ষী দিবৰ কাৰণে দিনৰ তিনি বজাৰ পৰা ৫ বজালৈকে সাক্ষী চলি আছিল, সেই অঞ্চলৰ অনেক মানুহে সাক্ষী দিছিল। মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াও সাক্ষী আছিল। গতিকেই মই পুলিশ মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে এই ধৰণৰ অত্যাচাৰ অবিচাৰ অনতিপলমে বন্ধ হয় আৰু তাৰ কাৰণে যাতে জনতা চৰকাৰে সুব্যৱস্থা গ্রহন কৰে। পুলিচ হবলৈ হলে দেশ সেৱক হব লাগিব পৃথিবীত এনেকুৱা এখন দেশ নাই যত পুলিচ নাই। মাত্র এখন দেশ আৰু ৰাষ্ট্র আছে — যত পুলিচ নাই। কিন্তু এনেকুৱা এখন সমাজবাদী গণতান্ত্রিক দেশ নাই যত পুলিচ নাই। আজি ইংলণ্ডটো পুলিচ আছে। এই ইংৰাজে আমাক দুইশ বছৰ শাসন কৰিছিল। তেওঁলোকে পুলিচ তৈয়াৰ কৰিছিল — ভাৰতবৰ্ষৰ মানুহৰ ওপৰত অত্যাচাৰ কৰা আৰু শোষণ কৰাৰ কাৰণে। কিন্তু আজি ইংলডত গৈ যিকোনো এজন পুলিচক সুধিলে — কোন ফালে যাব লাগে — তেওঁ সুন্দৰকৈ দেখুৱাই দিব। কিন্তু আমাৰ দেশৰ পুলিচৰ ব্যৱহাৰ চাওক, বোকা পাৰা বজাৰত এদিনাখন এজন মানুহৰ ছাতীৰ শিকলিত লাগি এজন পুলিচৰ টুপী মাটিত সৰকি পৰিল, এই কথাত পুলিচ ব্যক্তিজনৰ বিতুন্ত হৈ সেই মানুহজনক থাপ মাৰি ধৰি লৈ আহিলে আৰু ততালিকে সেই মানুহজনক থানালৈ যাবলৈ নিৰ্দ্দেশ দিলে আৰু সেইমতে সেই মানুহজনক থানালৈ লৈ যোৱা হ'ল, এই কথাত বুজলৈ মই নিজেই থানাত গৈ কলো যে তেওঁক এৰি দিব লাগে তেতিয়া পুলিচে কলে যে ৫ টকা দিব লাগিব, ৫ টকা দিব নোৱাৰাত সেই মানুহ জনৰ পৰা এটা চিগাৰেট বিচাৰিলে যেতিয়া চিগাৰেটয়ো দিব নোৱাৰিলে তেতিয়া এটা বিড়ী বিচাৰি, বিড়ী এটা পোৱাৰ পিচতহে

সেই মানুহ জনক এৰি দিয়া হ'ল। গতিকে এই সৰু সুৰা এনেধৰণৰ কিছুমান ঘটনা ঘটিয়েই আছে। বৃটিছ যুগৰে যিটো পুলিচৰ সামন্তবাদী শাসন আৰু শোষন আমাৰ দেশত এতিয়াও চলি আছে। কিন্তু আজি আমাৰ দেশৰ পুলিশ গনতান্ত্ৰিক দেশৰ পুলিশ, স্বাধীন দেশৰ পুলিশ, গতিকেই এই পুলিশৰ আচৰণ হব লাগিব সেইকৰ আচৰণ। ঠিক সেইদৰে আজি আমাৰ পুলিশৰ ট্ৰেইনিং দিওঁতেও সেইকৰ ট্ৰেইনিং দিব লাগিব আৰু প্ৰয়োজন হলে এই ট্ৰেইনিং ভাৰতৰ বাহিৰত ইংলেণ্ড ৰাশিয়া ইত্যাদিত আমাৰ পুলিচ বিষয়াক প্ৰশিক্ষন দি অনাব পাৰে। যাতে তেওঁলোকে সেইকৰ ট্ৰেইনিং লৈ আহিব পাৰে। আমাৰ দেশৰ সভ্যতা ৬০০ বছৰৰ আগৰ সভ্যতা, গ্ৰীচৰ সভ্যতাতকৈ কোনো গুণে কম পুৰণি নহয়, এনে সুসভ্য এটা জাতিৰ পুলিশৰ মনোভাব কেনে হব লাগে। গতিকেই মই কব খোজো যাতে আমাৰ এই পুলিশ আজি শাসনৰ ভক্ষক নহৈ শাসনৰ ৰক্ষক হয় তাৰ কাৰণে চৰকাৰক অনুৰোধ জানাই এই মঞ্জুৰীৰৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Fakhrul Islam** — Mr. Speaker, Sir, At the out set I wish to thank you for giving me a chance so also to the Hon'ble Chief Minister for allowing me to speak something on this Demand. There has been detailed discussion regarding the performance of the Police in the State and there is little chane to speak or deliver long lecture on the Subject. But, Sir, there are some pertinent points which I would like to discuss here at the fag end of the discussion is that from the various speeches delivered by large number of Hon. members belonging to various political parties, it has come out that reform of the police Administration in this State is long overdue and the police system which has been developed during the British regime must be changed to serve the need of the people Police should not be an instrument of terror among the people rather Police should serve genuine needs of the society to maintain peace and tranquility, law and order. integrity

and harmony of the society in a particular State. From the speaches of the hon.members of this house it has been amply demonstrated that the police in our state has failed to perform their duties properly. They instead of serving some social purpose, the police has become an instrument of oppression in the hands of miss.guided ruler under the British system of administration so also during the congress regime.

And I hope that our Janata Government which has come to power very recently will take note of it and will be able to make the police system in the manner in which they are to be guided properly to serve the people. Sir, it has also been pointed out that the police force which are not doing their duty in the manner desired of by the society requie some benifits to be given to them in the lower level. It has been pointed out that the police in upper strata are enjoying the benefits of which the police in the lower strata are deprived. Sir, the police in the lower strata are to provided with basic amenities of life so that they do not exhibit any tendency of becoming corrupt, because these people being in the lower strata they are tempted to become corrupt because of not getting their basic needs and amenities of their lives. This point is to be noted by the Government. Sir, as there is not sufficient time, I shall be brief here. Sir it has been pointed out by various hon. members that in our State the Police is one-sided in dealing with a particular community. Here, since 1960 in the name of evicting or deporting Banga Desh nalionals or erstwhile Pakistanis nationals, the police are doing partial job, and they are, in order to satisfy their personal whims and grudge towards a particular community, doing things which are not only against the law but against the Constitution and against the fundamental human

rights which are enunciated in the UNO. In no country of the world, a man can be arrested and taken to the police station at dead of night and sent out to a foreign country. Sir, even if the Chief Minister is taken away at dead of night and he is sent away to a different country, he connot at that time prove that he is the Chief Minister of Assam.

Sir, eviction of these people in the name of Bangla Desh people is not only a crime against our law but it is also a crime against our Constitution and against humanity, and so it should be checked. If there is a reasonable suspicion to consider a man Bangla Desh national, he should be given a proper chance to defend himself in a court of law; but without refering him to court, how a man can be arrested at dead of night and sent out to a different country. Many hon. members of this House has drawn the attention of the Government that the police are doing misdeeds all over the State and these misdeeds are to be checked. Sir, one thing is to be pointed out that some Newspapers are responsible for this no doubt. After 1960, we have seen big headlines coming out in Calcutta news Papers, and Calcutta papers have become, as if the mother's sister of this state and their interest in evicting Bangla Desh and Pakistani nationals are there, no doubt, but these papers, they are having their agencies here and these papers are manipulating these things. of course, the papers are at liberty to publish right news, but if they misguide and create disharmony, they are also commiting crime against the humanity. These papers have no right to spread what is called false naws amongst the people and create disharmony and misguide the people. the last but not the least important point would like to

point out is – I can say it very much boldly that Iam not less patriotic than any other members of the House, but it should be pointed out clearly that in the matter of recruitment in the police deptt. minority community has been neglected all throughout the Congress regime and in the Congress regime there is one particular top person in the police system in Assam, but there is not even 1% of personel in the lower strata of Police belonging to the minority community and perhaps, there is not even 0.01% in the Special Branch. And so in the Special Branch, the minorities have become untouchables. In my own district, where about 40% of people belong to minority community, not a single person from this minority comunity has been appointed in the S.B. branch of police, I can tel you that even sometimes these SSB people. they do not like to speak to the minority people direectly. I have got this experience because I was a college teacher and I served for long in the college A clerk who was similar to a student of my college, he was serving in the SSB branch and inspite of the fact that a DSP has asked for my antecedents and character roll, the said antecedeants and character rolls could not be forwarded for 6 months. of course, it was done after 6 months. This is only because I am a man from the minority comunity that my antecedants and character roll was delayed although I am a bonafide citizen.

Because my antecedants and character rolls were delayed by the police in the SSB Braneh, I lost a huge amount of money in my Provident Fund. There is hardly any minority people in the SB branch in the whole constabulary and for this they have not been able to win the confidence of the minority people. Sir, the police system should be balanced

both geographically and community wise ; but if it is not balanced, it cannot win the confidence of the society and confidence of these people and it cannot serve to create harmony in society. Sir, these points should be taken. As there are other hon. members waiting to take part in the discussion, I do not like to take much - time of the House. I conclude here with the hope that the Govt will see that police force sould be balanced both geographica--lly and community-wise, I mean that all sections of the peple should be represented here, otherwise. they would not be able to win the confidence of the people.

শ্ৰীচিৰাজুল হক :— অধ্যক্ষ মহোদয়, পুলিচ বাজেটৰ ওপৰত মহামান্য সদস্য সকলে ওপৰ মহলৰ কথা কৈ গল । ওপৰ মহলৰ কথা মানে কি মই ঠিক বুজি নাপাওঁ — কাৰণ ওপৰ মহলৰ সদস্য সকলৰ দৰে মোক হাত কেৰেয়া লগোৱা নাছিল — সেই সম্পৰ্কে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভালকৈ জানে আৰু অন্যান্য সদস্য কেইজনমানেও নজনা নহয় । বৰ্ত্তমান মই নিম্নমহলৰ মানুহ — মহকুমা পৰ্য্যায়ত যিখিনি ঘটনা ঘটি আছে সেইখিনি ভালকৈ জানো আৰু সেইবিষয়ে মোৰ অভিজ্ঞতাও নোহোৱা নহয় । গতিকে মই বুজি পোৱা খিনি কবলৈ হলে — আজিৰ যুগতো ৰাইজে পুলিচৰ নাম শুনিলে যথেষ্ট ভয় আৰু সন্দেহৰ ভাব লৈ থাকে । অধ্যক্ষ মহোদয়, আমাৰ পুলিচৰ পাৰফমেনচৰ বুলেটিন এটা প্ৰকশ কৰা হৈছিল । ইয়াৰ পৰা দেখা যায় যে পুলিচৰ বিভিন্ন ষ্টৰত আধুনিক পুলিচ বাহিনী তৈয়াৰ কৰিবৰ কাৰণে যিবোৰ সাজ — সৰঞ্জামৰ প্ৰয়োজন — সেইখিনি সাজ — সৰঞ্জাম পুলিছে ভোগ কৰি আছে, পাই আছে । কিন্তু আজি এই বৈজ্ঞানিক পদ্ধতিৰ সাজ-সৰঞ্জাম পাই থকা স্বত্বেও আৰু এটা বিৰাট বাহিনী থকা স্বত্বেও প্ৰকৃতপক্ষে অভিযোগ বা ক্ৰাইম কমিছেনে ? বুলেটিনৰ সেই ক্ষেত্ৰত সকলৰ ৰিপৰ্টৰ পৰা দেখা যায় যে - ইমানবোৰ বাহিনী হোৱা স্বত্বেও ক্ৰাইম দিনে দিনে বাঢ়িছে গৈ আছে । এই কাৰনে ক্ৰাইম বাঢ়িলে সেই

সম্পৰ্কে এটা কৰিতা ৰচনা কৰা উচিত। অধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ মহকুমা কাৰ্যালয়ত যিখিনি দাতা আছে - সেইখিনি পৰ্য্যালোচনা কৰি - সেই সম্পৰ্কে বিচাৰ কৰি দেখিছো যে চুৰৰ নামত যি অপৰাধ সেই অপৰাধ আজি সভ্যতাৰ যুগত বেছি হৈ আছে। এই অপৰাধ সংখ্যা যেতিয়া ভাৰত স্বাধীন হৈছিল ১৯৪৭ চনত — তেতিয়া যি ধৰণে আছিল আজিৰ যুগতো থিক তেনেকৈয়ে দিনে দিনে বাঢ়ি আছে। এই অপৰাধ আৰটিকোল ৩৭৯ চেকচন মতে শতকাৰ ৭০ ভাগেই অপৰাধ বাঢ়িছে। অধ্যক্ষ মহোদয়, আচলতে চোৰকৰা অপৰাধ বাঢ়ি গৈছে। ইয়াৰ মুলতে অৰ্থনৈতিক অৱস্থা গৰীব সকলৰ পেটৰ ভাত মুঠিৰ কাৰণে চোৰ কৰিবলৈ আছে। অৱশ্যে স্বভাৱৰ কাৰণে কিছুমান যে চুৰ নকৰে সেইটো স্বীকাৰ কৰিব লাগিব। যদি জাতি হিচাবে চুৰৰ পৰিসংখ্যা হিচাব কৰা হয়। তেতিয়া হলে দেখা যাব যে মুহলমান সকলেই বেছি চুৰ। মই মুছলমান সদস্য হিচাবে বা মুছলিম লীগৰ সদস্য হিচাবে স্বীকাৰ কৰিবলৈ লাজ নাপাওঁ বা স্বীকাৰ কৰিবলৈ বাধ্য হৈছো যে ত্ৰিশ বছৰীয়া গান্ধীবাদ শাসনৰ নামত গান্ধীক বাদ দি যি শাসন কৰা হ'ল তাৰ ফলত মুছলমান সকল দিনক দিনে বেছি দুৰ্দ্দশা গ্ৰস্ত হৈ গৰীব হৈ পৰিছে। ইয়াৰ কাৰণেই শতকৰা ষঠি ভাগ চুৰ অসমৰ বা ভাৰতবৰ্ষৰ ক্ষেত্ৰত মুছলমান সম্প্ৰদায়ৰ পৰা আৰু কেচ আদিও এই সংখ্যা লঘুসকলৰ কাৰণেই বেছি। পুলিচ বাজেটত যদি বিশ একৈশ কোটি টকাও খৰচ কৰিবৰ কাৰণে ধাৰ্য্য কাৰো তথাপি যদি আচল অৱস্থালৈ লক্ষ্য নকৰো তেনেহলে এই ব্যৱস্থা কেতিয়াও আতৰিব নোৱাৰে। আচল কথাটো পৰ্য্যালোচনা কৰি চইহে এই ব্যৱস্থা দুৰ কৰা সম্ভৱ হব। কৰ্ম্মচাৰীৰ দুৰ্নীতি, অন্যান্য ব্যৱস্থাৰ উপৰিও জাতিগত প্ৰতিহিংসা ইত্যাদিও এইক্ষেত্ৰত চাব লাগিব। পুলিচ নিয়োগৰ ক্ষেত্ৰত এইটো চাব লাগিব যাতে সংখ্যা লঘু সম্প্ৰদায়ৰ পৰাও সমপৰিমাণে প্ৰতিনিধিত্ব কৰিব পৰা হয়। এই সকলৰ দেহ বা মূৰ সকলো আছে এজন বেমাৰীক ডাক্তৰে চোৱাৰ পিচত তেওঁ পুলিচ কনষ্টেবল হিচাবে নিযুক্তি পালে আৰু ট্ৰেফিক কণ্ট্ৰলৰ দায়িত্বত থাকিল পিচে ডাক্তৰ জন আহোতে তেওঁ নামি আহি ডাক্তৰক কলে যে তেওঁৰ আৰু ব্ৰেইন অপাৰেচন কৰাৰ দৰকাৰ নাই কিয়নো তেওঁ এতিয়া পুলিচৰ চাকৰি কৰে। আচলতে আমি চাব

লাগিব জাতিগত মনোবৃত্তি আৰু ধৰ্ম্মীয় মনোবৃত্তি চিন্তাধাৰা আৰু সেই মতে বিবেচনা কৰি নিয়োগ কৰা উচিত। কৰ্ম্মচাৰী সকলৰ বিভিন্ন দিশ সম্পৰ্কে উপৰোক্ত বক্তা বন্ধু সকলে উল্লেখ কৰি গৈছে। মই এই বিষয়ত বন্ধুবৰ ফকৰুল ইচলামৰ লগত একমত। মিলামিচা আৰু জাতিগত সম্প্ৰীতি থকাৰ ফলতেই গোৱালপাৰাৰ জাহিৰুল ইচলাম বুলি চি-আই এজন আৰু এডিচনেল এচ-পি হাজৰিকা থকাৰ সময়ত বহুত দুৰ্দ্ধৰ ডকাইট ধৰিবলৈ সক্ষম হৈছিল। এই দুয়োজন অফিচাৰৰ মাজত সম্প্ৰীতি আছিল কাৰণেই গোৱালপাৰাৰ বহুত ডকাইট ধৰিবলৈ সক্ষম হৈছিল। কিন্তু আন বহুতেই গোৱালপাৰালৈ বদলি কৰিলে ভাল পায় কিয়নো তাত দুপইচা কমাই কৰিব পাৰে আনন্দত মণ্ডলীয়া হয় গোৱালপাৰাত কাম কৰিবলৈ পালে। আগৰ কংগ্ৰেছ চৰকাৰে যি কৰক নকৰক এতিয়া আৰু জনতা চৰকাৰে সেই বিলাক কথা ভালকৈ বিবেচনা কৰি সংখ্যা লঘু সম্প্ৰদায়ৰ পৰাও যতে সম পৰিমাণৰ গড় হিচাৰত নিয়োগ কৰিব পৰা হয় তাৰ কাৰণে যথাবিহিতি ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, ১৯৬৫ চনত পাকীস্তানী খেদাৰ নামত যিটো ৰিভত্স কাণ্ড তেতিয়াৰ কংগ্ৰেছ চৰকাৰে কৰিছিল সেই কথা আপুনীও জানে কাৰণ তেতিয়া আপুনি পাৰ্লিয়ামেণ্টত আছিল। ৰাতি ৰাতি গৈ মানুহ উঠাই আনি কলৈ নিয়ে তাৰ খবৰ নাই। এইটো ঘৃনণীয় ব্যৱস্থা। এইটো ক্ষেত্ৰত মই কব খোজো যে সংবিধানৰ ধাৰা মতে, আইনৰ ধাৰা মতে সংখ্যা লঘু সম্প্ৰদায়ো ইয়াত ৰক্ষীত হৈ থাকিব লাগে। এইটো এটা ফিলিংৰ কথা। মাইনৰিটি সম্প্ৰদায়ৰ এইটো ফিলিং হৈছে। মেজৰিটিয়ে শাসন কৰি থকা সময়ত মাইনৰিটিৰ ফিলিং আজি ত্ৰিশ বছৰ ধৰি উপেক্ষা কৰি থকা হল। মাইনৰিটি খিনিয়েও একে ধৰণৰ স্বাধীনতা, একে ধৰণৰ স্বাৰ্থ আৰু একে ধৰণৰ সুবিধা ভোগ কৰিবলৈ সময় পাব লাগিব। নহলে ফিলিং কেতিয়াও একে হব নোৱাৰে। ভয় আৰু শংকাত দিন নিয়াব লাগিছে। পুলিচৰ কাৰ্য্য ধাৰাত যদি পৰিবৰ্ত্তন আনিব পৰা নহয় বন্ধুত্বপূৰ্ণ পৰিবেশ যদি এটা গঢ়ি তুলিব পৰা নহয় তেতিয়াহলে মই ভাবো আজি ত্ৰিশ বছৰ ধৰি যি শক্তিশালী কংগ্ৰেছ চৰকাৰ পৰাভূত হৈ গ'ল সেই দৰে জনতা চৰকাৰেও তিষ্ঠি থকা টান হব। কেৱল বক্তৃতা বা শ্লোগানেৰে

ৰা কিতাপ পত্ৰই কাম কৰিলে নহব। আচল কাম কৰিব লাগিব বাস্তব্ৰত। কামৰ মাজেদিহে আস্থা বাঢ়িব আৰু বিশ্বাস জাগিব।

মাননীয় অধ্যক্ষ :— চাৰি বাজিল। মুখ্যমন্ত্ৰীয় উত্তৰ দিব লাগিব।

শ্ৰীচিৰাজুল হক :—অধ্যক্ষ মহোদয় আৰু অলপ সময় দিব লাগে।

মাননীয় অধ্যক্ষ :—আৰু দুই মিনিট কৰ।

শ্ৰীচিৰাজুল হক :--অধ্যক্ষ মহোদয়, মই বৰপেটাৰ এজন সদস্য হিচাবে কব খুজিছো। বৰপেটাত লক্ষাধিক বাংলাদেশী অনুপ্ৰবেশকাৰী থকাৰ বাতৰি কাগজত ওলাইছে। এইটো কেনেকৈ সম্ভব হব পাৰে। যদি সচাকৈয়ে বাংলাদেশী নাগৰিক আমাৰ ইয়াত সোমাইছে তেনেহলে পুলিচৰ সহায়ত সেই সকলক বাহিৰ কৰি দিয়াৰ কাৰণে আমি নিতান্তই সহায় কৰিম আৰু আমাৰ ইয়াত থকাৰ কাৰণে কোনো সুবিধাই দিয়া নহব। কিন্তু বাংলা দেশীৰ নামত সীমান্তত তালাচী চকী থকা সত্বেও বা বৰ্ডাৰ চিকিউৰিটি ফোৰ্চ থাকা সত্বেও ভাৰতীয় নাগৰিকক জোৰ জুলুম কৰিলে সেইটো নিতান্ত গৰ্হিত কাম হব।

আজিও সেই ঘটনা পুনৰবাৰ হৈ আছে। আজিও ৰাতি ৰাতি পুলিচে ৰাতি ১২ বজাত গৈ সন্ত্ৰাসৰ সৃষ্টি কৰি আছে। মোৰ এলেকাতে নমশুদ্ৰ মুহম্মান আৰু চৰকাৰৰ সম্প্ৰদায়ৰ লোকৰ ওপৰত অত্যাচাৰ চলাইছে। সেই সম্পৰ্কে মই মুখ্য মন্ত্ৰী মহোদয়ক দৰ্খাষ্ট আকাৰে জনাইছো। তাৰে দুটা পৰিয়াল কলৈ গ'ল কোনেও কব নোৱাৰে গতিকে মোৰ নিবেদন কংগ্ৰেছ চৰকাৰ দিনত যি অত্যাচাৰ চলিছিল — শেষত অৱশ্যে এটা কাম কৰিছিল যে কোনো মানুহে যাতে বিনা বিছাৰে হাজোতৰ পৰা বাংলাদেশলৈ পঠিওৱা নহয় সেই ব্যৱস্থা কৰিছিল। কিন্তু আমি যিমান দুৰ জানো বিনা বিছাৰে পুলিচে এই কাম বিলাক কৰি আছে। গতিকে মই আশাকৰো অন্ততঃ নতুন চৰকাৰে এটা স্পস্ট নীতি লব আৰু সেইটো নহলে গোৱালপাৰা, কামৰূপ ভাৰতবৰ্ষৰ মাইনৰিটি কমিউনিটিৰ আস্থা এই জনতা চৰকাৰলৈ ঘুৰাই আনিব নোৱাৰিব আনকি ভাৰতীয় সংবিধানৰ প্ৰতি আস্থা ঘৰাই আনিব নোৱাৰীব।

মাননীয় অধ্যক্ষ :— আপুনি ভাৰতীয় সংবিধানক দায়ী নকৰিব।

শ্ৰীচিৰাজুল হক :— মই সংবিধানক অবমাননা কৰা নাই। মই মাত্ৰ জনতা চৰকাৰক অনুৰোধ কৰিছো এই যে বাংলাদেশৰ লোক সকলৰ প্ৰচিকিউচনৰ কথা কৈছো সেইটো প্ৰামান নকৰাকৈ এনেই যাব দিব নালাগে। সেই কাৰনে কৈছো যে পুলিচৰ বৰ্বৰতা যোৱা ৩০ বৎসৰে চলি আহিছে আৰু আমি আশা কৰিছো জনতা চৰকাৰৰ দিনত সেই বিলাক শেষ হব। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

**Shri Baneswar Saikia** – Sir, I want to make a few observations on the police budget. I am one of the movers of the cut motion that the whole amount of the grant be reduced to Re. 1/-, because the present policy is the continuation of the policy pursued by the foreigners. Sir, in the pre independence days police was an instrument of coersion and after the independence, we find that the same policy is being pursued and as such police is not being used to keep peace at home; police is no longer keeper of peace, but it is the breaker of peace. Sir, 30 years of our life after independence shows that the entire social fabric has been vitiated by the arbitrary behaviour of police. Police has been used for the purpose of keeping the ruling party in power. It is no longer keeper of peace, but only to maintain and serve the purpose of political power of a group of people Such an instrument can no longer be allowed to continue, under the new regime. Sir, in pre-independence days the police was used to coerce the people and they spent half of the revenue for maitaining the police force. Before independence we find we had 89 lakas i. e. 9 million people in our State. We had budget of 85 lakhs. Now Sir, we have 18 million people and the previous budgetcd amount of Rs. 95 lakhs has gone up to 20 crores and odd.

This multiplication of expenditure for keeping a peace breaking force is not justifiable where 74% of people in our State are groaning under poverty. If the Government do not come out with a policy to use the police force to maintain peace at home and on the streets, we the legislators are not given the right by the people to vote money for such peace breaking force. Sir, my experience is that the police is never working in the interest of the people, but they work for the interest of a particular group of people right from the capitalist down to the vested interests. In 1967 at Nowgang people were crying for food they were replied with lathis and bullets. The same thing continued in the regime of those who are sitting here to my right to keep them in power. This policy must be ended. Only then the spending of money can be justified for maintenance of the police force.

Thank you, Sir.

শ্রীশান্তি রঞ্জন দাসগুপ্ত :— গত যে মাসের মাঝামাঝি সময় আমাদের যে দুইজন লোককে হোজাই থেকে ডিপোর্ট করা হয়েছিল তাদের নাম হলো ইব্রাহিম আলি ও শ্রীপাণ্ডব সাহা। এদের দুজনের ব্যাপারে আমি নওঁগার ডি'স ও এস পির সঙ্গে দেখা করেছিলাম। ইতিমধ্যে অনেককেই ডিপোর্ট করা হয়েছে, কিন্তু যেহেতু আমি এই দুইজনকে চিনি সেজন্য আমি তাদের সিটিজেনশিপ ডকুমেন্টও ডিসি ও এসপি মহোদয়কে দেখিয়েছি। আমার সঙ্গে হোজাইর ডাক্তার শ্রীহেম বরাও ছিলেন। আমরা দুইজন এই এস পি ও ডিসিকে বলছিলাম এই দুইজনেকে কেন বাংলাদেশ ডিপোর্ট করা হলো কারণ এরা তো ভরতবর্ষেরই নাগরিক এবং তার প্রমাণও আমাদের কাছে আছে। ডিসির সিটিজেনশিপ সার্টিফিকেট আছে। এস পি বললেন যে ডিপোর্টের ব্যাপারে ডিসির কোন বক্তব্য নাই এবং পুলিশ এটা বিচার নাও করতে পারে। এটা অত্যন্ত আশ্চর্য্যে কথা যে এক্ষেত্রে ডিসির সার্টিফিকেট থাকা সত্ত্বেও ওদের

ডিপোর্ট করতে বাধ্য করা হয়েছে। আমাদের কাছে প্রমাণ আছে। আমি বধ্য হয়ে রাগ করে এসপি কে বলেছিলাম যে, "এরা যে ভারতের নাগরিক তা কি আপনি প্রমাণ করতে পারবেন? আমি প্রমাণ দিচ্ছি যে তারা ভারতের নাগরিক? 'তিনি বললেন যে, "না। তবে আমরা অনেক ভেবে চিন্তে একাজ করছি। "তখন আমারা বললাম, "আপনারা কি কয়েকটা টাকা নিয়ে ডিপোর্ট করেছেন? কারণ এইরকম তো অনেক কিছুই করা যায়।"

অধক্ষ্য মহোদয়, নওঁগার এস পি মহোদয় যে বলেছেন যে এই ব্যাপারে ডিসির কোন ক্ষমতা নাই এবং পুলিশ যে তাঁর অথরিটিকে ডিজঅনার করেছে একথা আমরা ডিসিক বললাম এবং আমরা জানি যে পরবর্ত্তীকালে এবিষয়ে তাঁর সঙ্গে চীফ সেক্রেটারির আলাপ আলোচনাও হয়েছিল। কয়েকদিন আগে আমি প্রশ্নোত্তর কালে মুখ্যমন্ত্রী মহোদয়কে জিজ্ঞাসা করেছিলাম যে ডিপোর্টের ব্যাপারে কার ক্ষমতা বেশী? ডিসির না এস পি? কাজেই, এই ক্ষেত্রে একটা সিদ্ধান্ত নেওয়া দরকার।

আর একটা কথা, অধক্ষ্য মহোদয়, যে ১৯৭১ ইংরাজিতে যখন যুদ্ধের সময় বাংলাদেশ থেকে রিফিউজি আসতে লাগলো তখন তদানীন্তন কংগ্রেস সরকার ও প্রাক্তন প্রধান মন্ত্রী শ্রীমতী ইন্দিরা গান্ধী ঘোষণা করেছিলেন যে ১৯৭১ ইংরজিতে যারা বাংলাদেশ থেকে ভারতে এসেছে তাদেরে ফিরে যেতে হবে। তারপর, বাংলাদেশ গঠিত হলে পর এদের ফিরৎ পাঠানো হলো। মহোদয়, ১৯৭১ ইংরাজির পর যারা বাংলাদেশ থেকে এসেছে এবং যারা ভারতবর্ষের নাগরিক নয় তাদেরে তো ডিপোর্ট করা হবে কিন্তু যারা ১৯৭১ ইং-র আগে এসেছে এবং যারা ভারতের নাগরিক তাদেরেও কেন ডিপোর্ট করা হবে? তাছাড়া এই ধরণের লোকদের পাঠাবার আগে কেন বিচার বিবেচনা করা হবেনা, কেন তাদেরে প্রমাণ করার সুযোগ দেওয়া হবেনা যে তারা ভারতের নাগরিক কি না। এই রকম ঘটনা মুসলমানের ক্ষেত্রেও হচ্ছে এবং হিন্দুর ক্ষেত্রেও হচ্ছে। সেজন্য আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করবো যে এই সম্পর্কে যেন তিনি একটা স্থির সিদ্ধান্ত নিয়ে প্রয়োজনীয় ব্যবস্থা গ্রহণ করেন।

মহোদয়, আর একটি কথা, কিছুদিন আগে ( প্রায় ১ মাস হলো ) হোজাই অশ্চলে একটি বড় ডাকাতের গ্যাঙ্গ ধরা পড়েছে । সমস্ত আসমের আনাচে কানাচে এদের জাল বিস্তৃত । তাদেরই একা ফ্রেক্শন্ মাত্র ৭ জনের একটা দলকে ধরা হয়েছিল । এই দলকে অবশ্য হোজাইর পুলিশ ধরেনি, জনসাধারণ খবর দিলে লামডিং-এর পুলিশ এদের ধরেছিল । কিন্তু এরা এখনো ডাকাতি করে চলেছে কারণ এদের মধ্যে অনেককেই এ্যারেষ্ট করা হয়নি এবং তারা প্রকাশ্যেই ঘোরাফেরা করছে। বিগত ৩০-৫-৭৮ ইং তারিখে হোজাই মৌজার দারিয়া বস্তির শ্রীদেওমনি চৌহান - এর বাড়ীতে ডাকাতি হয় এবং চৌহানের বৃদ্ধ পিতাকে তারা প্রথমে বেধে রাখে এবং পরে তাঁকে গুলি করে মারা হয় । তাছাড়া কিছুদিন পূর্ব্বে তার ছোট ছেলের বিয়ে হয় এবং এই স্ত্রীলোকটির উপর ডাকাতেরা । পাশবিক অত্যাচার করে। আশ্চর্যের ব্যাপার যে পুলিশ আজ কাউকে এ্যারেষ্ট্ করেন ।

আর একটা ঘটনা ঘটেছে ১৫ তারিখে । বকো বস্তীর জলধর বিশ্বাসের বাড়ীতে গিয়ে ডাকাতি করে এই দল বিশ্বাসকে বাইরে টেনে এনে তার মাথায় কেরোসিন ঢেলে আগুন ধরিয়ে দেয় । অবশ্য কোনরকম তার জীবন রক্ষা পেয়েছে, এবং এখনো হাসপাতালে চিকৎসধীন আছে । কি হোজাইর পুলিশ কি লংকার পুলিশ সব একেবারে নিক্রিয় হয়ে রযেছে এবং অ্যন্যদিকে এই ডাকাতদল একের পরে এক বিভীষিকার সৃষ্টি করে চলছে । আমরা মুখ মন্ত্রী মহোদয়কে বলে ছিলাম যে সি আর পি যেন সেখানে নিয়োগ করার ব্যবস্থা করা হয় । কারন, এই বিরাট ডাকাতদলের নেট ওয়ার্ক সমস্ত আসামে এবং বিশেষকরে কার্বি আংলং গোলাঘাট, শিবসাগর ও তেজপুরের সঙ্গে এদেরর যথেষ্ট যোগাযোগ রয়েছে । এরা সমস্ত অঞ্চলে একটা সন্ত্রাসের সৃষ্টি করেছে আর অন্যদিকে পুলিশ সম্পূণ' নিশ্রিয় হয়ে বসে আছে । মহোদয়, পুলিশ যদি এই ভাবে চলে তাহলে তো দেশের শান্তি বিঘ্নিত হবেই ।

অধ্যক্ষ মহোদয়, এই কথা বলে আমি আমার কক্তব্য শেষ করছি ।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) — অধ্যক্ষ মহোদয়, পুলিচৰ বাজেটৰ উপৰত আৰু সেই সম্বন্ধীয় কৰ্তন প্ৰস্তাৱৰ সন্দৰ্ভত দীঘলীয়া আলোচনা হৈছে আৰু এই আলোচনাত ৰাইজৰ পুলিচ সম্বন্ধীয় বহুবিলাক কথাই মাননীয় সদস্য সকলে উত্থাপন কৰিছে। এই সকলোবিলাক সমালোচনা আৰু পৰামৰ্শই ৰাজ্যৰ পুলিচ বাহিনীক ভালকৈ চলোৱাত চৰকাৰৰ নিশ্চয় সহায় কৰিব আৰু তাৰ কাৰণে মাননীয় সদস্য সকলে আমাৰ ধ্যনবাদৰ পাত্ৰ ।

এজন সদস্যই কোৱাৰ দৰেই সচাঁকৈ এখন ৰাজ্য, চৰকাৰ আৰু পুলিচ বাহিনীটো সেই ৰাজ্য চৰকাৰৰ চৰিত্ৰকে প্ৰমাণ কৰে আৰু সেই চৰকাৰৰ চৰিত্ৰৰ লগতে ৰাজ্যৰ জনসাধাৰণৰ চৰিত্ৰ প্ৰামাণ কৰে। এটা কথা সচাঁ যে পুলিচ সম্বন্ধে যি বিলাক সমালোচনা হয় বা মানুহৰ পুলিচ সম্বন্ধে যি সন্দেহৰ ভাৱ, ঘৃণাৰভাৰ দেখা গৈছে তাৰ বহুদিনীয়া কাৰণ আছে। ইংৰাজৰ শাসনৰ দিনত পুলিচক ব্যৱহাৰ কৰা হৈছিল, ভাৰতবৰ্ষৰ জনসাধাৰণে যে স্বাধীনতাৰ আন্দোলনৰ বাবে যুজিছিল তাৰ বিৰুদ্ধে আৰু তেতিয়াৰ পৰা পুলিচক মানুহে বেয়া চকুৰে চাই আহিছে কিন্তু লগতে এইটো কথাও ঠিক যে পুলিচ ৰাজ্যৰ শাসক দলৰ চৰিত্ৰৰ প্ৰতিফলক, আৰু শাসকদল সকল সম্প্ৰদায় শ্ৰেণীৰ প্ৰতিফলক ভাৰতবৰ্ষৰ ক্ষেত্ৰত, অসমৰ ক্ষেত্ৰত দেখা গৈছে যে কোনোবা এটা নিৰ্দিষ্ট সময়ত শাসক শ্ৰেণী যিমান দ্দূদক্ষ হব লাগে অনেক সময়ত ব্যৰ্থ হয়। সেই কাৰণে নিৰ্দ্দিষ্ট এটা অৱস্থাৰ মাজতো যিমান জিনি সত্ হব পৰা যায় সিমান খিনি আমাৰ দেশত হোৱা নাই ইংৰাজ শাসনৰ দিনত এটা কথা ঠিক আছিল যে এফালে অত্যাচাৰ হৈছিল স্বাধীনতা আন্দোলনৰ কৰ্ম কৰ্ত্তা সকলৰ ওপৰত। সেই বিষয়ে ৰাইজে পুলিচক ঘৃনা কৰিছিল। কিন্তু লগতে আন এটা কথাও ৰাইজে অনুমান কৰিছিল যে ইংৰাজ সকলে যেতিয়া দমণ কৰিবলৈ গৈছিল তেতিয়া তেওঁলোকে জানিছিল যে সৰু সুৰা কথাত ৰাইজৰ যদি অবিশ্বাস হয়, সন্দেহ হয় তেতিয়া হলে বেয়া হব। সেই কাৰণে আমাৰ বয়সৰ মানুহে ইংৰাজৰ যুগত আৰু তাৰো কিছু পিচৰ যুগত দেখিছে যে সৰু সুৰা কথাত, চুৰি — দকাইটি আদি কথাত পুলিচত কিন্তু বিশ্বাস আছিল। এতিয়াও গাৱেঁ — ভূঞে চহা মানুহে ভিক্টোৰীয়াৰ শাসনৰ কথা কয়। গতিকে সেই ফালৰ পৰা

চাবলৈ গলে দেখা যায় যে যোৱা ৩০ বছৰত, কংগ্ৰেছৰ শাসনত পুলিচ বিভাগটো লাহে লাহে নিস্কটীয়া হৈ আহিছে । বিশেষকৈ যোৱা জৰুৰী অৱস্থাৰ কাল চোৱাত যি অৱস্থাৰ সৃষ্টি হৈছিল এতিয়া জৰুৰী অৱস্থা শেষ হোৱাৰ পিচতো পুলিচৰ মৰেলিটি সম্পূৰ্ণ শুদ্ধ হোৱা নই । জৰুৰী অৱস্থা শেষ হোৱাৰ পিচত দিল্লীত নতুন চৰকাৰ হল আৰু দিল্লীত নতুন চৰকাৰ হোৱাৰ পিচতো অসমত কিছুদিন কংগ্ৰেছ চৰকাৰ আছিল আৰু সেই সময়ত পৰিস্থিতিটো বদলি হোৱাৰ কথা তেওঁলোকে চিন্তা কৰা নাছিল । লগতে এইটো অনুভৱ কৰিছিল যে পুলিচে ভুলকৈ কোনোবা একজনক গ্ৰেপতৰ কৰিলে তেওঁৰ ওপৰত সুবিচাৰ কৰিছিল । কিন্তু জৰুৰী অৱস্থাৰ পিচৰ কাল চোৱাত ৰাজনিতিক কৰ্মীয়েই হওক বা সত নাগৰিকেই হওক তেওঁলোকৰ ওপৰত কিব অন্যায় হলে আপত্তি কৰিবলৈ গলে যেন হস্তক্ষেপে কৰা হয় তেনেকুৱা এটা মনোভাৱ দেখা গৈছে ।

সেই অৱস্থাৰ মাজেদি আজি আমাৰ নতুন চৰকাৰ অসমত হৈছে আজি অসমৰ ৰাইজে বহুত বিলাক পৰিবৰ্ত্তণ বিচাৰিছে, সমাজৰ সকলো স্তৰতে পৰিবৰ্ত্তণ বিচাৰিছে আৰু পুলিচৰ ক্ষেত্ৰতো পৰিবৰ্ত্তণ বিচাৰিছে। আমি চৰকাৰলৈ আহি কেৱল পুলিচ প্ৰশাসনেই নহয়, বিষয়া সকলেই নহয় প্ৰশাসনীয় সকলো বিষয়াকে কৈছো যে দৃষ্টি ভংগী বদলি হব লাগে নতুন পৰিস্থিতিৰ লগত খাপ খায়জনগনৰ গনতান্ত্ৰিক মুল্যবোধৰ লগত খাপ খায় চলিব লাগিব। গনতান্ত্ৰিক ৰাজ্যত বিধান সভাৰ মজিয়াত থাকি আমাৰ সকলোৰে উত্তৰ দায়িত্ব কৰাৰ প্ৰতি লক্ষ্য ৰাখিতাৰ ভিতৰেদি সত্য ভাবে, স্বাধীন ভাবে কাম কাজ কৰিব লাগিব। পুলিচ বিষয়া সকলক আমি এইটো কৈছো। ওপৰত হয়তো কিছু সংখ্যাকে বুজিবলৈ চেষ্টা কৰিছে কিন্তু সেই হিচাবে তলৰ পুলিচ কৰ্ম্মচাৰী সকলে সেই বিলাক শিক্ষা পাইছিল যদিও জৰুৰী অৱস্থাৰ সময়ত যি শিক্ষা দিয়া হল সেই বিলাকে তেওঁ বিলাকক এৰা দিয়া নাই। এই বিলাকৰ পৰিবৰ্ত্তণ আনিব লাগিব এই বিষয়ে ওপৰৰ পৰা তললৈকে সকলো বিলাক পুলিচ বিষয়াক লৈ এখন সন্মিলন পতাৰ কথা স্থিৰ কৰিছো। যাতে আমি সকলোৱে বহি এই বিলাক কথা আলোচনা কৰিব পাৰো। আমিও ট্ৰেড ইউনিয়নৰ

লগত জৰিত আছিলো, আমিও কৃষক আন্দোলনৰ লগত জৰিত আছিলো। তেতিয়াই আমি বুজিবলৈ পাইছিলো যে পুলিচৰ সাধাৰণ ব্যৱহাৰ কি ? অনেক ঠাইত ধৰ্ম্মঘট হৈছিল। শ্ৰমিকে শান্তিপূৰ্ণ ভাবে ধৰ্ম্মঘট কৰিলে, পুলিচে তাক বাধা দিয়াৰ অধিকাৰ নাই। মিল মালিকে টেলিফুনত পুলিচক ধৰ্ম্মঘটৰ কথা জনালে সাধাৰণতে পুলিচ মিল মালিকৰ পক্ষ লোৱা দেখা যায়। শান্তিপূৰ্ণ ভাবে ধৰ্ম্মঘট কৰিলে পুলিছে তাত হস্তক্ষেপ কৰাৰ অধিকাৰ নাই। এই বিলাক কৰিলেই শ্ৰমিকৰ মনত পুলিচৰ প্ৰতি ঘৃনাৰ জপ উপজে। তেনেকৈ কৃষকৰ ক্ষেত্ৰত যেতিয়া মাটি গিৰিৰ লগত বিবাদ হয় এই বিলাক ক্ষেত্ৰটো স্বাভাবিক ভাবেই পুলিচে মাটি গিৰিৰ পক্ষ লয়। এই বিলাক কথা আগৰে পৰাই ট্ৰেডিচন হিচাবে চলি আহিছে এই বিষয়ে চৰকাৰ সচেতন। আমি ভবিষ্যতে সন্মিলন পাতি এই বিলাক কথা কম। সকলো বিলাক ক্ষেত্ৰত কেনেকৈ কি ভাবে নিৰপেক্ষতা অৱলম্বন কৰিব লাগে সেই বিলাক কথা আলোচনা কৰিব লাগিব। কোনো কাৰণত যদি শ্ৰমিক সকলে আন্দোলন কৰে, কৃষক সকলে যদি আন্দোলন কৰে এই বিলাক ক্ষেত্ৰত যাতে বিৰোদ্ধ মনোভাব পোষন কৰা নহয় বা তাৰ বিৰুদ্ধে কাম কৰা নহয় এইটো আমাৰ দৃষ্টিভংগী থাকিব।

পুলিচৰ বিষয়ে পুলিচ কমিচন বহিছে। জনতা চৰকাৰে সৰ্বভাৰতীয় স্তৰত পুলিচ কমিচন বহুৱাইছে। ইতিমধ্যে এই পুলিচ কমিচনে বিভিন্ন ৰাজ্যত পৰিভ্ৰমণ কৰিছে আৰু অসমলৈকো আহিছে। অসমলৈ এই কমিচন আহি অসমৰ পুলিচ বিষয়া সকলৰ লগত আলোচনা কৰিছে আৰু অসম চৰকাৰৰ লগতো আলোচনা কৰিছে। মুল কথা হৈছে যে দুৰ্নীতিৰ কথা আমাৰ সকলোৱেই কৈছে। এই দুৰ্নীতি যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত বেচি হল আৰু তাতোকৈ বেচি হল জৰুৰী অৱস্থাৰ সময়ত। ৰাজনৈতিক নেতা সকলে পুলিচক প্ৰভাৱত পেলাবলৈ চেষ্টা কৰিছিল। আজি এই অৱস্থাৰ পৰা পুলিচক মুক্ত কৰিব লাগিব। আজি সকলো বিলাক কৰ্ম্মচাৰী এই অৱস্থাৰ পৰা মুক্ত হব লাগিব জনতা চৰকাৰৰ গৃহ মন্ত্ৰীৰ পৰা পৰামৰ্শ বিচৰা হৈছে যিটো কথা হৈছে যোৱা জৰুৰী অৱস্থাৰ সময়ত পুলিচে যি বিলাক কাম কৰিছে সেই বিলাক লোকনায়ক জয়প্ৰকাশ নাৰায়নে তিব্ৰ সমালোচনা কৰিছে। তেখেতে আৰমি আৰু পুলিচৰ

বিষয়াক সকলক সুধিছে যে ৰাজনৈতিক নেতা সকলৰ অন্যায় নিৰ্দ্দেশ নামানিবলৈ পৰামৰ্শ দিছিল। যিটো আইন সংগত নহয় বুলি ভাবে সেইটো অমান্য কৰিব পাৰিবনে নোৱাৰে? এইবিলাক মৌলিক কথাৰ সমাধান হব লাগিব। তেতিয়াহে দুৰ্নীতি মুক্ত অৱস্থা পুলিচৰ ক্ষেত্ৰত প্ৰশাসনৰ ক্ষেত্ৰত হব পাৰিব। ভাৰতত যিমানেই নকওক দুৰ্নীতি নোহোৱা নহয়। কাৰণ ৰাজনৈতিক নেতা সকলে অনেক সময়ত নিজৰ স্বাৰ্থৰ কাৰণে পুলিচক ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে। যি কাৰণতেই তেনেকুৱা ব্যৱহাৰ কৰিব পাৰে বা ব্যৱহাৰ কৰিব পৰা সুবিধা থাকিব পাৰে আমি সেই বিলাক নাইকীয়া কৰিব লাগিব। এইটো সৰ্বভাৰতীয় স্তৰত জনতা চৰকাৰে কৰিবলৈ লৈছে আমিও সেইটো কৰিবলৈ লম। লগতে পুলিচৰ সম্বন্ধে আৰু কবলগীয়া আছে যি খিনি আমাৰ মাননীয় সদস্য সকলে ডাঙি ধৰিছে পুলিচ বাজেটৰ সম্পৰ্কত। পুলিচ বাজেটত বেচিকৈ টকা ধৰা হৈছে বুলি কোৱা হৈছে। অনেকে কৈছে যে পুলিচ বাজেটত ইমান টকা ধৰা দৰকাৰ নাই, আন্য কামত যেনে শিক্ষা, হস্পিটাল আদিত খৰচ কৰিব লাগে কিন্তু পুলিচ হৈছে ৰাষ্ট্ৰীয় ব্যৱস্থাৰ এৰাবনোৱাৰা অংগ। যদি কিবা বিশেষ চেকুন আছে সেই বিলাক গুচাব লাগিব। কিন্তু উঠাই দিয়াটো সম্ভৱ নহয়। বাজেটত যে বেছিকৈ টকা ধৰা হৈছে সেইটো নহয়। আগৰ বাৰ বাজেটত ২৪ কোটি ১৭ লাখ ৬৪ হাজাৰ ৯১ টকা ধৰা হৈছে কিন্তু এই বাৰ বাজেটত ২০ কোটি ৪৫ লাখ ৮৬ হাজাৰ ৭০০ টকা ধৰা হৈছে। আগৰ বাজেটতকৈ ৩ কোটি ৭২ লাখ টকা কম ধৰা হৈছে। অৱশ্যে এই টকা পইচা কেনেকৈ খৰচ কৰে সেই কথা সমালোচনা কৰাৰ মাননীয় সদস্য সকলৰ অধিকাৰ আছে। এই বাজেটৰ টকা পইচা খৰচ কৰাৰ ক্ষেত্ৰত দেখা গৈছে যে প্ৰায় শতকৰা ৭০ ভাগ পুলিচ বাহিনীৰ বেতন ইত্যাদিত যায়। আন এটা কথা যে ইয়াৰ আগতে অসমত এটা পুলিচ কমিচন গঠন কৰা হৈছিল। এই পুলিচ কমিচনে এটা প্ৰতিবেদন দাখিল কৰিছিল এই প্ৰতিবেদনত যি বিলাক পৰামৰ্শ আছে পুলিচ বিভাগটো আধুনীকিৰনকৰা, এই সম্বন্ধে কিছুমান ব্যৱস্থা লোৱা হৈছে। এই আধুনীকিৰনৰ কাৰণে যি বিলাক ব্যৱস্থা লোৱা হৈছে তাৰ ভিতৰত আৰক্ষী চকি প্ৰতিষ্ঠা কৰাৰ কথাও আছে। ফৰেইনচিক বিজ্ঞানাগাৰ কৰা হৈছে আৰু উন্নত কৰিবলৈ চেষ্টা

কৰা হৈছে। স্বাভাৱিক শিতানত কৰৰ মিতব্যয়িতা কৰিবলৈ লোৱা হৈছে। আৰু এইটো কথাও থিক যে যিমান বিলাক পুলিচ থানা কৰিবলৈ দাবী আহিছে সেই সকলো বিলাক থানা আৰু আউট প'ষ্ট কৰিবলৈ সেই অনুপাতে আমাৰ ধন নাই আৰু পুলিচৰ লোকো নাই। পুলিচ বিভাগত ৩০১৩৮ জন লোক আছে। আমাৰ অসমৰ জনসংখ্যা হৈছে ১ কোটি ৬০ লাখ। আমাৰ জনসংখ্যাৰ তুলনাত আমাৰ পুলিচ বিভাগটো নিতান্ত সৰু।

দেখা যায় ইংলণ্ড আদি দেশত সাতশ মানুহত এজন চিপাহী। আমাৰ অসম ৰাজ্যত ছয় হাজাৰৰ ওপৰ মানুহত এজন চিপাহী। গতিকে যি বিলাক থানা, আউটপোষ্ট চলি আছে সেই বিলাক বহু বিস্তৃত এলেকাত চলি আছে। বহু কেইজন মাননীয় সদস্যই কৈছে গাওঁ অঞ্চলত অনেক সময়ত বহু দূৰৰ পৰা আহি থানাত খবৰ দিব লগা হয়। সেই কাৰণে অনেক সময়ত লৰালৰিকৈ ভাৰ পৰা গৈ কোনো ব্যৱস্থা কৰিব নোৱাৰাৰ কাৰণেও ন্যায় বিচাৰ পোৱা নাযায়। চুৰি ডাকাইতি আদি ধৰাৰ ক্ষেত্ৰত তেওঁবিলাক ব্যৰ্থ হয়। সেই কাৰণে এই বিলাকত আৰু বঢ়াব লাগিব। এই বছৰ ২৬ খন থানা আৰু ৮ টা চকী স্থাপন কৰিবলৈ মঞ্জুৰী দিয়া হৈছে। এইটোৱেই যথেষ্ট নহয়। ইতিমধ্যে আমি বিভিন্ন জনপ্ৰতিনিধি সকলৰ যোগেদি, ৰাইজৰ যোগেদি আৰু বেচি আউটপোষ্ট, থানা কৰাৰ দাবী আহিছে। আনহাতে পুলিছ বিভাগৰ ভিতৰত ট্ৰেফিক পুলিচ বাহিনী এটা কিছু দিন আগতে গঠন কৰা হৈছে। তাৰ পোচাক বেলেগ ভাবে দিয়া হৈছে, এইটো প্ৰতিনিধি সকলে দেখিছে এইটো কব লাগিব যে আন ক্ষেত্ৰত হওক বা নহওক ট্ৰেফিকৰ ক্ষেত্ৰত আগতকৈ যথেষ্ট খিনি ভাল ব্যৱস্থা হৈছে। পুলিচৰ তল শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ উনতি কল্পে নানা ৰকমৰ - আৰ্থিক সাহায্য বা তেওঁলোকৰ চচিয়েল যি বিলাক ব্যৱস্থা আছে, শিক্ষা চিকিৎসা ইত্যাদি বিলাক বঢ়োৱা আৱশ্যকতা আছে। মাননীয় ভালে কেইজন সদস্যই এই বিষয়ে কৈছে। তাৰ লগে লগে তেওঁলোকৰ সাংস্কৃতিক ফলটোৰ কথা লক্ষ্য কৰিব লাগিব। খেলা - ধূলাৰ বিষয়ত পুলিচ টিমৰ কথা আপোনালোকে জানে। তেওঁলোকে জনসাধাৰণক যথেষ্ট

সন্তোষ্টি দিব পাৰিছে। মাননীয় সদস্য এজনে কোৱাৰ দৰে পুলিচৰ যিটো সাংস্কৃতিক শাখা আছে, তেওঁবিলাকে ৰাইজক অনেক সন্তোষ দিব পাৰিছে। ৰাইজ আৰু পুলিচৰ মাজত যাতে ভুল বুজাবুজি নহয়, পৰস্পৰে পৰস্পৰৰ ওচৰ চাপি আহিব পাৰে। ৰাইজৰ ওপৰত পুলিচৰ অত্যাচাৰ প্ৰতিফলন নহয়, ৰাইজৰ সহযোগী হিচাবে কাম কৰিব পাৰে তাৰ কাৰণে সাংস্কৃতিৰ ফালটোত খেলা-ধুলাৰ ফালটোত বেচি গুৰুত্ব দিব লাগিব। তাৰ লগতে তেওঁলোকৰ শিক্ষা, জনস্বাস্থ্য ইত্যাদি কথা বিলাক চাব লাগিব। জৰুৰি অৱস্থাৰ অত্যাচাৰৰ কথা, লগতে কংগ্ৰেছ অধিবেশনক কেন্দ্ৰ কৰি যি বিলাক অভিযোগ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কৰিছো, এই সকলো বিলাক কথা বিযেশ ভাবে সদনত আলোচিত হৈছে। গতিকে আজি সদনত ঘোষনা কৰিব খোজো যে কংগ্ৰেছ অধিবেশনত চলা দুৰ্নীতি ইত্যাদি বিষয় লৈ, চৰকাৰী প্ৰশাসন যন্ত্ৰ ব্যৱহাৰ কৰি চৰকাৰী ধন অপব্যয় কৰা জৰুৰী অৱস্থাত চলা বিভিন্ন অত্যাচাৰ সম্বন্ধে বা অন্যতম কিছুমান দুৰ্নীতিৰ ৰিপোৰ্ট আমাৰ হাতত পৰিছেহি সেই বিলাক সম্বন্ধে তদন্ত কৰিবলৈ আমি অনতিপলমে এটা কমিচন গঠন কৰিম। এই বিষয়ত এজন অৱসৰ প্ৰাপ্ত জাজক লৈ কমিচন গঠন কৰা বিষয়ত আলোচনা বিলোচনা হৈ গৈছে। ইতিমধ্যে কথা বতৰা চলাই আছো এই কথা আজি মই সদনত ঘোষণা কৰিলো। আমাৰ ৰাজ্য খনৰ বিভিন্ন কাৰণত সংখ্যালঘু মানুহৰ ওপৰত, ধৰ্মীয় সংখ্যালঘু মানুহৰ ওপৰত সামাজিক ভাবে আৰ্থিক ভাবে সংখ্যালঘু মানুহৰ ওপৰত বিভিন্ন ঠাইত পুলিচে অত্যাচাৰ কৰিছে বুলি অভিযোগ উঠিছে। বিশেষকৈ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ মাজৰ পৰা জোৰ কৰি বাংলা দেশলৈ মানুহ পঠোৱাৰ অভিযোগ উঠিছে। বাংলা ভাষী হিন্দু সমাজৰ মানুহৰ পৰাও বাংলা দেশলৈ জোৰ কৰি মানুহ পঠিওৱাৰ অভিযোগ উঠিছে। মই সদনক জনাওঁ যে নিৰ্দিষ্ট অভিযোগৰ বিষয়ত আমি তদন্ত কৰিম আৰু ব্যৱস্থা লম। মই এই খিনিতে এটা কথা কব খোজো যে এই বিষয়াত যি বিলাক ট্ৰিবিউনেলৰ ব্যৱস্থা অছিল বোধ হয় যোৱা বাংলা দেশৰ স্বাধীনতা যুঁৰৰ পৰা সেই সম্বন্ধে গুৰুত্ব দিয়া হোৱা নাছিল। সেই বিলাক বিষয়ে পাহৰি যোৱা হৈছে। গতিকে এজনৰ অন্যায় হৈছে বুলি ভাবি যিকোনো এজন নাগৰিকৰ আত্ম পক্ষৰ সমৰ্থনৰ সুবিধা থকা উচিত। এই বিষয়ত তদন্ত কৰি অনতিপলমে সুব্যৱস্থা এটা নিশ্চয় কৰিম। মই মাননীয় সদস্য

সকলক অনুৰোধ জনাম যাতে - বিভিন্ন মহল অনেক বিলাক কথা লৈ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি ৰাজ্যখনত কৰিবৰ কাৰণে চেষ্টা কৰি আছে এইটোকে অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিবৰ কাৰণে বিচাৰে সেই বিষয়ত সকলো সদস্য যেন সাবধানে থাকে। আমাৰ ৰাজ্য খনত সাম্প্ৰদায়িক সম্প্ৰীতি যাতে নাইকিয়া নহয়, প্ৰতিক্ৰিয়াশীল শক্তি সমূহে যাতে আৰু নতুন বিবাদৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি যেন সাবধান হয়। কাৰণ আপোনালোক সকলোৱে জানে বিভিন্ন সময়ত অসমত এনেকৈ ভাই ভাইৰ মাজত যুঁজ কৰি বহুত ক্ষতিগ্ৰস্ত হৈ আছো। আগন্তুক বছৰ কেইটাত যাতে শান্তিৰে ৰাজ্য খনত কাম কৰি সকলোৱে মিলি থাকিব পাৰোঁ আৰু কোনো পৰিস্থিতি যাতে উদ্ভব নহয় তাৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিবলৈ আপোনালোক সকলোকে অনুৰোধ জনালো। চৰকাৰৰ তৰফৰ পৰা এই প্ৰচেষ্টা সদায় থাকিব। মই সদনক মুকলি ভাবে আশ্বাস দিব খোজো যে যদি কাৰোবাৰ অন্যায় হৈছে আৰু তেনে প্ৰমানিত হয় তাৰ ওপৰত সদায় ব্যৱস্থা লম। যি বিলাক অভিযোগ বিশেষ ভাৱে সদনত আলোচিত হৈছে, সেই বিষয়ে কেনে ৰকমৰ আইন শৃংখলাৰ প্ৰতিষেধক ব্যৱস্থা লব পৰা যায় সেই কথা চিন্তা কৰি আছে। মাননীয় সদস্য সকলে পুলিচ মহলৰ বিভিন্ন ঠাইত বিভিন্ন দুৰ্নীতিৰ কথা কৈছো বিশেষকৈ বন্ধু শ্ৰীঅতুল গোস্বামীয়ে গাখীৰ যোগান ব্যৱস্থা বিষয়ত কৈছিল। তাত ভিতৰুৱা কিবা ঘটিছিল, তেখেতে অভিযোগ কৰিছে। চৰকাৰ দায়িত্ব লোৱাৰ পিচত এই ঘটনাটো হৈছিল। তিনি বিধৰ টিসৰ গাখীৰ লৈ এই ঘটনাটো হৈ ছিল। মিল্ক মেইড, বিভা আৰু ইন্দোদাম এই তিনি বিধ। যোৰহাটৰ অসম এজেন্সী বিষয়ত অভিযোগ যি পোৱা গৈছে যে ১ লাখ ৪৭ হাজাৰ ১১৮ টকা কৰ দিবলৈ বাকী আছে। আই জি, পিৰ ১৩-৬-৭৮ নিৰ্দ্দেশ অনুসৰি তেওঁলোক যোগান দিবলৈ বন্ধ কৰি দিয়া হৈছে। এজন ফুকনৰ নামত যি অভিযোগ উঠিছে দেখা যায় যে তেওঁ অকলে কৰা নাই, এখন বৰ্ডৰ ছয় জনে কৰিছে। গতিকে শ্ৰীগোস্বামীৰ প্ৰশ্নৰ ওপৰত মোৰ এই খিনিয়েই কবলগীয়া।

মাননীয় সদস্য সকলৰ কেইবাজনেও ৰহুবিলাক প্ৰশ্ন উত্থাপন কৰিছে আৰু বিশেষকৈ পুলিচৰ যিটো বিশেষ ক্ষমতা, এন্টিকৰাপচন, কিবা-

কিবি বিষয়আদি আগৰ চৰকাৰৰ দিনত কি ধৰণে কৰা হৈছিল, সেই বিষয়ে আমি কব নোৱাৰো। এন্টিকৰাপচন, বুৰো ইনভেষ্টিগেচন, চিফ, মিনিষ্টাৰ ভিজিলেন্স চেল আদিৰ সংক্ৰান্তত মই পৰিস্কাৰ কৰি কবিচাৰো যে, আমি দায়িত্ব লোৱাৰ পিচত চিফ মিনিষ্টাৰ ভিজিলেন্স চেলক বেলেগে নাৰাখি সকলোখিনি ব্যৱস্থা পুলিচৰ ওপৰত জাপি দি গোটেই ব্যৱস্থাটো ৰাইজে বিচৰামতে নতুনকৈ ঢালি সাজিবৰ কাৰণে কি কৰা হব সেই বিষয়ে আমি তথ্যপাতি সংগ্ৰহ কৰি আছো। আৰু ঠিক তেনেকৈয়ে দুৰ্নীতি আদিত এইবিলাক দিশত যাতে এন্টিকৰাপচন আদিৰ বেলেগে বেলেগে ব্যৱস্থা নাথাকে আৰু একেটা ব্যৱস্থাই হয় আৰু সেইটোত ৰাজনৈতিক ক্ষমতা নাথাকে, মুক্ত ব্যৱস্থা হয় তাৰ কাৰণে আমি আমাৰ মন্ত্ৰীসভাৰ আলোচনা কৰি আছো। কাৰণ আগতে যিটো অৱস্থাৰ সৃষ্টি হৈছিল, তাৰ ফলত ফনি ৰায়ক এচ, পি ৰেংকৰ, আই. পি আদিৰ উপৰতো গোপনে ৰিপোৰ্ট দিয়াৰ অধিকাৰ দিয়া হৈছিল। আৰু সেই কাৰণে এই বিষয়ে মই কব খুজো যে, আমাৰ নতুন চৰকাৰে এতিয়ালৈকে কাকো ৰিকমেনদেচন বা মেদেল আদি দিয়া নাই আগৰ চৰকাৰেই কৰি থৈ গৈছে। যি কেইজন মানুহক আই, পি, এচ দিবৰ কাৰণে পৰামৰ্শ দিয়া হৈছিল সেই বিলাকো অসম, মেঘালয়ৰ দয়োখ ন ৰাজ্যৰ জইন কেদাৰৰ আই, জি, পি, আৰু চিফ চেক্ৰেটাৰি আৰু ইউ, পি, এচ, চিৰ প্ৰতিনিধি আদিয়ে এই বিলাক কৰিছিল, আমাৰ চৰকাৰ অহাৰ আগতে এই বিলাক কৰা হৈছিল আৰু এই বিলাক বিষয়ৰ ওপৰত ৰিকমেনদেচন আদি হৈছিল আৰু আমি তাৰ ওপৰত আপত্তি জনাইছো। আমাৰ আপত্তি কি হয় কব নোৱাৰো কেন্দ্ৰীয় চৰকাৰৰ ওপৰত। কাৰণ গোটেই বিষয়টোৱেই আগৰ চৰকাৰৰ দিনৰ সেই বিষয়ে আমাৰ দায়িত্ব নাই। আমি নিজে পিচত কি কি ভাবিছো, সেই সম্পৰ্কত মই কব খোজে যে, গোটেই ব্যৱস্থাটো নতুনকৈ কৰিবৰ কাৰণে চিন্তা কৰি আছো।

শ্ৰীবীৰেন চৌধুৰী :— ফনি ৰায়ৰ এনকোৱাৰি ৰিপোৰ্ট যি চাবমিট কৰিছিল, তাৰ এটা অংশ লুকাই ৰখা হৈছে।

শ্ৰীগোপন বৰবৰা :— এইটো অধ্যয়ন কৰি আছো। মাননীয় সদস্য মুকুট শৰ্মাই এটা কথা কৈছিল বিশেষকৈ পেট্ৰিয়ত কাগজত ১৩ জুন

তাৰিখত প্ৰজেক্ট ব্ৰহ্মপুত্ৰ সমন্ধে ইউ, এচ, এ চাৰ্কোলৰ কথা ওলাইছিল। কিন্তু আমাৰ চৰকাৰে সদায় এইটোলৈ লক্ষ্য ৰাখিব আৰু কোনো ৰকমৰ বৈদিশিক স্বাৰ্থ ৰক্ষা কৰিবলৈ যাওতে আমাৰ জাতীয় স্বাৰ্থৰ বিৰোদ্ধে যাব পাৰে, আৰু যদি যায় সেইটো আমি কেতিয়াও সহ্য নকৰিম। সেই বিষয়ে আমি সদায় লক্ষ্য ৰাখিম। আমাৰ জনতা চৰকাৰে আন আন বিষয়ত অতি পৰিস্কাৰ। আমাৰ প্ৰধান মন্ত্ৰীয়ে যিবিলাক বক্তৃতা বিভিন্ন আন্ত'জাতিক পৰ্য্যয়ত দিছে আৰু বিভিন্ন ৰাষ্ট্ৰত এই সমন্ধে যি ওলাইছে সেইয়া আপোনালোক সকলোৱে জানে আমেৰিকাত গৈ তেখেতে পৰিস্কাৰকৈ ইউৰেনিয়ামৰ বিষয়ে কৈছে আৰু কাৰ্টাৰ চাহাবকো কৈছিল যে বন্ধুদেশ হিচাবে আমি সকলোৰে পৰা লম। চোভিয়েট ৰাচিয়াতো কৈছিল যে বিশেষ বন্ধুত্বৰ বিষয়ে লিখিবলৈ তেতিয়া আমাৰ প্ৰধান মন্ত্ৰীয়ে বিশেষ বন্ধুত্বই নহয়, আমি সকলো দেশৰ লগতে সমানে বন্ধুত্ব ৰাখিব বিচাৰো। সৰ্ব্বভাৰতীয় ক্ষেত্ৰত আৰু অসমৰ ক্ষেত্ৰতো আমি তেনেকুৱা নীতি ভিত্তি কৰি কোনো ৰকমৰ বিদেশী প্ৰভাৱ বা ষৰযন্ত্ৰ ইত্যাদি চলিবলৈ নিদিম। দেবানন্দ বৰাই গোচৰে চোবৰোৱা ব্যবস্থাৰ কথা কৈছে। এইটোৰ কাৰনে পুলিচেই অকল জগৰীয়া নহয়, সাধাৰণভাবে ব্যৱস্থাটো এনেকুৱা। কেতিয়াবা কাৰোবাক জামিনত আনিবলৈ যাওতে কেচ লৈ হয়তো পট্টাৰ নং আৰু চিয়ৰিটি পৰ্য্যন্ত দিবলগা হয়। কেতিয়াবা মানুহ জামিনত আনিবলৈ ৰিচাৰি নাপাই নাম ধাৰলৈ আনোতে ২০ টকা দিবলগা হয়। কিছুমান ৫।৬ বছৰ আন্দাৰ ট্ৰায়েলত থাকি যায়। চি, আৰ, পি চি সংশোধন কৰা মতে ৬০ দিনৰ ভিতৰতে জামিনত দিয়াৰ ব্যবস্থা হৈছে তথাপি বহুদিন ধৰি জেইলত থাকিবলগা হয়। এই গোটেই ব্যবস্থটো দুৰ কৰিব পাৰিব লাগিব। তাৰ কাৰণে পুলিচৰ লগতে যদি আমাৰ অন্যান্য ব্যবস্থা বিলাক হৈ উঠে সেইখিনি দুৰ কৰিব পৰা যাব। চুৰি ডাকাইটি ইত্যাদি বিলাকৰ অভিযোগ বিভিন্ন ঠাইৰ পৰা আহিছে। আৰু বিভিন্ন ঠাইত সেইবিলাকৰ ব্যৱ'স্থা কৰিব পৰা নাই বুলি আৰু পুলিচ ব্যৰ্থ হৈছে বুলি সদস্য সকলে কৈছে। এই সম্পৰ্কে আমি তত্‌পৰতাৰে পুলিচ বিভাগৰ দৃষ্টিআকৰ্ষণ কৰিছো। যোৱা কালি বাতৰি কাকজত চিপাঝাৰ থানাত ডাৰোগাই কোবাই মানুহ মৰাৰ কথা ওলাইছে।

আৰু লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰাৰ নিৰ্দ্দেশ দিছো। সেইদৰে পুলিচ যে সকলো ঠাইতে ব্যৰ্থ হৈছে তেনে নহয়, কাৰণ অসমৰ বিভিন্ন ঠাইৰ পৰা গাভৰু ছোৱালী ধৰি নিয়াৰ কেচো আমি পাইছো আৰু সেই গাভৰু ছোৱালী ৰম্বে, আজমীৰ আদিৰ পৰা উদ্ধাৰকৰি পুলিচে আনিছে। এইটো কথা অৱশ্যে ঠিক যে প্ৰশাসনী ব্যৱস্থাটো জৰুৰীকালিন অৱস্থাত ধিলা হৈ পৰিছিল। আমি ৩ মাহ থাকিয়েই অনুভৱ কৰিছিলো যে, জিলা স্তৰত প্ৰশাসন যন্ত্ৰ ভাঙি পৰিছিল। সকলো বিলাক দিচপুৰৰ মন্ত্ৰী সকলে টানি আনি খেলি মেলি সৃষ্টি কৰিছিল। আমি এই ৩ মাহে এইটো বিকেন্দ্ৰীকৰণ কৰাৰ কথা চিন্তা কৰি আছো আৰু কিছুমান ক্ষেত্ৰত সফল হৈছো যদিও আমাক আৰু কিছু সময় লাগিব।

অধ্যক্ষ মহোদয়, পুলিচৰ ঘৰ আদি সজাৰ কথা আমাৰ মাননীয় সদস্য কেইবাজনেও প্ৰশ্ন তুলিছিল। আৰু এই কথাও ঠিক যে, সধাৰণ যি সকল চিপাহী সেইসকলৰ থকা মেলাৰ ব্যৱস্থা এতিয়া বহুত বেয়া। পুৰণা থানা বিলাকৰ লগতে যিবিলাক ঘৰ আছে সেইবিলাকৰ প্ৰায় বিলাক ১ কোঠালীৰ ঘৰ। বা কোনো ঠাইত বেৰেকৰ নিচিনা আছে সেইবিলাকৰ অৱস্থা উন্নতি কৰিব লাগে এতিয়ালৈকে শতকৰা ৩০ ভাগ পুলিচক বাসস্থানৰ সুবিধা দিয়া হৈছে। এতিয়া বাজেটত যি টকা ধৰা হৈছে তাৰ দ্বাৰা যিমান পৰা যায় অসুবিধা আতৰ কৰিবলৈ চেষ্টা কৰা হব। পুলিচ হাউচিং স্কিম ইত্যাদি চলি আছে। আমাৰ মাননীয় সদস্যই ফৰেনচিক বিভাগৰ কথা কৈছে। যিখিনি ধন হাতত আছে তাৰে মাজতে এই বিভাগটোৰ উন্নতি কৰিবলৈ চেষ্টা কৰা হব।

ইতিমধ্যে তেওঁলোকৰ অফিচ কাহিলিপাৰালৈ আহিছে আৰু ততকালিন ক্ৰাইম আদি দিটেকশ্যনৰ অন্যান্য ব্যৱস্থাৰ কথা মাননীয় সদস্য কেবাজনেও কৈছে — বাজেট ত প্ৰভিজিয়ন আছে। গাড়ী, পুলিশ ওৱাৰলেচ আদি বহু কথা। এই কথা থিক মতে সম্পূৰ্ণকৈ যিমান খিনি আবশ্যক আজিৰ অৱস্থাত পুলিশৰ ব্যৱস্থা দিব নোৱাৰি। সময় লাগিব। আনহাতে মই আগতে ও কৈছো আজিও কও পুলিশে কেৱল অত্যাচাৰ কৰে, পুলিশে কেবল দূৰ্নীতিত থাকে এনে মনোভাব সদায়েই সৃষ্টি হৈ থাকিবলৈ দিয়াটো উচিত নহব। পুলিশ বিভাগৰ তৰফৰ পৰা এনে মনো ভাব দূৰ কৰিবলৈ চেষ্টা কৰিবলৈ চৰকাৰে সেই বিষয়ে বিশেষ

ব্যৱস্থা কৰিব। তাৰ কাৰণে গোটেই পুলিশ বিভাগটো সম্পূৰ্ণভাবে পুনৰগঠন কৰাৰ কথা ভাবিছো আৰু আগতে কোনে কি ক'ত ব্যৱস্থাত আছিল তাৰ তদন্ত কৰি কাৰ্য্য ব্যৱস্থা স্থিৰ কৰি সকলো বিলাক কথা চোৱা চিতা কৰা হব। দূৰ্নিতিৰ বিষয়ে মই কৈছো জৰুৰী অৱস্থাৰ ক্ষেত্ৰত ইতিমধ্যে ভালেমান পুলিশ বিষয়া বৰ্খাস্ত হৈছে, সাময়িক ভাবে সেই বিলাক বিষয়াক যিমান সোনকালে পৰা যায় তেওঁলোকক পুনৰনিয়োগ কৰাৰ ব্যৱস্থা হৈছে আৰু বাকী থকা খিনিৰ ওপৰত বিশেষ ভাবে তদন্ত চলাই থকা হৈছে। মাননীয় সদস্য সকলক আমি নিবেদন কৰিব খোজো যে পুলিশ সম্বন্ধে আৰু কাৰ্য্যকৰী যি ব্যৱস্থা আপোনা সকলে আশা কৰে কৰবাত ভুল হলে কৰবাত ডকাইতি হলে সংখ্যা লঘু সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ যদি ধৰিব পৰা নাই হলে ততাকালে আমাৰ চৰকাৰক দৃষ্টি গোচৰ কৰে যাতে তাৰ ওপৰত ব্যৱস্থা লব পৰা যায়। মই এই খিনিকে কৈ আজি যি সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই সকলক কৰ্ত্তন প্ৰস্তাৱ তুলি লবলৈ অনুৰোধ জনালো আৰু লগতে পুলিশৰ শিতানত যিমান টকা ধৰা হৈছে অনুমোদন দিবলৈ অনুৰোধ জনালো।

শ্ৰীআব্ৰাম হুছেইন :— যোৱা কালিৰ পৰা, তাৰ আগৰ পৰাই পুলিচ বাজেটত অংশ গ্ৰহণ কৰোতে আমাৰ মাননীয় সদস্য বিৰেচ মিশ্ৰ ডাঙৰীয়াই আৰম্ভ কৰি মাননীয় সদস্য গিয়াছুদ্দিন আহমেদ চাহাবে শেষ কৰিছে উভয় পক্ষৰ বিতৰ্কত বাংলা দেশৰ নাগৰীকৰ কথা কওঁতে সংখ্যালঘু সম্প্ৰদায়ৰ যি কথা কৈছে, আমি মন্ত্ৰী মহোদয়ৰ পৰা আজি যি বক্তৃতা শুনিলো মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই এটা ক্লেৰিফিকেচন বিছাৰিছো —।

মাননীয় অধ্যক্ষ :— ধন্যবাদ দিয়াতো ক্লেৰিফিকেচন নহয়। আপুনি বহক।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পটিকৰণ বিছাৰিছো। কৰ্ত্তন প্ৰস্তাৱৰ বিতৰ্ক বক্তৃতা দিওতে মই চেকেণ্ড অসম পুলিচ বেটেলিয়ানৰ এজন কৰ্ম্মচাৰীৰ কথা কৈছিলো। তেওঁ চুটিত যাওতে জিয়া মানুহ জনক মৰা বুলি কৈ কনণ্ডোলেঞ্চ মিটিং পাতি, টকা পইচা উঠাই বিধৱা ঘৈনিয়েকক সাহাৰ্য্যও দিলে! এই কথা টোৰ মই কোনো

উত্তৰ নাপালো । দ্বীতিয়তে বাংলাদেশৰ ৰিফিউজী বুলি অসমৰে সংখ্যা লঘু সম্প্ৰদায়ৰ ওপৰত যি জুলুম চলাইছে তাৰ পৰামৰ্শস্বৰূপে মই তেওঁ বিলাকক ৰেচিডেনচিয়েল কাৰ্ড দিয়ৰ কথা কৈছিলো । তাৰো কোনো স্পষ্টিকৰণ নাপালো। এই বিষয়ে চৰকাৰে কিবা ব্যবস্থা কৰিবনে নকৰে ?

শ্ৰীগোলাপ বৰবৰা মুখ্যমন্ত্ৰী ঃ জিয়া মানুহ মৰা বুলি উঠা কথাটো ইতি-মধ্যে তথ্যপাতি সংগ্ৰহ কৰি আছে। ৰেচিডেনচিয়াল কাৰ্ড দিয়া কথাটো সুবিধাজনক নহব। অপমানজনক কথা। এনেকুৱা অত্যাচাৰৰ কথাটো ধৰি লৈ কৈছে নেকি ? অৰ্থাত আচল কথাটো সেইটো নহয় ।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ আমাৰ কৰ্ত্তন প্ৰস্তাবটো আলোচনা কৰোতে মই কেইটামান পৰামৰ্শ আগবঢ়াইছিলো দূৰ্নীতি নিবাৰনৰ বাবে অৰ্থ-নৈতিক ব্যৱস্থা লোৱা আবশকীয়। বিভাগটো কৰাৰ কথা কৈছিলো সেই বিষয়ে মন্ত্ৰী মহোদয়ে কোৱা নাই । তাৰ ওপৰিও বাতৰি কাকতৰ যোগে প্ৰচাৰ চলিছে, লাখ লাখ বাংলা দেশী আমাৰ অসমত সোমাইছে। বোৰ ডাৰ চেক পোষ্ট যিবিলাক আছে, আৰু বেছি কৰি অনুপ্ৰবেশকাৰী সকলক তাৰ পৰাই পঠিয়াই দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়, আৰু সেই পৰামৰ্শ মই আগবঢ়াইছিলো। আৰু লগতে বহিৰাগত ইয়ালৈ অহা সম্পৰ্কে বাতৰি কাকতত বাতৰি ওলাইছে। বিধাণ সভাৰ বিধান সন্থাতো বহিৰা-গত লোক আছে বুলি বাতৰি কাকতত ওলাইছে। গতিকে তাৰ এটা স্পষ্টিকৰন বিছাৰিছো।

মাননীয় অধ্যক্ষ ঃ এইটো নতুন কথা গতিকে এই স্পষ্টিকৰণ হব নোৱাৰে।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ এই বহিৰাগত বেচি ভাগেই অৰ্থনীতি বিকৃত। সেই সকলো লোক ৰাজ্যিক বিধান সভাত, থকা বুলি জানি আৰু বিপন্নীয় কৰি তুলিছে। এই বিলাক হৈ আছে। এই সকলো বন্ধ কৰিবৰ বাবে তালাচি চকি শক্তিশালী কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

শ্ৰীঅজয় দত্ত ঃ মাননীয় সদস্য গৰাকীয়ে বাতৰিকাকত খনৰ নামটো জানিব দিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী )ঃ সীমান্ত তালাচি চকি যত আছে, থাকিব । বেচিকৈ বঢ়াবলৈ বাজেটত বিশেষ ধৰণে নাই । অনুপ্ৰবেশকাৰী সম্পৰ্কে মাননীয় সদস্যই কৈছে আৰু অন্য কেইজনমানেও কৈছে । বাতৰি কাকতৰ প্ৰচাৰ বিষয়ে যিটো কৈছে, এনে ৰকমৰ অনুসংাঙ্গিক যাতে প্ৰচাৰ নহয় যত ব্যৱস্থা লবপৰা যায় আমি নিশ্চয় লম।

Mr. Speaker — Now, it is 5 O'clock; debate is closed. There are three Cut Motions moved by Shri Biresh Misra, Shri Mukut Sarma and Shri A. N. Akram Hussain. Now, Mr. Misra is absent. Is it the pleasure of the House to grant leave to the other hon. members to withdraw their cut motions ? ( voices, yes, yes ). The Cut Motions are withdrawan. Now I put the motion.

The Motion is that a sum of Rs. 15,34,88,500 be granted to the Minister-in-charge to complete the sum of Rs, 2o,45,84,700 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head "255-Police"

( The Motion is adopted )

Now item No.3

## CALLING ATTENTION

Shri Mukut Sarma—Sir, I want to draw the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the newsitem appearing in the Statesman, dated 19th May, 1978 under the caption "Borbora aware of Refugee influx into Assam".

Shri Golap Barbora – (Chief Minister) Mr. Speaker, Sir, the attention of this august House has been drawn to the newsitem published in "The Staesman" of 19.5.78 under the caption "Barbora Aware of Refugee Influx into Assam".

The factual position is that till 18.5.78 altogether

119 Muslims of Burmese origin illegally entered Assam from Bangladesh. They were detected while they were travelling by train on the Dharmanagar - Karimganj - Badarpur Section of N. F. Railway. All of them were pushed back to Banglade.h from where they came.

Necessary steps have already been taken to keep a strict watch on the border with Bangladesh to prevent any further illegal entry into Assam of such foreign nationals.

## MATTER UNDER RULE 301

**Shri Khagen Barbaruah** :—Sir, I want to raise a matter under Rule 301 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly relating to " Shortage of A. R. V. ( Anti Rabies Vaccine ) in Assam.

অধ্যক্ষ মহোদয়, এই বছৰ প্ৰত্যালক ছিটাৰ অভাৱত কেবাজনো লোক মৃত্যুৰ মুখত পৰিছে। বসন্ত গোঁহাই বোলা এজন ডি এচ পিৰ মাক পগলা কুকুৰে কামোৰাত মৃত্যু ঘটিছে। তেওঁক বেজি দিবৰ কাৰণে বেজি বিচৰা হৈছিল শিৱসাগৰত নাপাই গুৱাহাটীলৈ খৌৰ দিলে। গুৱাহাটীটো বেজি নাই। তাৰ পৰা গল চিলঙলৈ। চিলঙৰ পৰা বেজি আনি জোৰাবাটলৈৰ যাওঁতে দেবি হোৱাত ইতিমধ্যে মৃত্যু হল। ১৮২২ চনত ফ্ৰান্সত পেষ্টুৰ চাহাবে দন নামৰ ঠাইত জন্ম গ্ৰহণ কৰি ১৮৬৮ চনত কেমিষ্ট্ৰিৰ প্ৰফেচৰ হয়। ১৮৯৫ চনত মৃত্যু, হয় ১৮৮৫ চনত জোচেফ বোলা এজন ৯ বছৰীয়া লৰাক পগলা কুকুৰে কামোৰাৰ পৰা ভাল কৰে। এই লৰা জনক পগলা কুকুৰে ১৪ ঠাইত কামুৰিছিল। তাৰ আগতে কুকুৰৰ কামোৰত ৫০ টা ভেড়া মৰিল। তাৰ পাছত ১৮৮৮ চনত বিশ্ববিদ্যালয়ৰ প্ৰফেচৰ হৈ ৰিচাচ ডিৰেক্টৰ হল। আৰু তেতিয়াৰে পৰা পেষ্টিউৰ ইন্সষ্টীটিউট আৰম্ভ কৰিলে।

আমাৰ অসমত ৫০ হাজাৰতকৈয়ো বেছি বেজিৰ প্ৰয়োজন। আৰু পাবলিক হেথ ইউনিট আৰু চাব চেণ্টাৰত দিব লগা হলে ১ লাখতকৈয়ো বেছি প্ৰয়োজন হব। ডিব্ৰুগড়ৰ পৰা ৫ হাজাৰ বিচাৰিছিল মাত্ৰ ১ হাজাৰ পাইছে। অসম আৰু মেঘালয়ৰ একে লগে থাকোতে মেঘালয়ৰ পেষ্টিউৰ ইন্সষ্টিউটত ইয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু মেঘালয় আলগৰি যোৱাৰ পিচত অসম চৰকাৰে কোনো ব্যৱস্থা হাতত নললে। এই কানছোৱাৰ ভিতৰত কিমান মানুহ ঢুকাল সেই বিষয়ে মই কবলৈ নাজাও। লাখ লাখ টকা অপচয় কৰি আছে, আত্মসাত কৰি আছে অথচ পেষ্টিউৰ ইন্সষ্টিটিউট এটা অসমত বনাব পৰা নাই। মেঘালয় চৰকাৰে ইচ্ছা হলে দিয়ে আৰু ইচ্ছা নহলে নিদিয়ে। বোম্বাই, চিমলা ইত্যাদিলৈ এই বেজি বিচাৰি লিখা হৈছিল। দিব পৰা নাই কৰ্ণাটকে দিব পাৰে কিন্তু আগধন দিব লাগিব। আৰু ৰথেদি পঠাব নোখোজে, তেওঁলোকে পাৰ্চেল কৰি পঠাব খোজে। কিন্তু অসমৰ চৰকাৰে আগধন দিব নোৱাৰা বাবে আনিব পৰা নাই। বেংগলেও দিব পৰা নাই। আমাৰ লৰা ছোৱালীক বলিয়া শিয়াল, কুকুৰে কামুৰিলে চিভিল হস্পিতাললৈ যাব লাগে। গতিকে ভেকচিনৰ কাৰণে ভেড়াৰ ঘিউ পাবলৈ অধিক ভেড়া পুহিব লাগে। পগলা কুকুৰে কামুৰিলে বেজি নললে বহুত দিনৰ পিচতো মানুহ মৰিব পাৰে। এই ঔষধ তৈয়াৰ কৰিবলৈ ভেৰাৰ মগজু লাগে। গতিকে ভেৰা পুহিবৰ কাৰণে অন্ততঃ ওচৰৰ মানুহখিনিক টকা পইচা দি সহায় কৰি হলেও বা চৰকাৰৰ ফালৰ পৰা ফাৰ্ম কৰি আদি পোহাৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে আৰু এটা ব্যৱস্থা কৰিব লাগিব যে সেইটো হলে কুকুৰ কণ্ট্ৰোল কৰিব লাগিব। কুকুৰে বহুতো সময়ত পিচ ফালৰ পৰা খোদা মাৰি আহে। আজিকালি কুকুৰৰ পৰা ভাল বস্তু তৈয়াৰ কৰি খোৱা মানুহ আছে—বিশেষকৈ কুৰীয়াত। কুৰীয়া দেশৰ লোক সকলে কুকুৰৰ মাংসৰ জোন যাকে তাকে নিদিয়ে — ভাল মানুহ গলে—জোৱাঁয়েক আদি গলেহে উলিয়ায়। গতিকে কুৰীয়ালৈ এনে ধৰণে কুকুৰ চালান দিব পাৰিলে আমাৰ ৰাজহ বৃদ্ধি কৰিব পৰা যাব। গতিকে এই কুকুৰ আন দেশলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। পাকিস্তানে কুৰীয়ালৈ কুকুৰ পঠাই ভালেমান টকা লাভ কৰিলে। গতিকে এই বিষয়টো পেলাই থোৱা উচিত নহয়। আমাৰ ইয়াতেই পেষ্টিঅৰ ইনষ্টিটিউট

প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব লাগে। গতিকে এই বিষয়টো চৰকাৰে গভীৰ মনোযোগেৰে লৈ ইয়াতেই পেষ্টিঅৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিব লাগে। খানাপাৰাত ভেটেৰীনেৰী কলেজৰ ওচৰত পেষ্টিয়ৰ ইন্‌ষ্টিউটিত পাতিবলৈ যদিও লৈছে — অন্ততঃ ২ বছৰ সময় লাগিব। এই দুবছৰৰ কাৰনে ভেকসিন যোগাৰ কৰি থব লাগে নহলে বহুলোক মৃত্যুৰ মুখত পৰিব।

Sri Dulal Chandra Barua ( Minister ) :—Prior to 1975 Assam's requirements of anti-rabies Vaccine ( A.R.V. ) was met from the Pasteur Institute, Shillong. In 1975 there was a breakdown in the machinery in the pasteur Institute and they discontinued, the supply of A.R.V to Assam. There after the Director of Health Services, Assam made arrangements to procure A. R. V. from the Central Research Institute. Kasauli, the Pasteur Institute Calcutta and the Heffkine Bio-Pharmaceutical Corporation, Bombay. The supplies, however, were not very regular from the Central Research Institute, Kasauli and the Pasteur Institute, Calcutta. The Director of Health Services, therefore, arranged for regular supplies from the Haffkine Bio-Pharmaceutical Corporation, Bombay. Unfortunately in the month of October, 1977 the Haffkine Bio-Pharmaceutical Corporation, Bombay intimated their inability to execute our order due to some technical difficulties and advised the Directorate to procure A. R. V. from other sources, namely, the Pasteur Instiute Shillong, the Pasteur Institute, Calcutta, Central Research Institute kasauli, vaccine Institute, Baroda, the State vaccine Institute Uttar Pradesh, Government vaccine Institute, Ranchi and Public Health Institute, Kerala. These Institutes were contacted and

replies were received from Pasteur Inststitute, Calcutta, Pasteur Institute Baroda and Central Research Institute, Kasauli only. Pasteur Inatitute, Shillong which was contacted by the Director over the telephone, regretted their inability to supply. The vaccine Institute, Boroda and Central Research Institute, Kasauli also regretted their inability to supply the vaccine, The Pasteur Institute, Calcutta supplied 15,000 ml. on 23.1.78 against our indent for 30,000 ml. Another indent for 30,000 ml. of A. R. V. placed on 9.2.78 is still pending with the Pasteur Institute, Calcutta. The Trade Adviser to the Government of Assam in Calcutta was requested on 9. 2. 78 to contact the Pasteur Institute for immediate supply. The Institute has recently intimated that due to Some technical difficulties their production has come down and has 'requested us to approach other institutes. The Heffkine Bio-Pharmaceutical Corporation, Bombay supplied 4 ,000 ml. of A.R.V. from Bombay on 13.2.78 another indent of 40.000 ml.was placed on the Corporation for the month of March 1978. Against this indent only 7.500 ml. of A. R.V. was received. on 27 - 3. 78, 10,000 ml. of A. R. V. was received on 10. 4. 78 and 30,000 ml. was received on 25, 4. 78. Another indent for 40.000 ml. of A.R.V. was Placed on the Haffkine Bio-Pharmaceutical Corporation, Bombay on 27.4.78 Against this indent 20.000 ml. of A. R. V. was received on 10.5.78. The pasteur Institute, Shillong supplied on 20. 5, 78 only 5,390 ml. of A. R. V. against an indent for 10,000 ml. arrangement are also being made to obtain 50.000 ml. of A.R.V. from

the pasteur Institute eooner ( Tamilnadu. )

The monthly requirement of A. R. V. for the State is 40.000-50, 000 ml. The Superintendents of District and Sud-Divisional Hospitals have been trained in the A. R. V. treatment methods. They in their turn will train other doctors. On completion of trainimg of doctors. anti-rabic treatment will be introduced in PHC / Dispensary where cold storage facilities will be available.

Sir, in this connection, I would like to mention that the Government is very much keen about it, because the information that we have received till now reveals that during the last 3 months, the number of death of persons is 28 due to the non-availability of such drugs. Therefore, the Government is very much keen to start such kind of Institution. It was actually wrong, I fully agree with the hon. member, Shri Barbarua, that last time while I was replying on the Demands for Grants that we were making arrangement for going in for such kind of pasteur institute. At the time of coming down from Shillong, no appropriate arrangement had been made with the Government of Meghalaya about the supply of this very important medicine to us. When the Meghalaya Government reduced the supply of this drug we suffered a lot and therefore, the Governtment is very much keen to go in for such kind of institute immediately, and a proposal is under consideration of the department to have this institute in the Veterinary Complex, Khannapara. So, we will go in for such kind

of institute, and after this is done, we will have no difficulty about the vaccines in the State for the purpose of giving treatment to the people. I think, with these words I have been able to satisfy the hon. member very well.

## MOTION FOR ELECTION TO DIBRUGARH UNIVERSITY COURT

Shri Lakshyadhar Choudhury (Minister) — Sir, I beg to move that this Assembly proceed hereby to elect 7 (seven) members of the Assam Legislative Assembly from amongst themselves to be the members of the Dibrugarh University Court under Sec 15 (1) (xvi) of the Dibrugarh University Act, 1965 (as amended till date) The vacancies have been caused by the dissolution of the last Assembly. The members so elected shall hold office for a period of five years or till the expiry of term of membership whichever is earlier from the date of their election under Sec 37 (2) of the Dibrugarh University Act, 1965 ( as amended till date )

**Motion For Election to Dibrugarh University Court**

Mr. Speaker :—The motion moved is that this Assembly proceed hereby to elect 7 ( seven ) members of the Assam Legislative Assembly from amongst themselves to be the members of the Dibrugarh University Court under Section 15 (1) (xvi) of the Dibrugarh University Act., 1965 (as amended till date). The vacancies have

been caused by the dissolution of the last Assembly. The members so elected shall hold office for a period of five years or till the expiry of term of membership whichever is earlier from the date of their election under Section 37 (2) of the Dibrugarh University Act, 1965 (as amended till date)

The motion is adopted. The Secretary will notify the date, time and place for holding the election, if any. Now item 6.

## Motion For Election To Gauhati University Court

**Shri Lakhyadhar Choudhury,** (Minister)— Sir, I beg to move that "This Assembly proceed hereby to elect 7 (seven) Members of the Assam Legislative Assembly from amongst themselves to be the members of the Gauhati University Court under section 9 (1) (xxi) of the Gauhati University Act, 1947 (as amended till date). The vacancies have been caused by the dissolution of the last Assembly. The members so elected shall hold office for a period of three years from the date of their election under Section 9 ( 2 ) of the Gauhati Universty Act, 1947 ( as amended till date )

Mr. Speaker – The motion moved is that "This Assembly proceed hereeby to elect 7 ( seven ) Members of the Assam Legislatvie Assembly from amongst themselves to be the members of the Gauhati University Court under Section 9 ( 1 ) ( xxi ) of the Gauhati University Act, 1947 ( as amended till date. ) The vacancies have been caused by the dissolution

of the last Assembly. The members so elected shall hold office for a period of three years from the date of their election under Section 9 (2) of the Gauhati University Act, 1947 ( as amended till date )."

Mr. Speaker :—The motion moved is that this Assembly proceed hereby to elect 7 ( seven ) members of the Assam Legislative Assembly from amongst themselves to be the members of the Gauhati University Court under Section 9(1) (xxi) of the Gauhati University Act, 1947 ( as amended till date ). The vacancies have been caused by the dissolution of the last Assembly. The members so elected shall hold office for a period of three years from the date of their election under Section Seetion 9 (2) of the Gauhati University Act, (as amended till date).

The motion is carried. The Secretary will notify the date, time and place for holding the election, if any.

Shri Md. Shamsul Huda — Mr. Speaker, Sir, I wanted permission to raise a point relating to a matter that took place at Tuli.

Shri Dulal Chandra Barua, (Minister) :—I could understand what the hon'ble member hinted. This is a delicate matter and I request the hon'ble member not to raise the matter here.

Mr. Speaker—Minister, Transport will give a statement now on the issue raised yesterday.

Shri Zahirul Islam ( Minister ) :— Mr Speaker, Sir the Private Motor Transport Workers Unions of the

District of kamrup gave a call for a token strike of one day commencing from 4 A. m to 6 p. m. on 19. 6. 78. The printed notice dt. 5. 6. 78 of the token strike was forwarded to the Chief Inspector of Motor Transport Uudertakings on 10. 6. 78 which was received by the said officer on 15. 6. 78 at 11A.M.

Immediately on receipt of the notice, the Chief Inspector issued notices on the employer Association as well as the respective Unions of the Employees of the District of Kamrup to attend a discussion in his office at 11-30 A. M. on 17. 6. 78 in order to avert the impending strike On receipt of the notice, the Secretary of the Greater Gauhati City Buses Employees Union Shri Aswini Kr. Das and General Secretary of the joint Action Committee of the Motor Transport Workers Union of kamrup District, Shri Bhabesh Boruah submitted two petitions praying for a suitable subsequent date and also with a request to invite both the parties for a bilateral discussion. The representatives of the Gauhati Transport Association attended for the discussion but as the representatives of the workers Unions were not present and submitted the petition as aforesaid, the holding of the discussion on the 17th was not possible.

In order to avert the impending strike, the Chief Inspector again issued another Letter requesting both the parties to hold a bilateral discussion and to settle the disputes amicably. Notices were served by special massenger as far as practicable to as many parties

as possible and in particular the notice was served on the Secretary of the Greater Gauhati city Buses Union and the General Secretary of Joint Action Committee. These notices were served at 8 A. M. on 17. 6. 78. It could not be ascertained if the bileteral discussion was held at all as requested as the offiee bearers Could not be contactacted dispite efforts.

In this connection, it may be pointed out that the representatives of the Private Motor Transport Workers Unions submitted a Memorandum to the Labour Minister on 27 th of March 1978. Pointing out their grievances. The main grievances of these Unions can be summarised as follows :—

(1) Full implementation of the Motor Transport Workers Act of 1971 and the rules framed thereunder.

(2) Fixation of need based minimum wages.

(3) Issue of appointment letters to workers.

(4) Confirmation in service and security of services.

(5) Payment of bonus at the rate 8. 33%.

(6) Facilities for Life insurence against accidents.

The Labour Minister after hearing the memorialists asked the Chief Inspector of Motor Transport Undertakings to hold bilateral discussion in his ( Chief Inspectors ) presence and to settle the outstanding disputes Accordingly the Chief Inspector hold a preliminary discussion on the 7 th of April, 1978 where the representatives of the workers Unions were present but from the menagement side exceipt the representive of the Barpeta District Bus Owners Association others

were absent. It was decided in the meeting held on the 7th April that the Chief Inspector will issue directions to the respective managements of the Kamrup Bus Owners Association to implement the various provisions of the Motor Transport Workers Act, 1961 and the rules framed thereunder. As regards the other demands of the Unions it was agreed that a bilateral discussion will be held between the Perties at a latter date and not latter than 7. 5. 78. Accordingly instructions were issuded by the Chief Inspector to all the Employers Associations of the District vide letter No. MTNA. 12/78/5622-24 dated 20th April, 1978. The Chief Inspectorand his other officers went out on tour to find cut if the statutory provisions were carried out as per instructions. The Chief Inspector thereafter fixed 17th of May as the next date for the bilaterel discussion in his presencc as par the request of the Workers Union. The Gauhati Transport Association sought for an adjourment on that date as their Secretary was out of the Station. The other Associations of the empleyers did not intimate the cause of their absence. There after 2nd of June was fixed as the next date for discussion. Except the representatives of the South Kamrup Bus Owners Association, others did not attend. The Gauhati Transport Association intimated that a services of bilateral discussions have been taken place between the employees Union and themselves and as such they were trying to settle up the whole issue between themselves.

Now coming to the notice in question it may be pointed out that this notice is not strictly legal. As under sec. 22 of the Industrial Dispute Act no person employed in a public utility service shall go on strike in breach of contraet without giving to the employer notice of strike in the prescribed form and within 14 days of giving notice. Here the notice appears to have been served on the employers Association on 10.6.78 and copy to the Chief Inspector on 15.6.78. This notice is not in the prescribed form as required under the starutory rules framed uuder Industrial Disputes Act. The Transport undertakings have been declared as public utility service under Govt. Notification No. GLR. 313/75/145 dated 10 5.78. Thc strike, therefore, is illegal.

As the representatives of the workers and also the employers Associations have agreed to sit for future discussion in presence of the Chief Inspector for a bilateral settlement, it is expected that the matter will come to a happy solution and the workers will resume their duties and bring to an end to the statement.

State Govt. have already fixed the minimum wages of the different categories of workers employed in public motor transport employment. Strict instructions will be issued for implementation of the implementation of the minimum wage Act, Government expect whole hearted co-operation from all concerned in this regard. Govt. are keen to redress the grievances of the workers, which are genuine and

legitimate. But in doing so, co-operation from all concerned is pre-requesite.

I should there fore like to request through you Sir, that all concernd will sit for an amicable solution of the gneuine and legitimate grievances in an autmosphere of peace and harmoney.

## ADJOURNMENT

Mr. Speaker :—The House stands adjourned till 10 A.M. to-morrow the 21st June, 1978.

The House then rose at 5-31 P. M. and stood adjourned till 10. A. M. on Wednesday, the 21st June 1978.

P. D. BARUA,
Secretary
Assam Legislative Assembly.

Dated, Dispur
The 20th June, 1978.